# প্ৰান্তিক

৬ষ্ঠ বছৰ ১১শ সংখ্যা ১—১৫ মে '৮৭



ছাইবাৰনেটিক্‌ছ



কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষা



## পূৰ্বাঞ্চলত তেল-গেছ আয়োগ

OKDISCD




প্ৰান্তিক

৬ষ্ঠ বছৰ ১১শ সংখ্যা ১—১৫ মে '৮৭ | মূল্য চাৰি টকা

ডাকঘৰ : শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩

## অহা সংখ্যাত

ৰাজ্যখনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত "ষ্টাৰ" পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অভাবনীয়ভাৱে বাঢ়িছে, কিন্তু সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অকণো বঢ়া নাই। কিয়?

গুৰু-গোসাঁই নমনা ছাত্ৰ, নিৰ্বিকাৰ শিক্ষক আৰু কৰ্তৃপক্ষ, অসহায় অভিভাৱক, কেউপিনে অনিয়ম আৰু দুৰ্নীতি, —এইবোৰে এক অন্ধকাৰ ভৱিষ্যতৰ ইংগিত বহন কৰিছে নে কি? যদি কৰিছে, তেনেহলে কোৰোণবোৰ ক'ত?

**পৰাগ কুমাৰ দাসৰ** সুদীৰ্ঘ পৰ্যালোচনা **শিক্ষা আৰু পৰীক্ষাৰ পদ্ধতি আৰু পৰিবেশ**

উচ্চ শিক্ষা সকলোৰে বাবে নে যোগাজনৰ বাবে? কিছুমান স্বীকৃতিপ্ৰাপ্ত কলেজৰ যোগেদি শিক্ষাদান কৰোৱা বিশ্ববিদ্যালয়খনক আগৰ দিনৰ "মাটিগিৰি"ৰ লগত তুলনা কৰাই ভাল নে কি?

**বিশ্ববিদ্যালয়ৰ সংকট : ড° কুলেন্দু পাঠক**

এসময়ত আমাৰ চহৰবোৰৰ ওপৰত মাধ্যাকৰ্ষণ শক্তিক উলাই কৰি মটৰ গাড়ী উৰি ফুৰিব নে?

**নীলোৎপল বেজবৰুৱাৰ প্ৰবন্ধ : ভৱিষ্যতৰ বাহন**

**হীৰেন ভট্টাচাৰ্যৰ কবিতা : ৰাতি বিহু**

**অসম-বাংলাদেশ সীমান্তৰ ভ্ৰমণ-টোকা :** বিপুল মহন্ত

**মহিলাৰ ওপৰত অত্যাচাৰ—**
এই সামাজিক ব্যাধিটোৱে অসমত দেখা দিছে নে কি?
**অপৰ্ণা মহন্তৰ প্ৰবন্ধ**

## এই সংখ্যাত

মাৰ্কিন যুক্তৰাষ্ট্ৰই আমদানি কৰা কেইপদমান জাপানী ইলেকট্ৰনিক সামগ্ৰীৰ ক্ষেত্ৰত শতকৰা এশ ভাগ আমদানি শুল্ক লগোৱা ঘটনাটোৱে মাৰ্কিন আৰু জাপানীসকলৰ মাজত ইমান দিনে চলি অহা অঘোষিত অৰ্থনৈতিক যুদ্ধখন পোহৰলৈ আনিলে। ···জাপানৰ ব্যাপক ৰপ্তানি বাণিজ্যই পশ্চিমীয়া দেশৰ ভালেমান অংশীদাৰৰ কাৰণে সমস্যাৰ সৃষ্টি কৰিছে।

বিশ্ব পৰিক্ৰমাত **ড° সুনিল পৱন বৰুৱাৰ** প্ৰবন্ধ :
**জাপান : পশ্চিমত নতুন আক্ৰমণ** ।১১।

বানপানীত, জুৰুলা হোৱা ৰাইজক সমুখত লৈ সংভাৱে সাহায্যৰ কাম কৰাটো, প্ৰাপ্তধন নিৰ্লোভভাৱে ব্যৱহাৰ কৰাটো চৰকাৰ, বিষয়া, ব্যৱসায়ী সকলোৰে দায়িত্ব নহয়নে?

যোৱা বানপানীৰ সময়ত বীজ বিতৰণ সম্পৰ্কে **ঘনশ্যাম পৰদেশীৰ** প্ৰবন্ধ :
**বান বিধ্বস্ত লোকৰ বাবে বীজ** ।১২।

'তেলৰ প্ৰবাহ বয়, জাতিৰ উন্নতি হয়।'—এই মূলমন্ত্ৰৰে প্ৰায় তিনিদশকৰ আগেয়ে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান তেল আৰু প্ৰাকৃতিক গেছ আয়োগে উজনি অসমত থিতাপি লয়। বৰ্তমান ই দেশৰ এটা অন্যতম বৃহৎ লাভজনক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান। ···কিন্তু এনে এটা লাভজনক প্ৰতিষ্ঠানে অসমৰ থলুৱা লোকৰ প্ৰতি কিমান সুবিচাৰ কৰিছে?

**ৰাম্বু বৰুৱা** আৰু **ইমৰান হুছেইনৰ** প্ৰবন্ধ :
**তেল আৰু প্ৰাকৃতিক গেছ আয়োগ** ।১৫।

পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৬। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।৯। বিশ্ব পৰিক্ৰমা ।১১। বান বিধ্বস্তৰ বাবে বীজ ।১২। লোকসেৱা ।১৩। পূৰ্বাঞ্চলত তেল-গেছ আয়োগ ।১৫। তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ ভূমিকা ।২৪। বিজ্ঞান ।৩০। দৈনন্দিন ।৩৩। গল্প ।৩৫। কবিতা ।৩৯। উপন্যাস ।৪০। কলা-সংস্কৃতি ।৪৫। ক্ৰীড়াংগন ।৪৭। শেষ পৃষ্ঠা ।৫০।

বেটুপাতৰ আলোকচিত্ৰ : দীপক বেজবৰুৱা

**মুখ্য সম্পাদক : ড° ভবেন্দ্ৰনাথ শইকীয়া**
**নিবন্ধকাৰ :** কুলদীপ নায়াৰ * বদন বৰুৱা * ড° নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ড° দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ড° কৃষ্ণগোপাল ভট্টাচাৰ্য * ড° সুনীল পৱন বৰুৱা * ড° কুলেন্দু পাঠক * গণেশ দাস * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ
**সহকাৰী সম্পাদক :** ইমৰান হুছেইন
**অংগ সজ্জা :** দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ :** দীপক বেজবৰুৱা
**মুদ্ৰাংকন :** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ
**প্ৰদীপ বৰুৱাৰ** দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত



OKDISCD

## অপৰাধ আৰু অপযশ

এটা অদ্ভুত প্ৰৱণতা মাজে মাজে লক্ষ্য কৰা যায়। কোনোবা অপৰাধী হাতেলোটে ধৰা পৰাৰ লগে লগে অপৰাধীজনৰপৰা নতুবা সেই অপৰাধীৰ ৰক্ষণাবেক্ষণকাৰী কোনোবা মহলৰপৰা অপৰাধীজনৰ সপক্ষে এটা যুক্তি দাঙি ধৰা হয়,— কত লোকে এনেকুৱা বা ইয়াতকৈ ডাঙৰ অপৰাধ কৰি সমাজত টিঘিলঘিলাই ফুৰিছে, ক'তা সেইবোৰক ধৰি একো শাস্তিতো দিব পৰা নাই! তেওঁকহে বিশেষ কিবা কাৰণত বা ব্যক্তিগত আখেজ পুৰাবলৈ ধৰি শাস্তি দিয়া হৈছে। লগে লগে সৰ্বসাধাৰণৰ মনতো কথাটো লাগেহি— হয়তো, কত লোক কত ধৰণৰ অপৰাধ কৰি বাচি আছে, এজনক ধৰি কি হ'ব? এইদৰে ধৰা পৰা অপৰাধী একোজনৰ প্ৰতি সৰ্বসাধাৰণে আগবঢ়োৱা এই ধৰণৰ পৰোক্ষ সহানুভূতি তথা অনুকম্পাই ধৰা নপৰা অপৰাধীসকলক অপৰাধসমূহ চলাই যাবলৈহে যেন একপ্ৰকাৰ উৎসাহ প্ৰদান কৰে। এইটো বৰ বিপদৰ কথা। ধৰা নপৰা বহুত অপৰাধী সমাজত টিঘিলঘিলাই ফুৰিছে বাবেই ধৰা পৰা অপৰাধীজনক শাস্তি দিব নালাগিব— এনে যুক্তি অগভীৰ। এনেকুৱা হলে সমাজৰ সকলো অপৰাধী একেদিনাই একে সময়তে ধৰা পৰিব লাগিব। অৱশ্যে এই কথাও ঠিক যে ওপৰ মহলৰ ৰক্ষণাবেক্ষণৰ বাবেই আমাৰ সমাজৰ বহু অপৰাধী কোনোদিনেই ধৰা নপৰে বা ধৰা পৰিলেও শাস্তি নোপোৱাকৈ অতি সহজে মুক্তি পাই ওলাই আহে। এইদৰে একে সময়তে একেই অপৰাধৰ বাবে এজনক ধৰা আৰু আন এজনক এৰি দিয়া দেখিলে আমি নিশ্চয় প্ৰতিবাদ কৰিব লাগিব। কিন্তু সেই প্ৰতিবাদ "এজনক যিহেতু এৰি দিয়া হ'ল, এইজনকনো কিয় এৰি দিয়া নহ'ব"— বুলি হোৱাতকৈ "সেইজনকনো কিয় এৰি দিয়া হ'ল, সেইজনকো ধৰা হওক" বুলিহে হোৱা উচিত। জনতাৰ দাবীত ধৰা পৰা অপৰাধী একোজনে মুক্তি পোৱাৰ নিচিনা ঘটনা কেৰবাত কেতিয়াবা ঘটে, কিন্তু জনতাৰ প্ৰবল হেঁচাত ওপৰমহলৰ দ্বাৰা সুৰক্ষিত অপৰাধী একোজনেও কঠিন শাস্তি পোৱাৰ নিচিনা ঘটনাহে সমাজত মাজে মাজে ঘটিব লাগে। আমি কোনো অৱস্থাতেই অপৰাধী একোজনৰ অপৰাধৰ গুৰুত্ব কমাবলৈ চেষ্টা কৰা অনুচিত।

অপযশ মৃত্যুৰ সমান বুলি নীতি কথাত আছে। কিন্তু বৰ্তমান অপযশেও একপ্ৰকাৰ যশ হিচাপেই স্বীকৃতি লাভ কৰিছে। আমি এতিয়া যি কোনো কাম কৰিবলৈ, যি কোনো ধৰণৰ আচৰণ কৰিবলৈ অকণো লাজ নাপাওঁ। আমি ৰাইজৰ সেৱক হৈ মদ খাই মাতলামি কৰোঁ, নিজে এজন অধ্যাপক হৈ নিজৰেই পুত্ৰৰ বাবে ভুৱা প্ৰমাণ-পত্ৰ যোগাৰ কৰি মেডিকেল কলেজৰ আসন লওঁ।

কিছুদিন ভাৰ বৈ কান্ধ মৰি যোৱাৰ পাছত ভাৰ বলেও কান্ধত বিষ নুঠাৰ নিচিনাকৈ এবাৰ অপযশ হৈ যোৱাৰ পাছত আমাৰ লজ্জাবোধটোও মৰি যায়, আৰু আমি নতুন উৎসাহেৰে অপযশলৈ মন-কাণ নিদি কুকৰ্মবোৰ কৰি যাব পৰা হওঁ। দুৰ্নীতি কৰি ধৰা পৰি কেইদিনমান জেল হাজোতত থাকি ঘূৰি অহাৰ পাছত সৎ হৈ থাকি কি লাভ!

যশ প্ৰাপ্তজন সমাজত সদায় বীৰ (hero) হয়। অপযশো যিহেতু এবিধ যশ। গতিকে কুকৰ্মৰ দ্বাৰা (অপ) যশপ্ৰাপ্তজনেও সমাজত বীৰৰ স্বীকৃতি পায়। হাজি মাস্তান, চাৰ্লছ শোভৰাজ, ফুলন দেৱী এতিয়া যথাক্ৰমে চোৰাং কাৰবাৰী, ঠগ প্ৰবঞ্চনাকাৰী তথা ডকাইত নহয়; তেওঁলোকৰ সাক্ষাৎকাৰ লবলৈ ডাঙৰ ডাঙৰ সাংবাদিকসকল ঘূৰি ফুৰে।

অপৰাধ আৰু সৎ কৰ্মৰ সমাজৰ, যশ আৰু অপযশৰ মাজৰ সীমাৰেখাডাল যি সমাজত ক্ৰমান্বয়ে মচ খাই গৈছে, সেই সমাজে নিজকে সভ্য বুলি দাবী কৰাৰ অধিকাৰখিনিও হেৰুৱাই পেলাইছে। তেনে সমাজৰ "হাজাৰ বছৰীয়া গৌৰৱময় ঐতিহ্য" বজাৰত নচলা সিকিটোৰ দৰে।

—দেৱকান্ত সন্দিকৈ,
গুৱাহাটী বিমান বন্দৰ

## ৰাজনাৰায়ণৰ শিশুসুলভতা

১৯৭৮ চনৰ কথা। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ আধাতকৈও বেছি শিক্ষকে একোখনকৈ চিঠি পালে। চিঠিখন লিখিছে তেতিয়াৰ স্বাস্থ্যমন্ত্ৰী ৰাজনাৰায়ণজীয়ে: আপোনালোকে চিকিৎসাবিজ্ঞানৰ একোজন শিক্ষক হৈও যদি ধূমপান কৰা অভ্যাসটো বাদ দিব নোৱাৰে, তেন্তে জনসাধাৰণক ধূমপানৰ অপকাৰিতা সম্বন্ধে কি শিক্ষা দিব? ধূমপানৰ বদ-অভ্যাসটো আপোনালোকে এৰিব নোৱাৰেনে?

তাৰ পাছতো বহুত কিবাকিবি ঘটিল। ৰাজনাৰায়ণজীৰ 'ভ্ৰাম্যমান গ্ৰাম্য স্বাস্থ্য আঁচনি'ৰ অধীনত বহুতো ডাঙৰ সুসজ্জিত দৰৱ-যন্ত্ৰ-পাতি কঢ়িয়াব পৰা গাড়ী মেডিকেল কলেজবিলাকলৈ আহিল। কেইদিনমান পাছতে দেখা গ'ল দূৰদৃষ্টি আৰু পৰিকল্পনাৰ অভাৱত এই সকলো গাড়ীয়েই একো একোটা 'বগাহাতী' হৈ পৰিছে। বগা-হাতীৰ গাত দুদিন পাছতে মামৰে ধৰিলে।

হোমিওপেথি, ইউনানী, হেকিমি আদি সকলো বিভাগৰে চিকিৎসকক (অস্বীকৃত অনুষ্ঠানৰপৰা হ'লেও) সম-মৰ্যদা প্ৰদান কৰি গণতন্ত্ৰৰ প্ৰতি সন্মান জনালে ৰাজনাৰায়ণজীয়ে, —ক্ষমতাত বহাৰ দুদিন পাছতে। পৰিয়াল পৰিকল্পনাক ভূমি চুই কাণত হাত দিব লগা বিষয়ৰ দৰে কৰা হ'ল।

সেইজন ৰাজনাৰায়ণজীকে (জনপ্ৰিয় নাম 'নেতাজী') এজন হৃদৰোগী হিচাপে খুব ওচৰৰপৰা পাইছিলো। এজন সহজ-সৰল আবেগসৰ্বস্ব মানুহ। ৰক্তচাপ পৰীক্ষা কৰাৰ পাছত চিকিৎসকে কমেও পাঁচবাৰ তেখেতক আশ্বাস দিব লাগিব, "আপোনাৰ ৰক্তচাপ সাধাৰণ মানৰ ভিতৰতে পৰে।"

ইলেক্ট্ৰ কাৰ্ডিঅ' গ্ৰামৰ (কলিজাৰ বৈদ্যুতিক চৌৰ পৰীক্ষা বিশেষ) কাগজখন হাতত লৈ একো নুবুজিলেও পাঁচ মিনিট ৰ-লাগি চায় ৰয় ৰাজনাৰায়ণজীয়ে। সম্পূৰ্ণভাৱে জিৰণি ল'বলৈ পৰামৰ্শ দিয়া সত্বেও নেতাজীয়ে মনে মনে কোঠাৰ ভিতৰতে বহু ৰাজনৈতিক সভা পাতিলে। এদিন কথা প্ৰসংগত ক'লে, "চৰণ সিঙে জনতা পাৰ্টি ধ্বংস কৰি গ'ল।"

দুমাহৰ ভিতৰতে তিনিবাৰ চিকিৎসালয়ত ভৰ্তি হোৱা নেতাজীৰ তৃতীয়বাৰ 'হাৰ্ট এটেক' হোৱাৰ আগতে গৃহমন্ত্ৰী বুটা সিঙৰ লগত কিবা প্ৰসংগত উত্তপ্ত কথা-বতৰা হোৱা বুলি পৰিয়ালৰ মানুহে কয়।

প্ৰত্যেকবাৰেই হনুমানৰ ডাঙৰ ছবি এখন লগত অনা নেতাজীয়ে শেষৰবাৰ 'হনুমানজী'ক লগত আনিব নোৱাৰিলে। ভাৰতীয় ৰাজনীতিত সময়ে-অসময়ে ধুমুহা তোলা, ৰাজনৈতিকভাৱে একেবাৰে অস্থিৰ ৰসিক মানুহজন আৰু নাই। তেওঁৰ অনুপস্থিতি হয়তো দেশখনে বেলেগ ধৰণে অনুভৱ কৰিব।

—ড° অপূৰ্ব শইকীয়া,
ড° ৰাম মনোহৰ লোহিয়া চিকিৎসালয়
নতুন দিল্লী-১১০০০১

## মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মস্থান এখনহে

এই সম্পৰ্কে লিখা দুখনি চিঠি প্ৰান্তিকত (১।২।৮৭) প্ৰকাশ হোৱা পলমকৈ আমাৰ দৃষ্টিগোচৰ হৈছে। শ্ৰীশ্ৰীমাধৱদেৱৰ প্ৰকৃত জন্মস্থান সম্পৰ্কে বিসম্বাদ বহু পূৰ্বে শেষ হৈছে। মণিৰাম বৰা নামৰ এজন লেখেৰা মানুহে অটব্য অৰণ্যৰ মাজত হাবি কাটোতে এই জন্ম ভেটি পাইছিল শিলডুবিৰ চিন ধৰি। তেতিয়া হৰিশিঙা বৰা উজীৰৰ টোলৰ বাহিৰ-ভিতৰ ঢাপ, ইটাৰ খটখটি সকলো আদি চিন সম্পূৰ্ণ আছিল। এই লেখকে নিজেও ১৯৩৩ চনত এইখিনি মণিৰাম বৰাৰ লগত গৈ দেখা পাইছিল। ১৯৫০ চনৰ বৰ-ভূঁইকপৰ পাছত সেই ঠাইত জন বসতি বঢ়াত বহুতো প্ৰতিদ্বন্দ্বী জন্মস্থানৰ সৃষ্টি হৈছিল। ১৯৫৬ চনত সদৌ অসম ভিত্তিত স্বৰ্গীয় ডিম্বেশ্বৰ নেওগ দেৱৰ সভাপতিত্বত স্বৰ্গীয় তীৰ্থনাথ গোস্বামী আৰু দুজন সদস্যৰে এখনি সমিতি জন্মস্থান নিৰ্ণয়ৰ কাৰণে গঠিত হৈছিল। সেই সমিতিয়ে সকলো পৰীক্ষা-নিৰীক্ষা কৰি, কেউখন চৰিত পুথিৰ কথা মিলাই, ৰাইজৰো মতামত গ্ৰহণ কৰি এই মণিৰাম বৰাই আবিষ্কাৰ কৰা ঠাইকে প্ৰকৃত জন্মস্থান বুলি সাব্যস্ত কৰে ১৯৫৭ চনতে। (ইয়াৰ ছপা প্ৰতিবেদনো প্ৰকাশ হৈছে)। পত্ৰলেখকে উল্লেখ কৰা সেইখন গ্ৰাণ্ট সত্ৰহে। মাজুলিত ব্ৰহ্মপুত্ৰই মাটি খহাই নিয়াত মাটি বিচাৰি ইয়ালৈ আহিছে ১৯৫৪ চনত; আৰু জন্মস্থানৰ আধামাইল দূৰতে নিজৰ নামত মাটি লৈ ১৯৫৬ চনত থিতাপি লৈছে। এইখিনি কথা সত্ৰাধিকাৰগৰাকীয়ে নিজে লিখি ছপা কৰোৱা পুথি এখনতে আছে। পুথিখন ৰহস্যজনকভাৱে নষ্ট কৰা হ'ল। সেইখনিৰ মাটিখিনিও ৰাজহুৱা নহয়, সত্ৰাধিকাৰৰ নামতহে। এইবিষয়ে আৰু অযথা বাক-বিতণ্ডা কৰি মহাপুৰুষৰ নামত সদায় দলাদলি কৰি থকা উচিত নহয়। আমি আৰু এইবিষয়ত কোনো তৰ্কবাদ নকৰোঁ; ৰাইজে জানিবৰ কাৰণেহে এইখিনি জনালো।

শ্ৰীভৱানন্দ ৰাজখোৱাদেৱে আনখন চিঠিত ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে "অংকীয়া নাম"ত লিখা কথাৰ উদ্ধৃতি দি নগাঁও জিলাতহে মহাপুৰুষজনাৰ জন্মস্থান বুলি লিখিছে। ত্ৰিছ দশকৰ শেষলৈকে নগাঁও, গুৱাহাটী আদি ঠাইত এই ধাৰণা বদ্ধমূল আছিল বুলি আমিও জানো। ১৯৩৬ চনত স্বৰ্গীয় হলধৰ ভূঞাদেৱে আমাৰ আগতো এই কথা প্ৰকাশ কৰিছিল; কিন্তু কেইদিনমানৰ পাছতে ইয়াৰ জন্মস্থানৰ নাম-ঘৰীয়া, স্বৰ্গীয় কেশৱানন্দ বৈষ্ণৱ বৰদোৱৈলৈ যোৱাৰ পথত ভূঞাদেৱৰ ঘৰত সোমাওঁতে এইবিষয়ে অসমৰ শতাধিক সত্ৰই চাব-মোহৰ মাৰি দিয়া স্বীকৃতি-পত্ৰৰ লগতে, চৰিত-পুথিৰ উদ্ধৃতিখিনি দেখুওৱাতহে তেখেতৰ আগৰ ভুল বিশ্বাস আঁতৰিলে আৰু তেখেতে নিজেও এখনি স্বীকৃতি পত্ৰ লিখি দিলে। ড° বৰুৱাদেৱে সেই পূৰ্বৰ ধাৰণাতে তেনেকৈ লিখা একো অস্বাভাৱিক নহয়। বৰুৱাদেৱৰ পাণ্ডিত্যৰ প্ৰতি শ্ৰদ্ধা থাকিলেও সেই পুথিত থকা কিছু বিষয়ত আমি একমত হব পৰা নাই।

—মহানন্দ বৰা, সভাপতি,
শ্ৰীশ্ৰীমাধৱদেৱৰ জন্ম-পঞ্চ-বাৰ্ষিকী উদযাপন
আৰু অভ্যৰ্থনা সমিতি, উত্তৰ লক্ষীমপুৰ

## বিস্মৃতপ্ৰায় গহপুৰ থানাত পতাকা তোলা মানুহজন

(পূৰ্বপ্ৰসংগ: প্ৰান্তিক, ১৬।৩।৮৭, পত্ৰালাপ)। ১৯৪২ চনৰ ২০ ছেপ্টেম্বৰৰ আগবেলা ১১ বজাত কনকলতাৰ নেতৃত্বত গহপুৰ থানাত পতাকা উত্তোলন কৰিবলৈ অহা ৭ মাইল দীঘল শোভাযাত্ৰাক গহপুৰ থানাৰ আগত সশস্ত্ৰ চিপাহীয়ে বাট ভেটি গুলি কৰোঁতে মৃত্যু হোৱা কনকলতাৰ হাতৰপৰা ত্ৰিৰংগী পতাকাখন পৰি যাবলৈ নিদি, গহপুৰ থানাত উত্তোলন কৰিহে থানাৰ চালৰপৰা জপিয়াই নামি পলাই যাবলৈ সক্ষম হোৱা সেই ডেকাজনৰ নাম আছিল শ্ৰীৰামপতি ৰাজখোৱা।



শ্ৰীৰাজখোৱাৰ এই ছবিখন মোৰ ব্যক্তিগত সংগ্ৰহৰপৰা প্ৰান্তিকলৈ পঠালো এইজন উপেক্ষিত মুক্তি যোদ্ধাক ৰাইজে উপযুক্ত সন্মান প্ৰদৰ্শন কৰিব লাগে।

—গকুল হাজৰিকা, জগন্নাথ বৰুৱা পথ,
যোৰহাট—১

## ছাতি—লাঠি-ধৰ্মপুথি...

ৰাইজে নিৰ্বাচন কৰি পঠোৱা বিধায়কসকলে পাঁচবছৰ কাল দিছপুৰত কটাই আজীৱন পেনছন পোৱাৰ ব্যৱস্থা আছে (বা কৰি লৈছে)। আনহাতে অসমৰ বেচৰকাৰী কলেজ শিক্ষকসকলে গোটেই জীৱনটো শিক্ষাদান কৰি মুৰকত ছাতি লাঠি-ধৰ্মপুথি আৰু এখন প্ৰশংসাপত্ৰ (বৰ বেছি) লৈ কৰ্মজীৱনৰ ওৰ পেলাব লাগে।

—ৰামচন্দ্ৰ ডেকা, গুৱাহাটী

## মন্ত্ৰী নহ'লে নহয় নেকি?

ৰাইজে অশেষ ত্যাগৰ বিনিময়ত গঢ়ি তোলা অসমৰ জাতীয় চৰকাৰখনৰ কাম-কাজৰ সূক্ষ্ম পৰ্যালোচনা কৰি, ইয়াক সঠিক পথত ৰখাৰ আন্তৰিক আগ্ৰহেৰে প্ৰতিজন শুভাকাংক্ষী তথা দেশপ্ৰেমী লোকে বাতৰি কাকত, আলোচনী আদিৰ মাধ্যমেৰে বিভিন্ন দিহা-পৰামৰ্শ দি আহিছে। অথচ ৰাইজৰে অংশ একোটাই মন্ত্ৰীসকলক এনে অপ্ৰয়োজনীয় আৰু কম গুৰুত্বপূৰ্ণ আনুষ্ঠানিক কামত আবদ্ধ ৰখাৰ প্ৰয়াস কৰে— যাৰ ফলত অসমৰ বৃহৎ স্বাৰ্থৰ বিস্তৰ ক্ষতি সাধন হয়। মন্ত্ৰীসকলক আমি আমাৰ বিয়া, ভাওনা, বিহু আৰু অন্যান্য সৰু-সুৰা সকলো কামতে সদায় কামতে পাবলৈ বিচৰা উচিতনে? মন্ত্ৰীসকলে বিভাগীয় কাম-কাজত মনোযোগ দিয়াৰ সুযোগ পাব কেনেকৈ? তেওঁলোকৰ দক্ষতা বৃদ্ধি আৰু দেশৰ উন্নয়নমূলক কামৰ দ্ৰুত ৰূপায়ণ আমি আশা নকৰোঁনেকি? যদি কৰোঁ, তেন্তে সৰু-সুৰা কামত তেওঁলোকক ব্যস্ত ৰাখিব খোজাটো অসৎ অভিপ্ৰায়মূলক বুলি ভাবিলে ভুল হ'বনেকি? নে প্ৰয়োজনে অপ্ৰয়োজনে যিকোনো অনুষ্ঠানলৈ যিকোনো মন্ত্ৰীক মাতি আনি মন্ত্ৰীৰ লগত গা-ঘঁহাই নিজৰ ক্ষমতা প্ৰদৰ্শন তথা অভিলাষ পূৰণৰ মানসিকতা?

এটা উদাহৰণ দিওঁ—অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ নগাঁৱত অনুষ্ঠিত হ'ব লগা অধিবেশনলৈ (২৪/২৫/২৬ এপ্ৰিল ৮৭) কমেও আধা ডজন মন্ত্ৰীক নিমন্ত্ৰণ কৰা হৈছে। শিক্ষকৰ অধিবেশনলৈ শিক্ষামন্ত্ৰী অহাটো প্ৰয়োজনীয়। মুকলি সভাৰ মুখ্যমন্ত্ৰীৰ ভাষণ শুনিবলৈ পোৱাটোও নিশ্চয় সৌভাগ্যৰ কথা। কিন্তু "স্মৃতি গ্ৰন্থ" উন্মোচনৰ বাবে উদ্যোগমন্ত্ৰী, "সাংস্কৃতিক অনুষ্ঠান" উদ্বোধনৰ বাবে মীন-মন্ত্ৰী, মুকলি সভা উদ্বোধনৰ বাবে গড়কাপ্তানি মন্ত্ৰী আদিক আমন্ত্ৰণ জনোৱাটোৰ কিবা যুক্তি অথবা প্ৰাসংগিকতা আছেনে?

সাংস্কৃতিক অনুষ্ঠান, স্মৃতি গ্ৰন্থ আদি উন্মোচন কৰিবলৈ আমি মন্ত্ৰীৰ সলনি বিশিষ্ট শিল্পী, সাহিত্যিকসকলক আমন্ত্ৰণ জনাব নোৱাৰোঁনে?

অসমৰ সচেতন ৰাইজৰ এনে মানসিকতাৰ দ্ৰুত সংশোধন নহ'লে সৰ্বসাধাৰণ ৰাইজ সদায় দালাল শ্ৰেণীৰ হাতৰ পুতলা হৈ থাকিব লাগিব।

—হৃদয়ানন্দ বৰুৱা, মিলনপুৰ, নগাঁও

## "টুনি, দি এলিফেণ্ট বয়"

(পূৰ্বপ্ৰসংগ: প্ৰান্তিক, ১।৪।৮৬, ১৬।৬।৮৬)। ছুইডেনৰ লেখিকা আৰু আলোকশিল্পী এষ্ট্ৰিড বাৰ্গমেন চাক্সডৰ্ফৰ "টুনি, দি এলিফেণ্ট বয়" গ্ৰন্থখনৰ এটা কপি গুৱাহাটীৰ ৰাজ্যিক কেন্দ্ৰীয় পুথিভঁৰালৰ পাঠকসকলৰ বাবে ৰখা কোঠাত অলপতে পঢ়িবলৈ সুযোগ পাইছিলো। কিতাপখনৰ নম্বৰ— 1202/E। এইখন প্ৰথম সংস্কৰণ; ১৯৭১ চনত গ্ৰেট বৃটেইনত প্ৰকাশিত। ছপোৱা হৈছে হংকঙত। আগ্ৰহীসকলক খবৰটো দিলো।

—মঃ মোস্তাক হুছেইন,
চেনিকুঠি, গুৱাহাটী-৩





OKDISCD


# ফেয়াৰফেক্স, জাৰ্মান ছাবমেৰিন, বফৰছ ঃ বিতৰ্কৰ কেন্দ্ৰত ভি. পি. সিং

কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ মতে পানীৰ মাছে কেতিয়া পানী খায় সেইটো ধৰাটো যিদৰে টান, সেইদৰে চৰকাৰী কৰ্মচাৰীয়ে ঘোচ লোৱা ধৰা পেলোৱাটোও সমানেই টান কাম। দেশৰ আকাশ বতাহ মুখৰিত হৈ থকা ফেয়াৰফেক্স, জাৰ্মান ছাবমেৰিন, ছুইডিছ প্ৰতিষ্ঠান বফৰছ আদিৰ লগত জড়িত সাম্প্ৰতিক ঘটনাবোৰে কৌটিল্যৰ উক্তিৰ সত্যতাকে প্ৰতিপন্ন কৰে। কাৰণ এই বিষয়সমূহৰ সম্পৰ্কে সঠিককৈ জনাটো দেশবাসীৰ পক্ষে সম্ভৱ হৈ উঠা নাই। ইয়াৰ মাজতে প্ৰতিৰক্ষা মন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিঙৰ পদত্যাগে এই সম্পৰ্কীয় তৰ্ক-বিতৰ্ক তুংগলৈ তুলিছে।

শ্ৰীসিঙৰ সহযোগীসকলৰ মতে ৰাজীৱ গান্ধীক আগুৰি থকা কুচক্ৰী দলটোৰ মুখা খোলাৰ অৰ্থে চলোৱা অভিযানৰ পৰিণামস্বৰূপেই শ্ৰীসিঙে পদত্যাগ কৰিবলগীয়া হয়। যোৱা ডিছেম্বৰ মাহত লক্ষ্ণৌত যুৱ কংগ্ৰেছৰ এখন সভাত শ্ৰীসিঙে ভাৰতৰপৰা কোটি কোটি থকা নি ছুইছ বেংকত জমা কৰা হৈছে বুলি অভিযোগ তোলে। এইদৰে তেওঁ উচ্চ স্থানৰ লোকসকলৰ মাজত দুৰ্নীতি বৃদ্ধি পাইছে বুলি উল্লেখ কৰাৰ লগে লগে সভাত উপস্থিত যুৱ-কংগ্ৰেছীসকলে ইয়াৰ প্ৰতিবাদ কৰি ৰাজীৱ গান্ধী জিন্দাবাদ, অমিতাভ বচ্চন জিন্দাবাদ আদি ধ্বনি দিয়ে।

ইয়াৰ ঠিক এসপ্তাহৰ পাছতে আন্দামান দ্বীপ ভ্ৰমণ কালত প্ৰধান মন্ত্ৰীৰ বিমানখনত অমিতাভ ভাতৃ অজিতাভ বচ্চন, তেওঁৰ পত্নী আৰু আৰু এদল ইটালীয় বন্ধুৰ বাবে ঠাই উলিয়াবলৈ শ্ৰীসিঙকে ধৰি কেইবাজনো কেন্দ্ৰীয় মন্ত্ৰীক বিমানখনৰপৰা নমাই দিয়া হয়। এনেবোৰ ঘটনাই বিশ্বনাথ প্ৰতাপ সিঙক বিক্ষুব্ধ কৰি তোলে। ইয়াৰ ঠিক কেইসপ্তাহমানৰ পাছতে শ্ৰীসিঙক বিত্ত দপ্তৰৰপৰা নি প্ৰতিৰক্ষা দপ্তৰৰ দায়িত্ব দিয়া হয়। শ্ৰীসিঙে হেনো এজন ঘনিষ্ঠ বন্ধুৰ আগত কৈছিল,—"বিত্তৰপৰা প্ৰতিৰক্ষা দপ্তৰলৈ নিলেই দুৰ্নীতিৰ বিৰুদ্ধে চলোৱা মোৰ অভিযান বন্ধ হ'ব বুলি যদি তেওঁলোকে ভাবিছে, তেন্তে ভুল কৰিছে। কাৰণ প্ৰতিৰক্ষা দপ্তৰতো ভালেমান গোপন লেনদেন চলে। মই সেইবোৰো উদঘাটন কৰিবলৈ চেষ্টা কৰিম।

প্ৰতিৰক্ষা দপ্তৰলৈ অহাৰ এমাহৰ ভিতৰতে তেওঁ জাৰ্মান ছাবমেৰিন যোগান ধৰা প্ৰতিষ্ঠানটোৱে ভাৰতীয় এজেণ্ট এজনক ৩০ কোটি টকা কমিশ্যন দিয়াৰ বিষয়ে অনুসন্ধান কৰিবলৈ দিয়ে। এই কামৰ দায়িত্ব তেওঁ আন



কাকো নিদি তেওঁৰ বিশ্বস্ত বন্ধু আৰু সেই সময়ত বিত্ত মন্ত্ৰণালয়ৰ এনফৰ্ছমেণ্ট সঞ্চালকালয়ৰ সঞ্চালক ভুৰেলালক দিয়ে। তেওঁ তেওঁৰ আন এজন অন্তৰংগ বন্ধু আৰু বিত্ত সচিব বিনোদ পাণ্ডেক কমিশ্যনৰ বিষয়টো জড়িত হৈ থকা আটাইবোৰ প্ৰতিৰক্ষা লেনদেনৰে তদন্ত কৰিবলৈ দিয়ে। কিন্তু বৰ্তমান প্ৰধান মন্ত্ৰীৰ দায়িত্বত থকা বিত্তমন্ত্ৰণালয়ত লগে লগেই ইয়াৰ প্ৰতিক্ৰিয়া হয়। ছাবমেৰিন সম্পৰ্কীয় লেনদেনৰ কাগজ-পত্ৰসমূহ ভুৰেলালৰ মেজ পোৱাৰ দিনাখনেই তেওঁক আন বিভাগলৈ বদলিৰ নিৰ্দেশ দিয়া হয়। পাছদিনা বিনোদ পাণ্ডেকো অৰ্থনৈতিক চোৰংচোৱা বুৰ'ৰ দায়িত্বৰপৰা অব্যাহতি দিয়া হয়। সিঙৰ সৈতে ঘনিষ্ঠ মহলৰ মতে ভুৰেলাল আৰু পাণ্ডেক আঁতৰোৱাৰ লগে লগে তেওঁ পদত্যাগ কৰিবলৈ ঠিক কৰে।

ইতিমধ্যে ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীৰ সম্পৰ্ক লৈ চলা বিতৰ্কও প্ৰবল হৈ উঠিছিল। জাইল সিঙে ৰাজীৱ গান্ধীলৈ চোকা ভাষাৰে লিখা এখন চিঠি ইণ্ডিয়ান এক্সপেছত হুবহু প্ৰকাশ কৰা হয়। ইয়াৰ ঠিক পাছত কাকতখনৰ মালিক ৰামনাথ গোৱেংকাৰ নতুন দিল্লীত থকা বাসস্থানত খানাতালাচী চলোৱা হয় আৰু তেওঁৰ উপদেষ্টা এছ. গুৰুমূৰ্থিক গ্ৰেপ্তাৰ কৰা হয়। ইয়াৰ ফলত বিশ্বনাথ প্ৰতাপ সিং, ৰাষ্ট্ৰপতি আৰু ইণ্ডিয়ান এক্সপ্ৰেছৰ মাজত কিবা সম্পৰ্ক আছে নে কি এই বিষয়েও সততে প্ৰশ্ন উত্থাপিত হয়। ইফালে ফেয়াৰফেক্সক দায়িত্ব দিয়া সম্পৰ্কীয় বাতৰিটো প্ৰকাশ পোৱাৰ লগে লাগে বিশ্বনাথ প্ৰতাপ সিঙ বিতৰ্কৰ অন্যতম কেন্দ্ৰবিন্দু হৈ পৰে।

এই মাকিন চোৰাংচোৱা সংস্থাটোৰ নিযুক্তিৰ বিষয়টোৱে সংসদত উত্তপ্ত বিতৰ্কৰ সৃষ্টি কৰাৰ লগে লগে প্ৰধানমন্ত্ৰী আৰু তেওঁৰ সহযোগীসকলৰ সৈতে শ্ৰীসিঙৰ মতানৈক্যও বৃদ্ধি পায়। দীনেশ সিঙৰ মাৰফতে তেওঁৰ বিৰুদ্ধে এখন যুদ্ধ আৰম্ভ কৰি দিয়াৰ লগে লগে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰতিৰক্ষা সম্পৰ্কীয় অনুসন্ধানসমূহৰ বিতং বাতৰি বাতৰিকাকতত





গুৰুমূৰ্থি


প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লয়। তেওঁৰ এই সিদ্ধান্তই ই-কংগ্ৰেছ মহলত যেন কোদোৰ বাঁহতহে জুই দিলে। ই-কংগ্ৰেছৰ নেতাসকলে প্ৰধান মন্ত্ৰীৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি বিশ্বনাথ প্ৰতাপ সিঙক এনেদৰে নিন্দা কৰিবলৈ ললে যে এটা সময়ত শ্ৰীসিঙক দলৰপৰা বহিষ্কাৰ কৰিব লগীয়া অৱস্থা এটাৰো সৃষ্টি হৈছিল। অৱশ্যে এই ক্ষেত্ৰত অৰুণ সিং আৰু অৰুণ নেহৰুৱে সময়মতে হস্তক্ষেপ কৰি দলক এনে কাৰ্যৰপৰা বিৰত কৰে। অৰুণ সিঙে ৰাজীৱ গান্ধীক অনুৰোধ কৰি শ্ৰীসিঙৰ বিৰুদ্ধে চলা অভিযান বন্ধ কৰায়। অৰুণ নেহৰুৱে স্পষ্টভাৱে জনায় যে বিশ্বনাথ প্ৰতাপ সিঙক দলৰপৰা বহিষ্কাৰ কৰিলে তেওঁ সিঙৰ পক্ষ লব।

দুৰ্নীতিৰ বিৰুদ্ধে যুঁজিবলৈ দৃঢ় সংকল্পবদ্ধ বিশ্বনাথ প্ৰতাপ সিঙে হাতেলিখা পদত্যাগ পত্ৰখন দিবলৈ যাওঁতেও চৰকাৰী গাড়ী ব্যৱহাৰ কৰা নাছিল। তেওঁৰ এম. ডি. পঢ়ি থকা পুতেক অজয়ে তেওঁলোকৰ বগা মাৰুতি ভানখনত তুলি তেওঁক প্ৰধান মন্ত্ৰীৰ বাসভৱনলৈ লৈ যায়।

বিশ্বনাথ প্ৰতাপ সিঙক লৈ চলি থকা বিতৰ্কৰ মাজতে ছুইডিছ ৰেডিঅ'ই প্ৰতিৰক্ষা সম্পৰ্কীয় বফৰছ কেলেংকাৰীৰ বাতৰিটো প্ৰচাৰ কৰে। বাতৰিটো মতে, ভাৰতীয় সেনাবাহিনীৰ বাবে ৪০০ এফ. এইছ. ৭৭—১৫৫ মি. মি. হাৱিটজাৰ যোগানৰ বাবে ঠিকা লাভ কৰিবলৈ বফৰছ প্ৰতিষ্ঠানে কেইজনমান ভাৰতীয় ই-কংগ্ৰেছৰ নেতাকে ধৰি প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ শীৰ্ষস্থানীয় কেইজনমান বিষয়াক ১৬ নিযুত ডলাৰ উপঢৌকন আগবঢ়াবলৈ সিদ্ধান্ত লৈছে। ইতিমধ্যে ইয়াৰে হেনো ৫ নিযুত ডলাৰ ছুইডিছ বেংকৰ যোগেদি, ল'টাছ নামৰ সাংকেতিক নাম এটাৰ জৰিয়তে দিয়া হৈছেই।

বফৰছ কোম্পানিটো লৈ ছুইডেনতো যোৱা কিছুদিন ধ'ৰ বেছ বিতৰ্ক চলি আছে। ছুইডেন চৰকাৰৰ নিয়ম অনুসৰি যুদ্ধ চলি থকা দেশসমূহলৈ অস্ত্ৰশস্ত্ৰ বিক্ৰি কৰিব নোৱাৰি। কিন্তু বফৰছ কোম্পানিয়ে ছিংগাপুৰৰ যোগেদি ইজিপ্ট, ছিৰিয়া, ডুবাই, বাহৰিন আৰু থাইলেণ্ডলৈ অস্ত্ৰ-শস্ত্ৰ পঠাই আছে বুলি উঠা অভিযোগৰ পৰিপ্ৰেক্ষিতত ছুইডিছ পুলিছে কোম্পানিটোৰ বিৰুদ্ধে তদন্ত চলাই আছে।

ইফালে প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে কেলেংকাৰীটো সম্পৰ্কত তেওঁৰ মন্ত্ৰী



ৰামনাথ গোৱেংকা

সভাৰ সহযোগীসকল আৰু দলীয় কৰ্মীসকলৰ সৈতেও ব্যাপক আলোচনা চলাই আছে।

ভাৰতৰ সৈতে বফৰছৰ লেনদেন ভূতপূৰ্ব ছুইডিছ প্ৰধান মন্ত্ৰী ওলফ পামেৰ উদ্যোগতে গঢ়ি উঠে। বফৰছৰ মতে ওলফ পামেই অবৈধভাৱে অস্ত্ৰশস্ত্ৰ ৰপ্তানি কৰা ঘটনাৰ কথা জানিছিল। আনহাতে এশ বছৰৰ পুৰণি বফৰছ কোম্পানিৰ ছুইডিছ অৰ্থনীতিৰ ওপৰত থকা ব্যাপক প্ৰভাৱৰ কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে।



ভুৰেলাল

সেই দেশলৈ বিদেশী মুদ্ৰা আহৰণৰ ক্ষেত্ৰত এই কোম্পানিয়ে বিশেষ ভূমিকা পালন কৰি আহিছে। সেয়েহে পোনপটীয়াকৈ এই কোম্পানিৰ বিৰুদ্ধে যুঁজিবলৈ ছুইডিছ চৰকাৰেও সাহস কৰা নাই।

অৱশ্য ছুইডিছ চৰকাৰে বিষয়টো সম্পৰ্কত তদন্ত কৰিবলৈ মান্তি হৈছে। ভাৰত চৰকাৰৰ তৰফৰ পৰাও ধন লোৱাৰ সুনিশ্চিত প্ৰমাণ পালে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কোৱা হৈছে। বফৰছ কোম্পানিয়ে ঘোচ দিয়াৰ কথা অস্বীকাৰ কৰিছে যদিও কিছুমান কথা প্ৰকাশ কৰিবলৈ অস্বীকাৰ কৰিছে। আনহাতে প্ৰথমতে বাতৰিটো প্ৰকাশ কৰি চাঞ্চল্যৰ সৃষ্টি কৰা ছুইডিছ টেলিভিশ্যনে (চৰকাৰী) বাতৰিটোৰ যুক্তযুক্ততা প্ৰমাণ কৰিবলৈ তেওঁলোকৰ হাতত সম্বল আছে বুলি জোৰ দি কৈ আছে।

শেহতীয়া খবৰ অনুসৰি, বফৰছ কোম্পানিয়ে ছুইডেনত থকা ভাৰতীয় ৰাষ্ট্ৰদূতক ঘটনাটো সম্পৰ্কে কিছুমান কথা কৈছে; কিন্তু সেই কথাত ৰাষ্ট্ৰদূতজন সন্তুষ্ট হোৱা নাই।

* পশ্চিম জাৰ্মানিৰ চমুকৈ এইচ. ডি. ডব্লিউ নামেৰে জনাজাত প্ৰতিষ্ঠানটোৱে ভাৰতক চাৰিখন ছাবমেৰিন বেচাৰ কথা, আৰু তাৰে দুখন ইতিমধ্যে ভাৰতক দিয়া হৈছে। এই লেনদেনতে মাজৰ এটা গোষ্ঠীক ৩০ কোটি টকা দালালী বা কমিশ্যন হিচাপে দিয়া হৈছে বা হ'ব বুলি ওলোৱা বাতৰিয়ে ইতিধমধ্যে তুমুল বাক-বিতাণ্ডাৰ সৃষ্টি কৰিছে। যি দুখ-



OKDISCD

ছাবমেৰিন ভাৰতে পাইছে, তাৰে এখনৰ নাম দিয়া হৈছে শিশুমাৰ (Shishumar)। এই ছাবমেৰিনখনৰ দায়িত্ব লবলৈ (কমাণ্ডাৰ) নবীন চোপ্ৰা নামৰ এজন বিষয়াই ছমাহ জাৰ্মানিত প্ৰশিক্ষণ লৈছিল। প্ৰশিক্ষণ শেষ কৰি তেওঁ যোৱা মাৰ্চমাহত ভাৰতলৈ উভতি আহিছিল; আৰু এমাহমানৰ ভিতৰতে তেওঁ ছাবমেৰিনখনৰ দায়িত্ব লোৱা কথা।

কিন্তু যোৱা ১৯ এপ্ৰিল তাৰিখে এই ৩৬ বছৰীয়া কমাণ্ডাৰজনৰ মৃতদেহ তেওঁৰ বাসস্থানত পোৱা গৈছে। মৃতদেহৰ ওচৰত এটা ৰিভলভাৰ আৰু এখন চিঠি পোৱা গৈছে। সেই চিঠিত লিখা আছে— মোৰ মৃত্যুৰ বাবে কাকো দোষ দিব নালাগে। চিঠিখনৰ আগৰ আৰু চহী যে নবীন চোপ্ৰাৰ নিজৰ, সেই কথা তেওঁৰ মাকে সাব্যস্ত কৰিছে।

পুলিছ আৰু প্ৰতিৰক্ষা দপ্তৰৰ এজন মুখপাত্ৰৰ মতে এই মৃত্যুৰ লগত ছাবমেৰিন-কেলেংকাৰীৰ কোনো সম্পৰ্ক নাই।

### উত্তৰ-পূব আঞ্চলিক দলৰ উমৈহতীয়া মঞ্চ

অসম গণ পৰিষদৰ উদ্যোগত ২৩ এপ্ৰিলত গুৱাহাটীত অনুষ্ঠিত উত্তৰ পূৰ্বাঞ্চলৰ প্ৰধান (আঞ্চলিক) ৰাজনৈতিক দলকেইটাৰ এখন সভাই দলকেইটাৰ মাজত এখন উমৈহতীয়া মঞ্চ গঠনৰ সিদ্ধান্ত লয়। ইয়াৰ বাবে অসমৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক সভাপতি আৰু ভৃগু কুমাৰ ফুকন (অ. গ. প), টমো ৰিবা আৰু কামেং ৰিঙ্গো (পিপলছ পাৰ্টি অৱ অৰুণাচল), জি. জয় কুমাৰ আৰু অ. জয় সিং (মণিপুৰ পিপলছ পাৰ্টি), বি. বি. লিংডো আৰু মিল্টন চাংমা (মেঘালয় হিল পিপলছ ইউনিয়ন), লালডেংগা আৰু থাংলাওটা (এম. এন. এফ.), চালি কেভিচুছা (নগালেণ্ড নেশ্যনেলিষ্ট ডেমক্ৰেটিক পাৰ্টি) আৰু শ্যাম চৰণ ত্ৰিপুৰাক (ত্ৰিপুৰা উপজাতি যুব সমিতি) সদস্য হিচাপে লৈ এখন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। মঞ্চৰ কাৰ্যালয় গুৱাহাটীত থাকিব।

ইয়াৰ উপৰিও উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহলৈ বাহিৰৰপৰা হোৱা অবাধ প্ৰব্ৰজনৰ ফলত অঞ্চলটোৰ জনসাধাৰণৰ ৰাজনৈতিক আৰু আৰ্থ সামাজিক স্বকীয়তা বিলুপ্ত হ'ব খোজাৰ পৰিপ্ৰেক্ষিতত সভাই ৰাজ্যকেইখনৰ বাবে পাৰ-পত্ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ দাবী জনায়। সভাই অসমকে ধৰি অঞ্চলটোৰ ৰাজ্যকেইখনৰ মাজৰ সীমা-বিবাদ শান্তিপুৰ্ণভাৱে নিষ্পত্তি কৰাৰ বাবে কাৰ্যনিৰ্বাহকক দায়িত্ব দিয়ে।

* যোৱা ২২ এপ্ৰিল তাৰিখে শ্ৰীলংকাৰ উত্তৰ ভাগৰ জাফনা অঞ্চলত সেই দেশৰ বায়ু সেনাবাহিনীৰ বিমানে বোমা আৰু গুলীবৰ্ষণ কৰিবলৈ লোৱাৰ লগে লগে শ্ৰীলংকাৰ ৰাজনৈতিক পৰিস্থিতি সংকটময় হৈ পৰে। আগদিনা কলম্বোত এটা বোমা বিস্ফোৰণৰ ঘটনাত প্ৰায় ১৫০ জন মানুহ নিহত আৰু ৩০০ জন আহত হোৱাৰ প্ৰতিক্ৰিয়া হিচাপেই এই বোমাবৰ্ষণৰ কাম আৰম্ভ কৰা হয়। ৰয়টাৰৰ বাতৰি মতে প্ৰথম দিনাৰ বোমাবৰ্ষণৰ ফলত ৮০ জন তামিল উগ্ৰপন্থীৰ মৃত্যু হয়। মাদ্ৰাছৰ পৰা অহা খবৰ মতে ১০০ জনমান তামিল নাগৰিকৰো মৃত্যু হৈছে। দ্বিতীয় আৰু তৃতীয় দিনাও বোমাবৰ্ষণৰ ঘটনা ঘটি থাকে। শ্ৰীলংকা মন্ত্ৰীসভাৰ কেইগৰাকীমান সদস্যৰ মতে— জাফনা অঞ্চলত থকা তামিল উগ্ৰপন্থীসকলৰ ঘাটিসমূহ ধ্বংস কৰিবই লাগিব। আগতে দেশখনক উগ্ৰপন্থীৰ কাৰ্যকলাপৰ পৰা সম্পূৰ্ণ মুক্ত কৰিব লাগিব, তাৰ পাছতহে ৰাজনৈতিক দৃষ্টিভংগীৰে জাতিগত সমস্যাটোৰ সমাধানৰ প্ৰশ্ন উঠিব। জাফনাত থকা তামিল উগ্ৰপন্থী আৰু তেওঁলোকৰ সহযোগীসকলক গ্ৰেপ্তাৰ কৰাৰ প্ৰশ্ন হুঠে, তেওঁলোকক সমাজৰ পৰা আঁতৰাব লাগিব।

শ্ৰীলংকা চৰকাৰে নিৰীহ সিংহলী নাগৰিকক হত্যা কৰাৰ বাবে লিবাৰেশ্যন টাইগাৰছ অৱ তামিল ইলাম আৰু ইলাম ৰিভলিউশ্যনেৰি অৰ্গেনাইজেশ্যন অৱ ষ্টুডেণ্টছ নামৰ সংগঠন দুটাক জগৰীয়া কৰিছে।

উল্লেখযোগ্য যে ১৯৮৩ চনৰ পৰা এতিয়ালৈকে শ্ৰীলংকাত পাঁচ হাজাৰৰো অধিক লোকে ৰাজনৈতিক সংঘৰ্ষত প্ৰাণ হেৰুৱাইছে। তামিল উগ্ৰপন্থীসকলে সম্প্ৰতি সৈন্যবাহিনীৰ লোকৰ সলনি সিংহলী নাগৰিকক হত্যা কৰিবলৈ লোৱাৰ ফলস্বৰূপে দেশখনত এক যুদ্ধকালীন পৰিবেশৰ সৃষ্টি হৈছে। আনহাতে, দেশখনৰ কিছু ৰাজনৈতিক নেতাই এপ্ৰিল মাহৰ হত্যাকাণ্ড কেইটামানৰ লগত ইজৰাইলৰ লোক জড়িত আছে বুলি দাবী কৰিছে।

* উৰিষ্যা চৰকাৰে বিধান সভাৰ বিৰোধী দলৰ দলপতিজনৰ বেতন বৰ্তমানৰ ২,৬১৫ টকাৰপৰা ৫,৬১৫ টকালৈ বৃদ্ধি কৰিছে। ইয়াৰ ভিতৰত বছৰি দিয়া নিৰ্ধাৰিত ১২,০০০ টকাৰ মাহিলি গড় ১০০০ টকাও ধৰা হৈছে। এতিয়াৰপৰা বিজু পাটনায়কেই উৰিষ্যাৰ বিধান সভাৰ আটাইতকৈ অধিক বেতন পোৱা লোক হ'ব। তেওঁৰ বেতন মুখ্যমন্ত্ৰীকে ধৰি মন্ত্ৰীসকলতকৈও ১,৬১৫ টকা বেছি।

ৰাজ্যখনৰ বিধায়কসকলৰ বেতনো ১০০০ টকাকৈ বৃদ্ধি কৰা হৈছে। এতিয়াৰপৰা এজন বিধায়কৰ বেতন হ'ব ২,৯৫০ টকা।

* ইটালি চৰকাৰে প্ৰতি বছৰে অলপ অলপকৈ হালি গৈ থকা পিছাৰ হেলনীয়া স্তম্ভটোক স্থিৰ অৱস্থাত ৰখাৰ উদ্দেশ্যে এখন আঁচনি হাতত লৈছে। এই আঁচনিৰ অধীনত ৫৫ মিটাৰ দৈৰ্ঘ্যৰ এই স্তম্ভটোৰ ভেঁটিতে প্ৰতিৰোধকৰ ব্যৱস্থা কৰা হ'ব। এই আচনি কৃতকাৰ্য নহলে স্তম্ভটোৰ কাষতে বেলেগ এটা গাঁথনি সাজি উলিওৱা হ'ব।





# কুলদীপ নায়াৰৰ
## বিশেষ প্ৰবন্ধ

ৰাষ্ট্ৰপতি গিয়ানী জাইল সিং আৰু প্ৰধান মন্ত্ৰী ৰাজীব গান্ধীৰ মাজৰ সম্পৰ্ক তেওঁলোকৰ মাজত হোৱা সাক্ষাৎসমূহৰ পাছতো উন্নত হোৱা নাই। (এবাৰ তিনি সপ্তাহৰ আগেয়ে আৰু এবাৰ কেইদিনমানৰ আগেয়ে তেওঁলোকৰ মাজত সাক্ষাৎ হৈছিল। দেশে ৰাষ্ট্ৰৰ প্ৰধানজন আৰু চৰকাৰৰ প্ৰধানজনৰ মাজত বিবাদ হোৱাটো নিবিচাৰে। ৰাজীব গান্ধীৰ প্ৰধানমন্ত্ৰিত্বৰ আঢ়ৈ বছৰীয়া কালত প্ৰধান মন্ত্ৰী আৰু ৰাষ্ট্ৰপতিৰ মাজত এইটো যে মাত্ৰ তৃতীয় আনুষ্ঠানিক সাক্ষাৎ, সেইটোৱেই তেওঁলোকৰ মাজৰ সম্পৰ্কৰ স্বৰূপ উদঙাই দিয়ে। আৰু সম্পৰ্ক স্বাভাৱিক হ'বলৈ যে এতিয়াও বাকী আছে, সেই বিষয়তো হ'ব লগীয়া একো নাই।

গিয়ানীজীয়ে অহা ২৬ জুলাইত অৱসৰ গ্ৰহণ কৰিব। তেওঁ কৈছে যে তেওঁ দ্বিতীয় এটা কাৰ্যকাল নিবিচাৰে।* অৱশ্যে তেওঁ ৰাষ্ট্ৰপতিৰ পদটোৰ মৰ্যাদা পুনৰ উদ্ধাৰ কৰিবলৈ আৰু প্ৰধান মন্ত্ৰীৰ সৈতে এক উপযুক্ত সম্পৰ্কৰ পৰম্পৰা স্থাপন কৰিবলৈ এতিয়াও চেষ্টা কৰি আছে। যদিহে তেওঁ কৃতকাৰ্য হয়, তেনেহলে অন্ততঃ পাছৰ ৰাষ্ট্ৰপতিগৰাকীয়ে বৰ্তমানৰ গৰাকীয়ে পোৱা অবজ্ঞাখিনিৰপৰা ৰেহাই পাব।

যোৱা সপ্তাহত তেওঁলোক দুজনৰ মাজত হোৱা সাক্ষাতো গিয়ানীজীৰ উদ্যোগতে অনুষ্ঠিত হৈছিল। কেইদিনমানৰ আগেয়ে তেওঁ আলোচনা পুনৰ আৰম্ভ কৰিবলৈ আহ্বান জনাই ৰাজীব গান্ধীলৈ লিখিছিল। চিঠিখনত তেওঁ হেনো কৈছিল যে সাংবিধানিক বাধ্যবাধকতা আৰু দেশাচাৰ সম্পৰ্কত প্ৰায় তিনি সপ্তাহৰ আগেয়ে তেওঁলোকে চলোৱা আলোচনা অসম্পূৰ্ণ হৈ ৰ'ল।

এই আগভাগ লোৱা কামটো যদি প্ৰধান মন্ত্ৰীয়ে কৰিলেহেঁতেন, তেনেহলে কিযে ভাল কথা হ'লহেঁতেন! ৰাষ্ট্ৰপতিক শেষবাৰৰ বাবে সাক্ষাৎ কৰোঁতে প্ৰধানমন্ত্ৰীয়ে হেনো ইংগিত দিছিল যে তেওঁ বিষয়টো সম্পৰ্কত আৰু অধিক আলোচনা চলাব। কিন্তু তেওঁ তেনে নকৰিলে; নতুবা তেওঁৰ

### গিয়ানীজীৰ আৰু এক প্ৰচেষ্টা

পূৰ্বৰ ভুলবোৰো সংশোধন নকৰিলে। দেখাদেখিকৈ ৰাষ্ট্ৰপতিয়ে মৰ্যদাসুলভ আনুষ্ঠানিকতাতে লাগি নাথাকি আন এক বৈঠকৰ প্ৰস্তাৱ কৰিলে। ৰাষ্ট্ৰপতিক অবজ্ঞা কৰি যে এই পদটোৰহে ক্ষতি কৰা হৈছে, জাইল সিঙৰ ক্ষতি কৰা হোৱা নাই, সেই কথা ৰাজীব গান্ধীয়ে এতিয়াও উপলব্ধি নাই কৰা যেনেই লাগে।

সংবিধানে ৰাষ্ট্ৰপতিৰ পদটোক যিমান গুৰুত্ব দিছে, সিমান গুৰুত্ব নিদিবলৈ ৰাজীব গান্ধীয়ে যি স্থিতি লৈছে, সেইটো তেওঁ সলনি কৰা নাই যেনেই দেখা গৈছে। এইটো দুৰ্ভাগ্যজনক কথা। সেইদৰে প্ৰশাসন আৰু ৰাজনীতিত চাৰি দশক কটোৱাৰ ফলত গিয়ানী জাইল সিঙে আহৰণ কৰা অভিজ্ঞতা আৰু পৰিপক্কতাৰ কথা মানিবলৈও তেওঁ (ৰাজীব গান্ধীয়ে) অস্বীকাৰ কৰিছে। ৰাজীব গান্ধীয়ে সম্ভৱ গিয়ানীজীৰ অৱসৰ গ্ৰহণৰ বাবেই বাট চাই আছে।

ৰাষ্ট্ৰপতি আৰু প্ৰধান মন্ত্ৰীৰ মাজৰ সম্পৰ্ক প্ৰতিদ্বন্দ্বীৰ মাজৰ সম্পৰ্ক নহয়; সংবিধানত তেওঁলোকৰ ভূমিকা নিৰূপিত কৰা আছে। বহুদিন ধৰি চৰকাৰ আৰু ৰাজনীতিত থকাৰ পৰিপ্ৰেক্ষিতত জাইল সিঙে উপলব্ধি কৰিছে যে তেওঁ পোনপটীয়াকৈ নিৰ্বাচিত প্ৰধান মন্ত্ৰী এজনৰ বিৰুদ্ধে যাব নোৱাৰে। কিন্তু ৰাষ্ট্ৰপতিৰ দায়িত্ব এনে ধৰণৰ যে চৰকাৰে ইয়াৰ কাৰ্যকলাপৰ বিষয়ে তেওঁক অৱগত কৰি থাকিব লাগে।

তিনি সপ্তাহৰ আগেয়ে ৰাজীব গান্ধীৰ সৈতে হোৱা সাক্ষাতত ৰাষ্ট্ৰপতিয়ে হেনো যুক্তি দিছিল যে তেওঁলৈ বা-বাতৰি পঠোৱাত বাধা প্ৰদান কৰিলে তেওঁৰ ৰাষ্ট্ৰৰ প্ৰধান হৈ থকাৰ কোনো অৰ্থ নাথাকিব; তেওঁ চৰকাৰৰ চিন্তাৰ ধাৰা আৰু নীতি সম্পৰ্কে জানিব লাগিব, যাতে জনসাধাৰণক তেওঁ সেই বিষয়ে ক'ব পাৰে।

আপাত দৃষ্টিত, প্ৰধান মন্ত্ৰীয়ে এই যুক্তি মানি লোৱা নাই। তেওঁ হেনো কলে যে এনে কিছুমান বা-বাতৰি থাকিব পাৰে যিবোৰৰ ভাগ ৰাষ্ট্ৰপতিক নিদিলেও চলে। কিন্তু এই মনোভাব সংবিধানৰ কথা আৰু মৰ্মৰ বিৰোধী। ৭৮ অনুচ্ছেদৰ নিৰ্দেশ অনুসৰি প্ৰধান মন্ত্ৰীয়ে সকলো সিদ্ধান্তই ৰাষ্ট্ৰপতিক জনাব লাগে। ৰাষ্ট্ৰপতিয়ে তেওঁ বিচৰা যিকোনো বা-বাতৰি তেওঁক জনাবলৈ প্ৰধান মন্ত্ৰীক আহ্বান জনাব পাৰে। অশোক সেন যেতিয়া আইন মন্ত্ৰী হৈ আছিল তেতিয়াই তেওঁৰ সৈতে মই বিষয়টো মিলাই চাইছিলো। তেওঁ কৈছিল যে ৰাষ্ট্ৰপতিয়ে বিচৰা যিকোনো বা-বাতৰি দাখিল কৰিবলৈ প্ৰধান মন্ত্ৰী বাধ্য। এই ক্ষেত্ৰত 'না' কৰিলে সংবিধানহে উলংঘা কৰা হ'ব।

সকলো বা-বাতৰি ৰাষ্ট্ৰপতিক নজনালেও চলে বোলা মনোভাবৰ



OKDISCD

সপক্ষে প্ৰধান মন্ত্ৰীয়ে দিয়া যুক্তিক কোনেও মানি লব নোৱাৰে। যদিহে ৰাষ্ট্ৰপতিক বিশ্বাসেই কৰিব নোৱাৰি, তেন্তে তেওঁ সেই পদত থকাৰো কোনো অৰ্থ নাই; আৰু যদিহে কিবা ক্ষেত্ৰত তেওঁ দোষী হয় তেনেহলে তেওঁক নিন্দা কৰা উচিত। এই ক্ষেত্ৰত দস্তালিৰ লগতে পূৰ্ব-ধাৰণা কিছুমানেহে কাম কৰা যেন লাগে। প্ৰধান মন্ত্ৰীয়ে কিছুমান কাৰণত জাইল সিঙক ভাল নাপায়। গতিকে তেওঁ তেওঁক যিমান পাৰে অৱজ্ঞা কৰিবলৈ লৈছে; এই কামে যে ৰাষ্ট্ৰপতিৰ পদটোৰ সন্মানহে হানি কৰিছে সেইকথা তেওঁ উপলব্ধিয়েই কৰা নাই।

১৯৮৪ চনত শ্ৰীমতী গান্ধীৰ হত্যাকাণ্ডৰ সময়ত দিল্লীত হোৱা সংঘৰ্ষ সম্পৰ্কত মিশ্ৰ আয়োগৰ প্ৰতিবেদন ৰাষ্ট্ৰপতিক কিয় দেখুউৱা নহ'ল সেইকথা আজিও কোনেও বুজিব পৰা নাই। গৃহ মন্ত্ৰী বুটা সিঙে ৰাষ্ট্ৰপতিক কেইবাবাৰো কৈছিল যে প্ৰতিবেদনখন তেওঁলৈ পঠোৱা হ'ব; কিন্তু সংসদৰ মজিয়াত দাখিল কৰাৰ পাছতহে গিয়ানীজীয়ে প্ৰতিবেদনখন দেখা পালে।

জাইল সিঙে থকৰ আয়োগৰ প্ৰতিবেদনখনো দেখা নাই। তেওঁ হেনো প্ৰধান মন্ত্ৰীৰ সৈতে আয়োগে কৰা কেইটামান গুৰুত্বপূৰ্ণ মন্তব্যৰ বিষয়ে আলোচনা কৰিছিল। প্ৰধান মন্ত্ৰীৰ ঘনিষ্ঠ বুলি কোৱা বোম্বাইৰ এখন সাপ্তাহিকৰ মতে থকৰ আয়োগে ৰাষ্ট্ৰপতিক জড়িত কৰি সেই মন্তব্যবোৰ কৰিছে। ৰাজীৱ গান্ধীয়ে সাপ্তাহিকখনৰ কথাবোৰ "বাজে কথা" বুলি অভিহিত কৰিছে। ৰাষ্ট্ৰপতিৰ সৈতে সাক্ষাৎ কৰা কালত তেওঁ প্ৰতিবেদনখনত জাইল সিঙৰ বিৰুদ্ধে কোনো কথাৰ উল্লেখ নাই বুলি জনাই দিয়ে। কথাটো পৰিষ্কাৰ কৰি ৰখাৰ উদ্দেশ্যে ৰাষ্ট্ৰপতিয়ে প্ৰধান মন্ত্ৰীলৈ লিখিলে যে তেওঁ অৰ্থাৎ গিয়ানীজীয়ে প্ৰতিবেদনখনত তেওঁৰ বিষয়ে একো নাই বুলি ধৰি লৈছে, আৰু অৱসৰ গ্ৰহণৰ পাছত তেওঁৰ বিৰুদ্ধে গোচৰ তৰা হ'ব বোলা উৰা বাতৰিও শুদ্ধ নহয়।

দেখাদেখিকৈ কথাবোৰ এনে এটা পৰ্যায় পাইছেগৈ যে ৰাষ্ট্ৰপতিয়ে তেওঁক কেৱল অৱজ্ঞা কৰাই নহয়, তেওঁৰ ক্ষতি কৰিবলৈও চেষ্টা কৰিছে বুলি প্ৰধান মন্ত্ৰীক সন্দেহ কৰিবলৈ ললে। অৱজ্ঞাৰ মনোভাৱ অকল প্ৰধান মন্ত্ৰীৰ তৰফৰপৰাই দেখুউৱা হোৱা নাই; আনকি ৰাজ্যসমূহৰ ই-কংগ্ৰেছী মুখ্যমন্ত্ৰীসকলেও এই ক্ষেত্ৰত ৰাজীৱ গান্ধীৰপৰাই শিক্ষা লোৱা যেন লাগে। বিহাৰ চৰকাৰে লেফটেনেণ্ট জেনেৰেল এছ. কে. সিনহাৰ (জেনেৰেল এ. এছ. বৈদ্যই এওঁক চেৰাই সেনাবাহিনীৰ মুখ্যাধিনায়ক হোৱাৰ পাছত এওঁ অৱসৰ লয়) দ্বাৰা পাটনাত স্থাপন কৰা জয়প্ৰকাশ নাৰায়ণৰ প্ৰতিমূৰ্তি উন্মোচন কৰাৰ অৰ্থে ৰাজ্যখনলৈ ৰাষ্ট্ৰপতিৰ ভ্ৰমণ কিছুদিন ধৰি স্থগিত কৰি ৰাখিছে।

নিৰাপত্তা আৰু অন্যান্য কাৰণতে ৰাষ্ট্ৰপতিয়ে তেওঁৰ ভ্ৰমণ ৰাজ্য চৰকাৰৰ পৰা "মুক্ত" কৰি আনিব লাগে। এতিয়া এটা দিন ধাৰ্য কৰাৰ বাবে তেওঁ প্ৰায় তিনিমাহ ধৰি অপেক্ষা কৰি আছে।

এই ভ্ৰমণটোৰ সবিশেষ নিৰ্ধাৰিত কৰাৰ আগেয়ে পাটনাই দিল্লীৰ সন্মতি বিচাৰিছে নেকি সেই বিষয়ে সঠিককৈ কোৱা টান। ঘটনাটো এনেকুৱাও হব পাৰে: ই-কংগ্ৰেছী মুখ্য মন্ত্ৰীসকল নিজৰ পদৱী সম্পৰ্কেই ইমান অনিশ্চিত হৈ আছে যে কি কৰিলে ৰাজীৱ গান্ধী সন্তুষ্ট বা অসন্তুষ্ট হ'ব পাৰে তাৰ বিচাৰো তেওঁলোকে নিজেই কৰিবলৈ লৈছে আৰু তাকে কৰি তেওঁলোক ৰজা নিজে নিজৰ প্ৰতি যিমান প্ৰভুভক্ত, তাতোকৈ বেছি প্ৰভুভক্ত বুলি প্ৰমাণ কৰিব খুজিছে। যোৱা কেইসপ্তাহত যে ৰাষ্ট্ৰপতিয়ে ই-কংগ্ৰেছে শাসন নকৰা ৰাজ্যসমূহতহে ভ্ৰমণ কৰিছে, সেই কথাটো মন কৰিবলগীয়া।

ৰাষ্ট্ৰপতিয়ে ৰাজ্যসমূহলৈ কৰা ভ্ৰমণবোৰ প্ৰধানমন্ত্ৰীৰপৰা "মুক্ত" কৰি ল'ব নালাগে। কিন্তু দেশৰ বাহিৰলৈ কৰা ভ্ৰমণৰ কথাটো বেলেগ। বিদেশী ৰাষ্ট্ৰ প্ৰধানসকলে ৰাষ্ট্ৰপতিক জনোৱা আমন্ত্ৰণী পত্ৰসমূহ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়লৈ পঠাব লাগে; আৰু এই মন্ত্ৰণালয়ে প্ৰধানমন্ত্ৰীৰ অনুমোদন লয়। ৰাজীৱ গান্ধীয়ে ইচ্ছাকৃতভাৱেই কেইবাবাৰো গিয়ানীজীৰ বিদেশ ভ্ৰমণত বাধা প্ৰদান কৰিছিল। উদাহৰণস্বৰূপে জিম্বাবৱেলৈ কৰিবলগীয়া ৰাষ্ট্ৰপতিৰ চৰকাৰী ভ্ৰমণ যাত্ৰাৰ ২৪ ঘণ্টা আগেয়ে বাতিল কৰা হয়।

বিষয়বোৰ যে কিবা ব্যক্তিগত ধৰণৰ নহয় সেইকথা উপলব্ধি কৰিবলৈ প্ৰধান মন্ত্ৰীৰ এতিয়াও সময় আছে। এইবোৰত ৰাষ্ট্ৰপতিৰ সাংবিধানিক কৰ্তব্য আৰু প্ৰধান মন্ত্ৰীৰ শক্তি জড়িত হৈ আছে। ৰাজীৱ গান্ধীয়ে গিয়ানীজীক অপদস্থ কৰাত কৃতকাৰ্য হ'ব পাৰে, কিন্তু তেতিয়া গিয়ানীজীৰ সলনি সমগ্ৰ জাতিটোৱেহে অধিক ভুগিব। ৰাষ্ট্ৰপতিৰ পদৱীৰ মূল্য হ্ৰাস কৰাৰ ফলত প্ৰধান মন্ত্ৰী আৰু অধিক শক্তিশালী হৈ উঠিব আৰু সংবিধান প্ৰণেতাসকলে ৰাখি থোৱা প্ৰতিৰোধ কেইটাও আঁতৰ হ'ব। পিছে ৰাজীৱ গান্ধীৰ প্ৰশাসন-কাৰ্যৰ খতিয়ানে দেখুৱাই দিয়ে যে তেওঁৰ বাবে সংবিধানে দিয়াতকৈ আৰু অধিক গতিৰক্ষকৰ (brake) প্ৰয়োজন।

ৰাজীৱ গান্ধীযে ভাল-মনোভাৱৰ লোক সেই বিষয়ত এতিয়াও কোনেও সন্দেহ কৰিব নোৱাৰে! তেওঁ কৰা ভুলবোৰৰ (সম্প্ৰতি সেইবোৰৰ পৰিমাণ যথেষ্ট বেছি হৈছে) কাৰণ যুৱ অৱস্থা আৰু অনভিজ্ঞতা বুলিয়েই কব পাৰি। কিন্তু তেওঁ সেই ভুলবোৰৰ পৰা শিক্ষা গ্ৰহণ কৰি অধিক পৰিপক্কতা দেখুউৱাৰ সময় হৈছে।

শেহতীয়াভাৱে জনা গৈছে যে গিয়ানী জাইল সিঙে নিজকে আকৌ ৰাষ্ট্ৰপতি পদৰ বাবে আগবঢ়াব নে নবঢ়ায়, সেই বিষয়ে তেখেতে পৰিষ্কাৰকৈ একো কোৱা নাই। —স. প্ৰা.





# জাপান

## পশ্চিমত নতুন আক্ৰমণ

ড° সুনীল পৱন বৰুৱা

মাৰ্কিন যুক্তৰাজ্যই আমদানি কৰা কেইপদমান জাপানী ইলেকট্ৰনিক সামগ্ৰীৰ ওপৰত অৰ্থনৈতিক প্ৰতিবন্ধকতা আৰোপ কৰি প্ৰেছিডেণ্ট ৰেগানে এক নতুন বাণিজ্যিক নিৰ্দেশনাত চহী কৰিছে। দ্বিতীয় মহাযুদ্ধৰ পাছত পোনপ্ৰথমবাৰৰ বাবে যুক্তৰাজ্যত প্ৰবেশ কৰা জাপানী সামগ্ৰীৰ ওপৰত শুল্ক প্ৰৱৰ্তন কৰা এই নিৰ্দেশনামাৰ ফলত ইতিমধ্যে মাৰ্কিন আৰু জাপানীসকলৰ মাজত চলি থকা অঘোষিত অৰ্থনৈতিক যুদ্ধই প্ৰকাশ্য ৰূপ গ্ৰহণ কৰিলে। এই নিৰ্দেশ অনুযায়ী সহজভাৱে লৈ ফুৰিব পৰা জাপানী কম্পিউটাৰ আৰু ৰঙীন টেলিভিশ্যনৰ নিচিনা সামগ্ৰীৰ ৰপ্তানি ক্ষতিৰ সন্মুখীন হ'ব। কিয়নো এনে সামগ্ৰীৰ ওপৰত শতকৰা ১০০ ভাগ আমদানি শুল্ক ভৰিব লগা হলে মাৰ্কিন গ্ৰাহকৰ বাবে এনেবোৰ সামগ্ৰীৰ মূল্য বৰ্তমানৰ দুগুণ হ'ব। ১৯৮৬ চনৰ ছেপ্টেম্বৰ মাহত দুয়োখন দেশৰ মাজত গৃহীত বাণিজ্যিক চুক্তি উলংঘা কৰি জাপানে তৃতীয় বিশ্বৰ দেশসমূহত নিচেই কম মূল্যত ইলেকট্ৰনিক সা-সৰঞ্জাম বিক্ৰি কৰাৰ অভিযোগত এই ব্যৱস্থা লোৱা বুলি মাৰ্কিন প্ৰশাসনে দাবী কৰিছে। এনে নিৰ্দেশ জাৰি কৰিব লগাত দুখ প্ৰকাশ কৰি প্ৰেছিডেণ্ট ৰেগানে কৈছে, "মুক্ত বাণিজ্যিক নীতিৰ স্বাৰ্থতেই এনে সিদ্ধান্ত লোৱা হৈছে। জাপানে যেতিয়াই এই পন্থা ত্যাগ কৰিব আৰু অধিক মাৰ্কিন সামগ্ৰী জাপানী বজাৰত প্ৰৱেশৰ অনুমতি দিব, তেতিয়াই এই প্ৰতিবন্ধকতা তুলি লোৱা হ'ব। মহাযুদ্ধৰ পৰৱৰ্তী সময়ছোৱাত এছিয়াত আটাইতকৈ গুৰুত্বপূৰ্ণ মাৰ্কিন-জাপান মৈত্ৰীত দেখা দিয়া এনেধৰণৰ মতানৈক্যই আন্তঃৰাষ্ট্ৰীয় বজাৰত ভালেমান জল্পনা কল্পনাৰ বাট মুকলি কৰিছে। জাপানৰ ব্যাপক ৰপ্তানি বাণিজ্যই পশ্চিমীয়া দেশৰ ভালেমান অংশীদাৰৰ কাৰণে সমস্যাৰ সৃষ্টি কৰিছিল। ফলস্বৰূপে আমদানিতকৈ ৰপ্তানিৰ বজাৰখন বৃদ্ধি হোৱাত জাপানে মাৰ্কিন যুক্তৰাজ্যৰ ক্ষেত্ৰত ৬০ কোটি আৰু পশ্চিম ইউৰোপৰ ক্ষেত্ৰত প্ৰায় ১৮ কোটি ডলাৰ মূল্যৰ বাণিজ্যিক ৰাহি কৰাত সমৰ্থ হৈছে। ইয়াৰ ফলস্বৰূপে ডলাৰৰ মূল্যমানত প্ৰভাৱ পেলাই মাৰ্কিন ব্যৱসায়ী মহলৰ বাবে অভ্যন্তৰীণ তথা আন্তঃৰাষ্ট্ৰীয় বজাৰত অসুবিধাৰ সৃষ্টি কৰাৰ অভিযোগ উঠিছিল। বৰ্তমান গৃহীত সিদ্ধান্তই একালে জাপানী সামগ্ৰীৰ পয়োভৰ আৰু আনহাতে পশ্চিমীয়া ঔদ্যোগিক মান নিম্নগামী হোৱাৰ ইংগিত বহন কৰিছে। সি যিয়েই নহওক, এসময়ৰ প্ৰতিদ্বন্দ্বী কিন্তু পৰিস্থিতিয়ে মিত্ৰতাৰ দোলত বান্ধ খুৱাই ৰখা দুয়োটা শক্তিৰ মাজত এক মতানৈক্যৰ সৃষ্টি হ'ব লগা হ'ল। তাৰ ফলাফলতকৈ অবাঞ্চিত সিদ্ধান্তটোৰ পটভূমিহে বিশেষভাৱে প্ৰয়োজনীয়।

১৯০৪ চন। বিশ্ব ইতিহাসত এক উল্লেখযোগ্য বছৰ। ৰুছ-জাপানী যুদ্ধত জাপানী সৈন্য বাহিনীয়ে ৰুছ বাহিনীক শোচনীয়ভাৱে পৰাজিত কৰিলে। বিশ্ব ৰাজনীতিত সেয়া আছিল জাপানৰ প্ৰথম বলিষ্ঠ পদক্ষেপ। শ্বেতাংগ জাতিৰ ওচৰত থকা এছিয়াবাসীৰ হীনমন্যতাৰ ভাৱ লোপ পালে। প্ৰকৃতপক্ষে জাপানৰ জয়লাভে সমগ্ৰ এছিয়াতে জাতীয় জাগৰণত প্ৰভাৱ পেলালে। অৱশেষত এছিয়াত প্ৰভুত্ব বিস্তাৰৰ সপোনত আংশিকভাৱে সফল হওঁতেই নাগাচাকি হিৰোছিমাৰ কৰুণ কাহিনীয়ে সেই অধ্যায়ৰ সামৰণি পেলালে। মিত্ৰ পক্ষৰ হাতত জাপানে বিনাচৰ্তে আত্মসমৰ্পণ কৰাত (১৪ আগষ্ট ১৯৪৫) এছিয়াত দ্বিতীয় মহাযুদ্ধৰ সামৰণি পৰিল। যুদ্ধোত্তৰ জাৰ্মানিৰ লগত জাপানত পোনপটীয়াভাৱে মাৰ্কিন যুক্তৰাজ্যৰ নিয়ন্ত্ৰণ স্থাপিত হ'ল। প্ৰায় সাত বছৰৰ বিৰতিৰ পাছত জাপানে একপ্ৰকাৰৰ স্বাধীনতা লাভ কৰিলে। কিন্তু জাপানৰপৰা বিশেষকৈ প্ৰতিৰক্ষাৰ দিশত মাৰ্কিন প্ৰভাৱ দূৰ নহ'ল। যুদ্ধোত্তৰ জাপানক মাৰ্কিন যুক্তৰাজ্যই সকলো দিশতে বিশ্ব সাম্যবাদৰ বিৰুদ্ধে এক নিৰ্ভৰযোগ্য সহযোগীৰূপে গঢ়ি তুলিব খুজিলে। বিশেষকৈ কোৰিয়া যুদ্ধৰ (১৯৫০-৫১) পটভূমিত শক্তিশালী কমিউনিষ্ট চুবুৰীয়াৰ বিৰুদ্ধে জাপানক অৰ্থনৈতিক দিশত সবল কৰি তোলাৰ লগতে সামৰিক দিশতো আত্মৰক্ষামূলক নীতিৰ আধাৰত জাপানক নতুনকৈ গঢ়ি তোলাত গুৰুত্ব দিয়া হ'ল। যদিও জাপানৰ প্ৰতিৰক্ষা মূলতঃ মাৰ্কিন বিষয়, সাম্প্ৰতিক জাপান-মাৰ্কিন সম্পৰ্কত বাণিজ্য আৰু প্ৰতিৰক্ষাই বিশেষভাৱে প্ৰাধান্য বিস্তাৰ কৰে। কিন্তু প্ৰাথমিক স্তৰত মাৰ্কিন পৃষ্টপোষকতাৰে বৰ্তমান পৃথিৱীত অৰ্থনৈতিক তথা ঔদ্যোগিক উন্নয়নত একৰকম যাদুৰ সৃষ্টি কৰা জাপানীসকল সামৰিক শক্তি বৃদ্ধিৰ ক্ষেত্ৰত মাৰ্কিন মহলে সততে প্ৰয়োগ কৰা হেঁচাৰ বাবে বিৰক্ত হয়। ১৯৫২ চনত গৃহীত চুক্তি মতে জাপান প্ৰতিৰক্ষাৰ বাবে মাৰ্কিন যুক্তৰাজ্যৰ ওপৰত নিৰ্ভৰশীল। আনহাতে মাৰ্কিন চৰকাৰৰ দ্বাৰা আৰোপিত সংবিধান মতে আত্মৰক্ষাৰ বাবে প্ৰয়োজনীয় শক্তিতকৈ অধিক সামৰিক শক্তি আহৰণ কৰাত জাপানীসকলৰ বাবে বাধা আছে। কিন্তু সামৰিক ক্ষেত্ৰত নতুনকৈ প্ৰতিযোগিতাত নামিবৰ বাবে সাংবিধানিক বাধাতকৈ জাপানী জনমতৰ বাধাহে অধিক শক্তিশালীৰূপে পৰিগণিত হৈছে। কিয়নো, সাম্প্ৰতিক জাপানত সামৰিক সম্প্ৰসাৰণৰ বিৰুদ্ধে প্ৰচণ্ড জনমত গঢ়ি উঠাত নিচেই কম সংখ্যক জাপানীয়েহে সংশোধন হোৱাটো বিচাৰে। কোৱা বাহুল্য যে নাগাচাকি-

৪৮ পৃষ্ঠাত চাওক



OKDISCD

# বান-বিধ্বস্ত লোকৰ বাবে বীজ

ঘনশ্যাম পৰদেশী

যোৱা বছৰৰ শেষৰ ফালে বানত ক্ষতিগ্ৰস্ত হোৱা লোকৰ সাহায্যাৰ্থে কেন্দ্ৰই অসম চৰকাৰক কেই কোটি-মান টকা দিছিল। সম্পূৰ্ণ অনুদানটো কিমান টকাৰ আছিল মই নাজানো; কিন্তু মোৰ বিশ্বাস যে বানগ্ৰস্ত লোকৰ মাজত বিনামূলীয়াকৈ বীজ বিতৰণ কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰায় সাত কোটিমান টকা খৰচ কৰিছিল। ইয়াৰে, পাঁচ কোটি টকা অসমৰ বীজ নিগমে খৰচ কৰিছিল। মুকলি বজাৰৰ পৰা তেওঁলোকে আলু, মটৰ, সৰিয়হ, পিয়াঁজ, নহৰু, ধান, গম, তিল, ধনীয়া, আদিৰ উৎকৃষ্ট জাতৰ বীজ কিনিছিল। এই পাঁচ কোটি টকাৰ কিমানখিনি বানগ্ৰস্তসকলে পালে, তাৰ আভাস দিবলৈ এটা দিশৰ কথা সংক্ষেপে আলোচনা কৰিব খুজিছোঁ।

যিহেতু মই কেৱল আলু বীজৰ ক্ষেত্ৰতহে কিছুমান তথ্য সংগ্ৰহ কৰিছোঁ, গতিকে মই কেৱল এই বিষয়েহে ক'ম। মোৰ এই নিবন্ধৰ উদ্দেশ্য এইটোকে দেখুউৱা যে সাহায্যৰ বাবে মঞ্জুৰ কৰা টকাৰ প্ৰায় আধামানহে লক্ষ্যস্থান পায়গৈ;— বাকীখিনি খৰচৰ বিভিন্ন শিতানত সোমাই পৰে।

চৰকাৰৰ মূল পৰিকল্পনা আছিল কুৰিজ্যোতি/কুফ্ৰি চন্দ্ৰমুখী জাতৰ ৭০,০০০ কুইণ্টলতকৈও বেছি আলু বীজ কিনা। কিন্তু সেই সময়ত যিহেতু বজাৰত ইমান বেছি পৰিমাণৰ এই জাতৰ আলুবীজ পোৱা সম্ভৱ নাছিল, তেতিয়া নিগমে মাথোন ৩৮,০০০ কুইণ্টল আলুবীজ কিনাৰ সিদ্ধান্ত ল'লে। টেণ্ডাৰ আহ্বান কৰা হ'ল। নিগমে ৪৩ খন টেণ্ডাৰ পালে। তাৰে চাৰিখনে বৰ বেছি দাম বিচাৰিলে। ৩৯ খন টেণ্ডাৰত প্ৰতি কেজিত ৬'৫০ টকাকৈ 'এক দাম'ৰ উল্লেখ পোৱা গ'ল। এই দাম বৰ বেছি। সেয়েহে নিগমে কেজিত ৬'২০ টকাকৈ যাচিলে। যোগান ধৰোঁতা-সকলে এই দাম মানি ল'লে। প্ৰতি-জন যোগান ধৰোঁতাক ১০০০ কুইণ্টলকৈ আলুবীজ যোগান ধৰিবলৈ কোৱা হ'ল। কিন্তু প্ৰায় ৩১,০০০ কুইণ্টল আলুবীজহে যোগান ধৰা হ'ল। নিগমে এই বীজ ৰাজ্যিক কৃষি বিভাগত কেজিত ৭.৫০ টকা দৰত বিক্ৰি কৰিলে। অতিৰিক্ত ১.৩০ টকা (প্ৰতি কেজিত) অনা-নিয়া আৰু অন্যান্য খৰচৰ বাবদ ধৰা হ'ল।

কৃষি বিভাগে ৫,২৮,২৭,০৫২ টকা নিগমক দিলে। নিগম আৰু কৃষি-বিভাগৰ মাজৰ এই লেন দেন কাগজৰ পাততহে হ'ল; কিন্তু চৰকাৰে নিগমক বীজ কিনা, বিতৰণ কেন্দ্ৰবোৰলৈ সেইবোৰ পৰিবহন কৰা আদিৰ ব্যৱস্থাৰ বাবে কেৱল আলুবীজৰ ক্ষেত্ৰতেই ৩৯ লাখ টকা দিলে। মই ভাবোঁ,— প্ৰায় এক কোটি টকা নিগমৰ হাতলৈ গৈছিল। পৰিবহন আদিৰ খৰচ বাদ দিয়াৰ পাছত নিগমে কৰা লাভৰ পৰিমাণ ৭০ লাখ টকাতকৈ কম নহয়। নিগমে সাধাৰণতে এনে-কুৱা বেচা-কিনা কামত ১০ শতাংশ লাভ লব পাৰে; কিন্তু এই ক্ষেত্ৰত টকাখিনি যিহেতু কেন্দ্ৰৰপৰা আহি-ছিল, গতিকে নিগমে উদাৰভাৱে নিজকে সহায় কৰিলে। নিগমে কব পাৰে যে যিহেতু বৰ লৰালৰিকৈ সকলো কাম কৰিব লগা হ'ল, গতিকে বস্তুবোৰ অনা-নিয়াতে বহুত খৰচ পৰিল। নিগমে ইয়াৰ ৰেজিষ্টাৰত ক'ত কেনেকুৱা খৰচ দেখুৱাইছে তাৰ সকলোবিলাক তথ্য মই পাব পৰা নাছিলো। বৃহৎ পৰিমাণৰ কিনা বেচা বা যোগানৰ ক্ষেত্ৰত চৰকাৰী বিভাগ-বোৰে যেনেকৈ কাম কৰে তালৈ চাই, ট্ৰেন্সপ'ৰ্ট কোম্পানিৰ পৰা যোগান ধৰোঁতালৈকে সকলোৱে, এয়া যে সাহায্যৰ বাবে দিয়া টকা আছিল সেই কথা পাহৰা যেন লাগে। চৰকাৰে এই মাজৰ মানুহৰ হাতত যাতে কমকৈ পইচা পৰে তাৰ ব্যৱস্থা লব পাৰিলেহেঁতেন। কাগজৰ পাতত, মানে অফিছৰ হিচাপ-পাতিত নিগমে দেখুৱাব পাৰে যে ইয়াৰ মুঠ লাভ মাথোন কেইলাখমান টকাহে।

এটা সৰু পৰিমাণ লৈ আমি দেখুৱাম— কেনেকৈ এটা এজেন্সিয়ে মাজৰ মানুহৰ কাম কৰি, বীজৰ ভাল-বেয়া চোৱা চিতা কাম আদি সমাধা কৰি কিমান পৰিমাণৰ টকা নিজৰ কৰি লয়। প্ৰতি কেজি আলুত তেওঁ-লোকে (নিগমে) ১'৩০ টকা বেছিকৈ খুজিছে। ৬.২০ টকা দামত আলু-বীজ কিনি ই ৭'৫০ টকা দামত কৃষি বিভাগত বেচিলে। এই যে অতিৰিক্ত ১'৩০ টকা বেছিকৈ ল'লে আমি ধৰি ল'লো যে তাৰে ৬০ পইচা নিগমৰ দহ শতাংশ পইচা ইয়াৰ যাৱতীয় কামৰ বাবে লব পৰাৰ যি ক্ষমতা থাকে, তাৰ বাবে লোৱা হৈছে। ১০ পইচা ট্ৰেন্সপ'ৰ্টৰ বাবদ লোৱা হৈছে বুলি ধৰিলো। তাৰ পাছতো দেখোন প্ৰতি কেজিত এটা ডাঙৰ ব্যৱধান থাকি যায়।

নিগমে বীজ কিনা কথাটো লৈ বিধান সভাতো তৰ্ক-বিতৰ্ক হৈছিল। বিৰোধী পক্ষই অভিযোগ কৰিছিল যে বীজবোৰ বৰ বেছি দামত কিনা হৈছিল। আলুবীজৰ ক্ষেত্ৰত এটা বৰ আচৰিত হব লগীয়া কথা যে চাৰিখন টেণ্ডাৰক বাদ দি বাকী সকলো যোগান ধৰোঁ-তাই 'এটা দাম' (কেজিত ৬'৫০ টকাকৈ) বিচাৰিছিল। যোগাম ধৰোঁতা-সকলে লাইছেনছিং আৰু অন্যান্য সংশ্লিষ্ট কৰ্তৃপক্ষৰ সহায়ত এটা মণ্ডল বা গোটৰ (syndicate) সৃষ্টি নকৰাকৈ ই সম্ভৱ হ'ব পাৰেনে?

৪৯ পৃষ্ঠাত চাওক



# কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষা

নকুল দত্ত

এই পৰীক্ষা কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অধীনত প্ৰতিবছৰে অনুষ্ঠিত হয়। ইয়াৰ যোগেদি উত্তীৰ্ণ হোৱাৰ ফলাফল অনুযায়ী প্ৰতিবছৰে প্ৰায় ৮৭০ জন প্ৰাৰ্থীক নিয়োগৰ সুবিধা দিয়া হয়। যিবিলাক পদত নিয়োগ কৰা হয় সেইবিলাকৰ নাম তালিকা-১অত উল্লেখ কৰা হ'ল।

**পৰীক্ষাৰ আঁচনি:**

ছিভিল ছাৰ্ভিছ পৰীক্ষা পৰ্যায়ক্ৰমে দুটা ভাগত অনুষ্ঠিত হয়। সেই কেইটা হ'ল:

১। **ছিভিল ছাৰ্ভিছৰ প্ৰাথমিক পৰীক্ষা** (Preliminary Examination)— ইয়াত চুটি চুটি প্ৰশ্নৰ উত্তৰ দিব লাগে আৰু এই পৰীক্ষাৰ যোগেদি প্ৰধান পৰীক্ষালৈ প্ৰাৰ্থী নিৰ্বাচিত কৰা হয়।

২। **ছিভিল ছাৰ্ভিছ প্ৰধান পৰীক্ষা** (Main Examination)— ইয়াত লিখিত আৰু পাছত মৌখিক (সাক্ষাৎকাৰ) পৰীক্ষা লোৱা হয়। প্ৰথমে প্ৰাথমিক পৰীক্ষাৰ বাবে আবেদন কৰিব লাগে; সেই পৰীক্ষাত উত্তীৰ্ণ হ'লে আয়োগে সেই প্ৰাৰ্থীলৈ (সবিশেষ বৰ্ণনাৰ বাবে) প্ৰধান পৰীক্ষাৰ বাবে আবেদন-পত্ৰ পঠাই দিয়ে। প্ৰাথমিক পৰীক্ষা সাধাৰণতে প্ৰতিবছৰে জুন মাহত আৰু প্ৰধান পৰীক্ষা নৱেম্বৰ/ডিছেম্বৰ মাহত অনু-ষ্ঠিত হয়। (১৯৮৭ চনৰ বাবে ১৪ জুনত প্ৰাথমিক পৰীক্ষা অনুষ্ঠিত হ'ব)।

**প্ৰয়োজনীয় অৰ্হতা/যোগ্যতা:**

ৰাষ্ট্ৰীয়ত্ব (Nationality): ভাৰতীয় প্ৰশাসনিক সেৱাৰ (IAS) বাবে আৰু ভাৰতীয় পুলিছ সেৱাৰ (IPS) বাবে প্ৰাৰ্থীজন ভাৰতীয় নাগৰিক হ'ব লাগে।

তালিকা-১

1. Indian Administrative Service (IAS).
2. Indian Foreign Service (IFS).
3. Indian Police Service (IPS).
4. Indian P & T Accounts & Finance Service, Group A.
5. Indian Audit & Accounts Service, Gr. A.
6. Indian Customs & Central Excise Service, Gr. A.
7. Indian Defence Accounts Service, Gr. A.
8. Indian Income Tex Service, Gr. A,
9. Indian Ordnance Factories Service, Gr. A. (Asst. Manager-Non-technical).
10. Indian Postal Service, Gr. A.
11. Indian Civil Accounts Service, Gr. A.
12. Indian Railway Traffic Service, Gr. A.
13. Indian Railway Accounts Service, Gr. A.
14. Indian Railway Personnel Service, Gr. A.
15. Posts of Assistant Security Officers, Gr. A. in Railway Protection Force.
16. Military Lands and Cantonments Service, Gr. A.
17. Central Information Service, Gr. A (Grade II).
18. Central Secretariat Service, Gr. B. (Section Officer Grade),
19. Railway Board Secretariat Service, Gr. B. (Section
20. Indian Foreign Service. Gr. B (Section Officers Grade).
21. Armed Forces Headquarters Civil Service, Gr. B. (Assistant Civilian Staff Officers Grade),
22. Customs' Appraisers' Service, Gr. B,
23. Delhi & Andaman & Nicobar Islands Civil Service, Gr. B.
24. Pondicherry Civil Service, Gr. B.
25. Goa, Daman and Diu Civil Service, Gr. B.
26. Delhi and Andaman and Nicobar Islands Police Service, Gr. B.
27. Pondicherry Police Service, Gr. B.
28. Goa, Daman and Diu Police Service, Gr. B.
29. Posts of Assistant Commandant, Gr. 'B' in the Central Industrial Security force.

(কিছুমান ইংৰাজী শব্দৰ প্ৰতিশব্দ অসমীয়াত পাবলৈ কিছু কঠিন আৰু পালেও বুজি পোৱাৰ অসুবিধালৈ চাই পদসমূহৰ নাম ইংৰাজীতে দিয়া হ'ল।)



OKDISCD

আন সেৱাসমূহৰ বাবে প্ৰাৰ্থীজন ভাৰতীয় নাগৰিক বা নেপালৰ লোক বা ভূটানৰ লোক বা ১৯৬২ চনৰ পহিলা জানুৱাৰীৰ আগতে আহি ভাৰতত স্থায়ীভাৱে বসবাস কৰা তিব্বতীয় শৰণাৰ্থী বা প্ৰকৃততে ভাৰতীয় কিন্তু পাকিস্তান, ব্ৰহ্মদেশ, শ্ৰীলংকা, পুব আফ্ৰিকীয় দেশ— কেনিয়া, ইউগাণ্ডা, টাঞ্জানিয়া, জাম্বিয়া, মালাৱী, জাইৰ, ইথিঅ'পিয়া আদি আৰু ভিয়েটনামৰ পৰা আহি ভাৰতত স্থায়ীভাৱে বসবাস কৰা লোক হ'ব লাগে। প্ৰকৃত ভাৰতীয় লোক নহ'লে তেনে প্ৰাৰ্থীক ভাৰতীয় বৈদেশিক সেৱাৰ (IFS) বাবে উপযুক্ত বুলি বিবেচনা কৰা নহয়।

২। বয়স (Age limit): প্ৰাৰ্থীৰ বয়সৰ নিম্নসীমা ২১ বছৰ আৰু উচ্চসীমা ২৬ বছৰ।

৩। **নিম্নতম শিক্ষাগত অৰ্হতা** (Minimum Educational Qualification): প্ৰাৰ্থী যিকোনো বিষয়ত স্নাতক বা তাৰ সমপৰ্যায়ৰ হ'ব লাগে।

(ক) স্নাতক পৰীক্ষা দিব বা দিছে। কিন্তু ফলাফল ঘোষণা কৰা হোৱা নাই, তেনে প্ৰাৰ্থীয়েও আবেদন কৰি প্ৰাথমিক পৰীক্ষা দিব পাৰে। কিন্তু প্ৰধান পৰীক্ষাৰ বাবে আবেদন কৰোঁতে প্ৰয়োজনীয় প্ৰমাণপত্ৰ দিব লাগিব।

(খ) ব্যৱহাৰিক বা টেকনিকেল ডিগ্ৰি থকা প্ৰাৰ্থীয়েও আবেদন কৰিব পাৰে।

৪। **কেইবাৰ দিব পাৰি:** ১৯৭৯ চনৰ ছিভিল ছাৰ্ভিছ পৰীক্ষাৰ পাছৰ পৰা বান্ধি দিয়া নিয়ম অনুসৰি একোজন প্ৰাৰ্থীয়ে তিনিবাৰলৈকে এই পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুবিধা পায়। এবাৰ প্ৰাথমিক পৰীক্ষা দিলেই এটা প্ৰচেষ্টা (attempt) বুলি ধৰা হয়। প্ৰাথমিক পৰীক্ষা সম্পূৰ্ণ নকৰি এখন কাকতৰ পৰীক্ষা দিলেও এটা প্ৰচেষ্টা বুলি ধৰা হয়। আবেদন কৰাৰ পাছত কিবা কাৰণত প্ৰাৰ্থীত্ব নাকচ হ'লেও তাক এটা প্ৰচেষ্টা বুলি গণ্য কৰা হয়।

তালিকা-২

| ইতিমধ্যে যি পদবীত নিযুক্ত হৈছে | যি পদবীৰ বাবে পুনৰ অৱতীৰ্ণ হ'ব পাৰে |
|---|---|
| Indian Police Service | I.A.S. I.F.S, Central Services, Gr. A. |
| Central Services, Gr. A. | I.A,S. I.F.S. I.P.S |
| Central Services, Gr. B. (including Civil & Police Services in Union Territories | I.A.S I.F.S. I.P.S Central Services, Gr. A. |

৫। **বাধা আৰোপ:** কোনো প্ৰাৰ্থীয়ে I. A. S. বা I. F. S কোনো পদত নিযুক্তি পোৱাৰ পাছত তেওঁ পুনৰ এই পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰে। কি কি পদবীত থাকিলে পুনৰ অৱতীৰ্ণ হ'ব পাৰে, সেইয়া তালিকা-২ অত দেখুউৱা হ'ল।

৬। **আবেদনৰ নিয়ম:** প্ৰথম পৰীক্ষাৰ বাবে ডিছেম্বৰ মাহৰ মাজভাগত ভাৰতৰ আগশাৰীৰ বাতৰি কাকত সমূহত জাননী প্ৰকাশ হয়। (উল্লেখযোগ্য যে ১৯৮৭ চনৰ প্ৰথম পৰীক্ষাৰ বাবে ১৯৮৬ চনৰ ১৩ ডিছেম্বৰৰ কাকতসমূহত জাননী ওলাইছিল।) তাতে একোখন 'ফৰ্ম' (form) ছপা কৰা হয়। সেই ফৰ্মখন কাটি ভৰ্তি কৰি পঠালেও হয় নাইবা সেইখনৰ আৰ্হিত এখন প্ৰস্তুত কৰি ললেও হয়। ফৰ্মখন বল পইণ্ট পেনেৰে (ball point pen) পূৰাব লাগে। ইয়াত প্ৰয়োজনীয় বস্তু কেইটা হ'ল,— ক্ৰছ ড বেংক ড্ৰাফ ট/ইণ্ডিয়ান প'ষ্টেল অৰ্ডাৰ বা ইণ্ডিয়ান মিছন ৰিছিপ্ট (সাধাৰণতে ৩০ টকাৰ); এটেনডেন্স শ্বিট (ফৰ্মখনতে থাকে); দুখন শেহতীয়াকৈ তোলা পাছপৰ্ট জোখৰ ফ'টো (৫ ছে. মি. × ৭ ছে. মি. জোখৰ); এটা নিজৰ ঠিকনা লিখা প'ষ্টকাৰ্ড; দুটা নিজৰ ঠিকনা লিখা খাম টিকট নলগোৱা, ১১·৫ ছে. মি. × ২৭·৫ ছে. মি. জোখৰ)।

এই সকলোখিনি প্ৰয়োজনীয় বস্তুৰে ফৰ্মখন এটা দীঘল খামত ভৰাই এই ঠিকনাত পঠাব লাগে: Secretary Union Public Service commission, Dholpur House, New Delhi— 110011 খামটোৰৰ ওপৰত "Application for civil services ( Preliminary ) Examination, 1987" বুলি লিখি দিব লাগে। ফৰ্মখন পূৰাওঁতে সাৱধান হ'ব লাগে, কাৰণ অলপ খুত থাকিলেই সেইখন নাকচ কৰাৰ নিয়ম।

অনুসূচীত জাতি আৰু জনজাতিৰ প্ৰাৰ্থীৰ বাবে বয়সৰ সীমা, মাচুল আদি ৰেহাই দিয়া হয়। জাননীসমূহত সেই বিষয়ে বিতংকৈ পোৱা যায়।

অসমত **দিছপুৰত (গুৱাহাটী)** আৰু **যোৰহাটত প্ৰথম** পৰীক্ষা অনুষ্ঠিত হয়।

লোক সেৱা আয়োগৰ পৰীক্ষাসমূহৰ সম্পৰ্কে বিতংকৈ জানিবলৈ হ'লে তলৰ ঠিকনালৈ লিখিলে সকলো নিয়ম, পাঠ্যৰ তালিকা আদি পোৱা যায় (দাম ১০·০০ টকা):

BOOKHIVE (Regd)
Publishers for Competitive Exams.
CB—231, Ring Rood.
Naraina
New Delhi—110028



# পূৰ্বাঞ্চলত তেল-গেছ আয়োগ

ৰানু বৰুৱা*



'তেলৰ প্ৰৱাহ বয়
জাতিৰ উন্নতি হয়।'

এই মূলমন্ত্ৰৰে উজনি অসমত তিনি দশকৰ আগতেই থিতাপি লোৱা এটি ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান তেল আৰু প্ৰাকৃতিক গেছ আয়োগ। চমুতে অ' এন. জি. ছি. উজনি অসমত, বিশেষকৈ শিৱসাগৰ জিলাৰ গাঁৱে ভূঁয়ে এটা পৰিচিত নাম।

কোনোমতে কমিছনত চাকৰি এটা যোগাৰ কৰি মাহৰ শেষত গোটাই অনা চাৰিটা অংকৰ ধনখিনি, পূজাৰ সময়ত পোৱা 'টুৱেন্টি পাৰ্চেণ্ট বোনাছ' ফ্ৰি কাপোৰ-কানি, জোতা-মোজা, তদুপৰি মাজে-সময়ে পাই থকা এৰিয়াৰ টকা ইত্যাদি আন-আন সা-সুবিধাৰে কমিছনৰ সাধাৰণ চাকৰিয়ালসমূহ বেচ সুখী বুলিয়েই ধাৰণা হয়।

আগৰ ঐতিহ্যমণ্ডিত গহীন গাম্ভীৰ্যপূৰ্ণ শিৱসাগৰ, নাজিৰা অঞ্চল আজিকালি কছম'পলিটান নগৰ। নগৰকেইখনে যেন নতুনকৈ সাৰ পাই উঠিল। বাছ, মটৰ, স্কুটাৰ, ৰিক্সাৰে দিনটোৰ ১৬ ঘণ্টাই ব্যস্ত হৈ থকা আলিবাটবোৰৰ কাষে-কাষে প্ৰতিদিনে গঢ়ি উঠিছে বিশৃংখলভাৱে অনা-অসমীয়া ব্যৱসায়ীসকলৰ পকী অট্টালিকা। বিশেষকৈ হাৰ্ডৱেৰ আৰু মটৰ গেৰেজৰ লানি শিৱসাগৰ, নাজিৰাত অপেক্ষাকৃতভাৱে বেছি যেন লাগিল।

এটা অনগ্ৰসৰ অঞ্চললৈ উদ্যোগীকৰণে হঠাতে আনি দিয়া এনে ধৰণৰ বহল পৰিৱৰ্তনৰ ধাৰাটো সমাজ বিজ্ঞানৰে স্বীকৃত সূত্ৰ। এই সূত্ৰৰে আঁত ধৰি শিৱসাগৰ, নাজিৰা আদি অঞ্চলৰ আশে-পাশে আৱিষ্কৃত হোৱা খাৰুৱা তেলৰ বাবেই যোৱা তিনিটা দশকত এইবোৰ অঞ্চলৰ আৰ্থ-সামাজিক গাঁথনিটোত হোৱা দ্ৰুত পৰিৱৰ্তন লক্ষ্য কৰিবলগীয়া।

খাৰুৱা তেল উদঘাটনৰ বাবে চৰকাৰী প্ৰচেষ্টাত নকৈ গঢ় লোৱা তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ এই অঞ্চললৈ প্ৰথম আগমন হয় ১৯৫৭ চনত। ১৯৫৮ চনত ভূ-প্ৰাকৃতিক আৰু ভূ-তাত্ত্বিক জৰীপৰ জৰিয়তে দিচাংমুখ আৰু ৰুদ্ৰসাগৰ অঞ্চলত প্ৰথমবাৰৰ বাবে খনন কাৰ্য চলোৱা হয়। ষাঠিৰ দশকৰ প্ৰথম ভাগত ৰুদ্ৰসাগৰ অঞ্চলত তেলৰ উহ সহজে আৱিষ্কৃত হোৱাৰ পাছৰেপৰা এতিয়ালৈকে আয়োগে পূৰ্বাঞ্চলত থমকি ৰ'ব লগা হোৱা নাই। অবিৰতভাৱে হোৱা অনুসন্ধান আৰু খনন কাৰ্যৰ ফলত



OKDISCD



শিৱসাগৰ, নাজিৰা আজিকালি কৰ্মপুতিহীন নগৰ

সত্তৰৰ দশকত আৱিষ্কৃত হ'ল সাগৰ সদৃশ গেলেকী, লাকুৱা আৰু শেহতীয়াকৈ ধনশিৰি উপত্যকাৰ বৰহোলা তৈলক্ষেত্ৰ। অসমতে বৰ্তমান বছৰি ২°৫ নিযুত টন তেল উৎপাদন কৰা তেলগেছ আয়োগে আজি সগৌৰৱে প্ৰচাৰ কৰিছে 'তেলৰ প্ৰবাহ বয়, জাতিৰ উন্নতি হয়'। সঁচা কথা, খাৰুৱা তেলৰ প্ৰবাহৰ লগত এটা জাতিৰ, এখন দেশৰ উন্নতি অংগাংগী ভাৱেই জড়িত হৈ আছে। উদাহৰণ স্বৰূপে মধ্যপ্ৰাচ্যৰ সৰু দেশকেইখনে কেৱল তেলৰ বলতে দপদপাই থকা নাই জানো? মধ্যপ্ৰাচ্যৰ সৰু দেশ কেইখনৰ তেলৰ অৰ্থনীতিয়েই আজি বিশ্বৰ আন আন অংশৰ অৰ্থনীতি তথা ৰাজনীতিৰ ওপৰত উল্লেখযোগ্য প্ৰভাৱ বিস্তাৰ কৰিছে। আনপিনে ভাৰতৰ ভিতৰতে সৰ্বাধিক ৫ নিযুত টন খাৰুৱা তেল বছৰি উৎপাদন কৰা অসমৰ অৰ্থনৈতিক অৱস্থা থৰকবৰক।

ভাৰতৰ বৰ্তমান তিনিটা প্ৰধান প্ৰধান তেল-প্ৰতিষ্ঠানে অসমত খনন, উৎপাদন আৰু শোধন কাৰ্য চলাই আছে। তাৰে এটা অন্যতম তেল প্ৰতিষ্ঠান হৈছে অনুসন্ধান আৰু খনন কাৰ্যৰ দায়িত্বত থকা 'তেল আৰু প্ৰাকৃতিক গেছ আয়োগ'। ত্ৰিছ বছৰ আগৰে পৰাই তেল উদঘাটনৰ বাবে উজনি অসমত থিতাপি লোৱা তেল গেছ আয়োগ বৰ্তমান এটা বৃহৎ লাভজনক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান। যোৱা ১৯৮৫-৮৬ চনৰ বছৰটোত আয়োগে কেৱল পূৰ্বাঞ্চলতে ৪,০০৮ কোটি টকা লাভ কৰিছে। এনে এটা বৃহৎ লাভজনক ঔদ্যোগিক প্ৰতিষ্ঠানে ৰাজ্যখনৰ অৰ্থনীতি তথা সমাজ ব্যৱস্থাক কেনেদৰে প্ৰভাৱান্বিত কৰিছে তাকে লক্ষ্য কৰিবলৈ আমি তেলগেছ আয়োগত ভুমুকি মৰাৰ প্ৰয়াস কৰিছিলোঁ।

সঁচাকৈয়ে ওঠৰ-বিছ চকীয়া দৈত্যাকৃতিৰ প্ৰকাণ্ড-প্ৰকাণ্ড গাড়ীবোৰে সেইসময়ত শিৱসাগৰ নগৰকে ধৰি কাষৰীয়া গ্ৰাম্য অঞ্চলবোৰ কঁপাই তোলা হুলস্থুলীয়া পৰিবেশে গাঁৱৰ বুঢ়া মেথাসকলৰ লগতে যুৱক-যুৱতীসকলকো যথেষ্ট উৎসাহিত কৰি তুলিছিল। কিন্তু বাস্তৱত পোৱা হ'ল কি? সামান্য কেইটামান চাকৰিৰ বিনিময়ত অ' এন. জি. ছি, ক অসমৰ বাবে এক আশীৰ্বাদ বুলি কলে ভুল কথা কোৱা হ'ব। ঠিক এনে এটা ধাৰণাই এতিয়াও এই অঞ্চলৰ পুৰণিকলীয়া ধ্যান-ধাৰণাৰে পুষ্ট সহজ-সৰল মানুহখিনিক মোহান্ধ কৰি ৰাখিছে। লাকুৱা, গেলেকী আদি তৈলক্ষেত্ৰৰ কাষৰীয়া গাঁওবাসীৰ মাজলৈ যাওঁতে আমি তেনে বহু অভিজ্ঞতাৰ সন্মুখীন হৈছিলোঁ। ড্ৰিলিং, জিঅ'লজি আদি শব্দবোৰ মুখত নুফুটা আশী বছৰীয়া বৃদ্ধসকলেও নিজৰ পুতেক-জোৱাঁয়েকে কমিছনত চাকৰি কৰাৰ কথা কৈ আজিও গৌৰৱ প্ৰকাশ কৰে।

ৰাজহুৱা খণ্ডৰ তেল গেছ আয়োগে যোৱা কিছু বছৰ ধৰি কৰি অহা স্থানীয় স্বাৰ্থৰ পৰিপন্থী কিছুমান অবাঞ্চিত কাৰ্যই নিবনুৱা শিক্ষিত অৰ্ধ-শিক্ষিত স্থানীয় যুৱক-যুৱতীসকলক বিক্ষুব্ধ কৰি তোলাৰ উমান আজি সততেই পোৱা যায়। ইতিমধ্যে এই চাম যুৱক যুৱতীক প্ৰতিনিধিত্ব কৰা অসম জাতীয়তাবাদী যুবছাত্ৰ পৰিষদ, শিৱসাগৰ জিলা ছাত্ৰ সস্থা আৰু স্থানীয় নিবনুৱা সস্থাই আয়োগৰ বিৰুদ্ধে বিভিন্ন দাবীৰ সমাধানত বিভিন্ন সময়ত আন্দোলনৰ পদক্ষেপ গ্ৰহণ কৰিছে। কিন্তু আয়োগ এইবোৰ দাবীৰ প্ৰতি নিৰ্বিকাৰ। বৰং কিছু ক্ষেত্ৰত দেখা গৈছে আন্দোলনকাৰীসকলৰ প্ৰতি আয়োগে প্ৰত্যাহ্বানৰ ভূমিকাহে গ্ৰহণ কৰিছে।

## নিয়োগ বিভাগত এভুমুকি

স্বাভাৱিকতেই উজনি অসমৰ এক বৃহৎ অঞ্চলত চলোৱা খনন আৰু অনুসন্ধান কাৰ্যত এক গৰিষ্ঠসংখ্যক কৰ্মচাৰীৰ প্ৰয়োজন আয়োগৰ আছে। বৰ্তমান আয়োগৰ পূৰ্বাঞ্চলত বিষয়াসহ ১১,৩১২ জন কৰ্মচাৰী বিভিন্ন ক্ষেত্ৰত নিযুক্ত হৈ আছে। শ্ৰেণী অনুযায়ী মুঠ কৰ্মচাৰীৰ ভিতৰৰে থলুৱাৰ সংখ্যা এনেধৰণৰ—

| | মুঠ | থলুৱা |
|---|---|---|
| প্ৰথম শ্ৰেণী (বিষয়া) | ১৮৪১ | ২১৮ |
| দ্বিতীয় শ্ৰেণী (বিষয়া) | ৭৫১ | ৫২২ |
| তৃতীয় শ্ৰেণী | ৬৪৯২ | ৫৪৬৪ |
| চতুৰ্থ শ্ৰেণী | ২২২৮ | ২০৫৪ |

এই পৰিসংখ্যাৰ পৰা দেখা যায় যে, প্ৰথম শ্ৰেণীৰ বাহিৰে বাকীকেইটা শ্ৰেণীত থলুৱাৰ হাৰ ভাল। প্ৰথম শ্ৰেণীত থলুৱা লোক কম হোৱাৰ কাৰণ আয়োগৰ মতে, কাৰিকৰী আৰু আন বিষয়বোৰত উপযুক্ত অসমীয়া থলুৱা প্ৰাৰ্থীৰ এতিয়াও যথেষ্ট অভাৱ। দুই এজন থাকিলেও হেনো ভাৰতৰ আন অংশৰ প্ৰাৰ্থীৰ লগত সাক্ষাৎকাৰত তেওঁলোকে ফেৰ মাৰিব



ওঠৰ-বিছ চকীয়া প্ৰকাণ্ড-প্ৰকাণ্ড গাড়ীবোৰে শিৱসাগৰকে ধৰি তাৰ কাষৰীয়া অঞ্চলবোৰ সকলো ধৰণে কঁপাই তোলে



নোৱাৰে। আয়োগৰ এই মন্তব্যৰ সত্যতা নোহোৱাও নহয়। কাৰিকৰী বিষয় যেনে, পেট্ৰ'লিয়াম টেকন'লজি, কম্পিউটাৰ প্ৰগ্ৰেমিং, টেলিকমিউনিকেশ্যন আদিৰ বাবে অসমত শিক্ষা প্ৰতিষ্ঠান আছে কেইটা? সুদীৰ্ঘ এশ বছৰৰ আগতেই তেল উদ্যোগ আৰম্ভ হোৱা ৰাজ্যখনত তেলগেছ গৱেষণাৰ বাবে উচ্চ শিক্ষানুষ্ঠান গঢ়ি উঠাৰ পৰিবৰ্তে এনেবোৰ শিক্ষানুষ্ঠান গঢ়ি উঠিছে সুদূৰ ডেৰাডুন, ফৰিদাবাদ, আহমদাবাদ, ধানবাদ আদিত। অসমৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত মাত্ৰ কেইখনমান আসন থকা প্ৰায়োগিক ভূতত্ত্ব আৰু পেট্ৰ'লিয়াম টেকন'লজিৰ ছাৰ্টিফিকেট পাঠ্যক্ৰমক কোনো এটা তেল প্ৰতিষ্ঠানে গুৰুত্ব সহকাৰে গ্ৰহণ নকৰে। আমাৰ বোধেৰে এতিয়া ৰাজ্য চৰকাৰখনে অসমত অতি সোনকালে এনে এটা উচ্চ শিক্ষানুষ্ঠান স্বতন্ত্ৰভাৱে গঢ়ি তোলাত উদ্যমী হ'ব লাগে। নাইবা বৰ্তমানৰ বিশ্ববিদ্যালয় বা আভিযান্ত্ৰিক শিক্ষানুষ্ঠান কেইটাতে এনে ধৰণৰ, অঞ্চলটোৰ বাবে প্ৰয়োজনীয় বিষয়সমূহৰ বাবে সুকীয়া বিভাগ মুকলি কৰিব লাগে। ত্ৰিছ বছৰৰ পাছতো আয়োগে নিজাববীয়াকৈ এটা তেল সম্পৰ্কীয় উচ্চ প্ৰযুক্তিবিদ্যাৰ শিক্ষা তথা গৱেষণা প্ৰতিষ্ঠান অসমত মুকলি নকৰাটো অঞ্চলটোৰ প্ৰতি থকা অৱহেলাসূচক মনোভাৱকেই সূচায়।

**তেল গেছ আয়োগৰ তেলগেছ সম্পৰ্কীয় উচ্চ গৱেষণা তথা উন্নয়ন প্ৰতিষ্ঠানসমূহ**

(১) কে. ডি. এম. ইনষ্টিটিউট অৱ পেট্ৰ'লিয়াম এক্সপ্ল'ৰেশ্যন, ডেৰাডুন

(২) ইনষ্টিটিউট অৱ ড্ৰিলিং টেকন'লজি, ডেৰাডুন

(৩) ইনষ্টিটিউট অৱ মেনেজমেণ্ট ডেভেলপমেণ্ট, ডেৰাডুন

(৪) ইনষ্টিটিউট অৱ ৰিজাৰ্ভয়েৰ ষ্টাডিজ, আহমেদাবাদ

(৫) ইনষ্টিটিউট অৱ প্ৰডাকশ্যন টেকন'লজি, বোম্বাই

(৬) ইনষ্টিটিউট অৱ ইঞ্জিনিয়াৰিং এণ্ড অ'ছেন টেকন'লজি, বোম্বাই

প্ৰথম শ্ৰেণীৰ কাৰিকৰী আৰু আন আন বিভাগৰ বাবে হোৱা সাক্ষাৎকাৰবোৰলৈ মাজে-সময়ে স্নাতকোত্তৰ ডিগ্ৰিধাৰী বা অভিযন্তা অসমীয়া প্ৰাৰ্থীয়ে সৌভাগ্যবশতঃ কেতিয়াবা নিমন্ত্ৰণ পায়। ডেৰাডুন দিল্লীত অনুষ্ঠিত হোৱা সাক্ষাৎকাৰৰ ফলাফলবোৰ অসমীয়া প্ৰাৰ্থীৰ বিপক্ষে যোৱাটো সাধাৰণতে পৰিলক্ষিত হয়। এনে সাক্ষাৎকাৰ কমিটিসমূহত এতিয়ালৈকে পূৰ্বাঞ্চলৰপৰা কোনো থলুৱা লোকক প্ৰতিনিধি হিচাপে অন্তৰ্ভুক্ত কৰা হোৱা নাই। তেল গেছ আয়োগৰ কেইবাখনো প্ৰধান তৈলক্ষেত্ৰ থকা পূৰ্বাঞ্চলৰপৰা এজন থলুৱা উপযুক্ত লোকক সাক্ষাৎকাৰ কমিটিসমূহত প্ৰতিনিধি হিচাপে আয়োগৰ বাবে যুক্তিযুক্ত কাম।

আয়োগৰ পূৰ্বাঞ্চলত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ থলুৱা কৰ্মচাৰীৰ অৱস্থা সন্তোষজনক যদিও বৰ্তমানে নানা কৌশলেৰে বাহিৰৰ অনা-অসমীয়া প্ৰাৰ্থীয়ে এদেও-দুদেওকৈ আয়োগৰ চাকৰিবোৰ অধিকাৰ কৰিছেহি। থলুৱা লোকসকলক আয়োগে বৰ্তমান নিযুক্তি বন্ধ হৈ থকা বুলি প্ৰায়েই পতিয়ন নিয়াবলৈ বিচৰাৰ বিপৰীতে ডেৰাডুনৰপৰা নিযুক্তি-পত্ৰ দি পঠোৱা বহুকেইজন অনা-অসমীয়া লোকক আয়োগৰ পূৰ্বাঞ্চলত চাকৰি দিয়া হয়। ১৯৮৩ চনত এনেধৰণে ডেৰাডুনৰপৰা নিযুক্তি-পত্ৰ দিয়া ৰাজ্যখনৰ বাহিৰৰ ২৯ জন লোকক ড্ৰাইভাৰ পদত স্থায়ীভাৱে পূৰ্বাঞ্চলতে নিয়োগ কৰা হয়। স্থানীয় লোকৰ প্ৰতিবাদৰ উত্তৰত আয়োগে এইসকল ড্ৰাইভাৰক শীঘ্ৰেই বদলি কৰি নিয়াৰ আশ্বাস তেতিয়াই দিছিল যদিও সেই আশ্বাস আজিলৈকে কাৰ্যত পৰিণত নহ'ল।


আয়োগৰ পূৰ্বাঞ্চলৰ নিযুক্তি বিভাগৰ বৰমুৰীয়াকেইজনৰ আটাইকেইজনেই হ'ল— অনা-অসমীয়া ব্যক্তি। আজি কিছুমাহৰ আগতে নাজিৰাত থকা নিয়োগ বিভাগত প্ৰশাসনিক বিষয়াৰূপে এজন অসমীয়া লোকক নিযুক্তি দিয়া হৈছে। অৱশ্যে তেওঁৰ কৰ্মক্ষমতা সীমাবদ্ধ।

পূৰ্বাঞ্চলত আয়োগৰ অনুসন্ধান আৰু খনন কাৰ্য দিনক দিনে বৃদ্ধি পোৱালৈ চাই ইয়াত নিযুক্তিৰ সংখ্যা প্ৰতি বছৰে যথেষ্ট বৃদ্ধি পাব লাগিছিল। কিন্তু আয়োগে সম্প্ৰতি গ্ৰহণ কৰা নীতিয়ে থলুৱা চাকৰিবিহীন যুৱক-যুৱতীসকলক অধিক পৰিমাণে হতাশাগ্ৰস্ত আৰু ক্ষুব্ধ কৰি তুলিছে। নিযুক্তিৰ ক্ষেত্ৰত আয়োগে যোৱা কেইবছৰমানৰপৰা কনটিজেণ্ট, কনট্ৰেকচুৱেল আদি প্ৰথাতহে শ্ৰমিক, কৰ্মচাৰী ব্যাপক হাৰত লোৱাৰ এটি ধাৰা গঢ়ি তুলিছে। ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠান এটাৰ ক্ষেত্ৰত এনে নীতি কেৱল শ্ৰমিক-বিৰোধীয়েই নহয়, ৰাজহুৱা স্বাৰ্থ বিৰোধীও। আয়োগৰ পূৰ্বাঞ্চলতেই বৰ্তমান কনট্ৰেকচুৱেল প্ৰথাতে প্ৰায় ২৬০০ মান শ্ৰমিক,

## অসমীয়া লোকসকল উদ্যোগী, পৰিশ্ৰমী আৰু সুসংঘবদ্ধ নোহোৱাৰ বাবেও আয়োগৰ বেছিভাগ ঠিকা, সা-সামগ্ৰীৰ যোগান আদি অনা-অসমীয়া ব্যৱসায় প্ৰতিষ্ঠানেই পায়।

কৰ্মচাৰী আছে। এনেবোৰ প্ৰথাত আয়োগৰ যথেষ্ট লাভ হয়। কিয়নো এই শ্ৰমিক কৰ্মচাৰীসকলক পূৰ্ণ পৰ্যায়ৰ দৰমহা আৰু আন আন সা-সুবিধাবোৰ দিব নালাগে। লাভ-লোকচানৰ অজুহাতত ৰাজহুৱা স্বাৰ্থক একেবাৰে বাহিৰত ৰাখি কাম কৰিবলগা হোৱাটো তেলগেছ আয়োগৰ দৰে বৃহৎ ৰাজহুৱা প্ৰতিষ্ঠান এটাৰ সাম্প্ৰতিক দৃষ্টিভংগী আমাৰ বাবে ক্ষতিকাৰক।





অ'. এন. জি. ছি. অসমৰ বাবে আশীৰ্বাদ বুলি কলে হয়তো ভুল কোৱা হ'ব

শ্ৰমিক কৰ্মচাৰীসকলো প্ৰচলিত শ্ৰমিকনীতিৰ প্ৰতি অকণো সচেতন নোহোৱা যেন লাগিল। আয়োগে বিভিন্ন সময়ত বিভিন্ন ক্ষেত্ৰত লোৱা শ্ৰমিক নীতিৰ বিৰুদ্ধ কাৰ্যকলাপবোৰৰ তীব্ৰ প্ৰতিবাদ আমাৰ ইয়াৰ শ্ৰমিকসকলে এতিয়াও কৰিব পৰা হোৱাগৈ নাই। বিভিন্ন মতাদৰ্শৰ শ্ৰমিক ইউনিয়নকেইখনৰো নেতৃত্বই শ্ৰমিক শ্ৰেণীক সবল নেতৃত্ব দিব নোৱৰাৰ আভাস আমি কৰ্মচাৰীসকলৰ পৰাই পাইছিলো।

শ্ৰম তথা শ্ৰমিক সম্বন্ধীয় কাৰ্যকলাপবোৰ পৰ্যালোচনা কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্য উভয়ৰে শ্ৰমবিষয়াসকলে সঘনাই আয়োগলৈ অহা-যোৱা কৰে। কিন্তু অভিযোগ উঠা মতে এইসকল বিষয়াই হেনো শ্ৰমিকসকলৰ স্বাৰ্থক সুৰক্ষা দিয়াতকৈ আয়োগৰ আপ্যায়ন গ্ৰহণ কৰি ওপৰ মহলকহে সুৰক্ষা দিয়ে।

পূৰ্বাপৰ প্ৰচলিত নিয়ম অনুযায়ী আয়োগৰ কোনো এজন কৰ্মচাৰীৰ মৃত্যুত তেওঁৰ সন্তান বা স্ত্ৰীয়ে আয়োগত অগ্ৰাধিকাৰ ভিত্তিত চাকৰি পাব লাগে। কিন্তু আয়োগে এতিয়া সেই প্ৰচলিত নিয়ম বন্ধ কৰিছে। তথাপিও আমি গম পোৱা মতে, ১৯৮৩ চনত ডেৰাডুনৰ পৰা নিযুক্ত হোৱা ড্ৰাইভাৰ এজনৰ মৃত্যুত তেওঁৰ বিধৱা পত্নীক কিন্তু তৎকালেই আয়োগৰ চাকৰিত মকৰল কৰা হয়। আয়োগৰ এনে বৈষম্যমূলক নীতিৰ প্ৰতিবাদত আয়োগৰ মৃত কৰ্মচাৰীসকলৰ বিধৱা পত্নীসকলে কোলাত কেঁচুৱা লৈ অলপতে আয়োগৰ মুখ্য কাৰ্যালয়ৰ আগত অনশন ধৰ্মঘট কৰে।

আয়োগৰ পূৰ্বাঞ্চলৰ নিৰাপত্তাৰ বিভাগটোক সম্পূৰ্ণভাৱে কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনীৰ হাতত তুলি দিয়াৰ চিন্তা-ভাবনাই চূড়ান্ত পৰ্যায় পোৱাৰ কথা এতিয়া সঘনাই শুনিবলৈ পোৱা গৈছে। কেইবাজনো অনা-অসমীয়া উচ্চপদস্থ বিষয়া কিছুমান অসামাজিক কুকৰ্মৰ বাবে স্থানীয় লোকৰ হাতত অপদস্থ হৈ নিৰাপত্তা হেৰাই যোৱা বুলি অভিযোগ তুলি ছি. আই. এছ. এফৰ পৃষ্ঠপোষকতা কৰিছে। যোৱা ত্ৰিছ বছৰে থলুৱা লোকৰ দ্বাৰা গঠিত নিৰাপত্তা বাহিনীয়েই আয়োগৰ নিৰাপত্তা ব্যৱস্থা সুদৃঢ় কৰি ৰাখিছে। শ্ৰমিক অশান্তি আদিৰ দৰে ঘটনা কেৱল আয়োগতে কিয়, সমগ্ৰ অসমতে বিৰল। এতিয়া হঠাতে ছি. আই. এছ. এফৰ দৰে সশস্ত্ৰ বাহিনীৰ প্ৰয়োজন শান্তিপূৰ্ণ উদ্যোগ এটাত কিয় হ'ল?

আয়োগৰ খননস্থলী আৰু বিভিন্ন স্থানলৈ কৰ্মচাৰীসকলক অনা-নিয়া




OKDISCD

কৰিবৰ বাবে এক বৃহৎসংখ্যক গাড়ী-মটৰৰ প্ৰয়োজন। আয়োগৰ এতিয়া তেনেকৈ নিজা যান-বাহন বুলিবলৈ নায়েই। আয়োগে নিজাকৈ গাড়ী যোগান ধৰাৰ পৰিবৰ্তে ঠিকা ভিত্তিতহে বিভিন্ন সক্ত-ৰৰ গাড়ীৰ যোগাৰ কৰিছে। থোৰতে পোৱা এটা হিচাপ অনুযায়ী আয়োগত বৰ্তমানে ঠিকাভিত্তিত ৩০ খন বাছ, ১১৭ খন টেক্সি আৰু ২৯ খন জীপ আছে। এইবোৰৰো বুজন-সংখ্যক অনা-অসমীয়া লোকৰ গাড়ী। অধিকাংশ গাড়ী এইদৰে ঠিকাভিত্তিত লোৱাৰ ফলত আয়োগৰ পৰিবহন বিভাগটো সংকুচিত হৈ পৰিছে। এই বিভাগৰ লগতে আন এটা বিভাগ অটোৱৰ্কশ্বপটোও বৰ্তমান মুমূৰ্ষ অৱস্থাত।

নিয়োগ ব্যৱস্থা সংকোচন কৰিবৰ বাবে আয়োগে শেহতীয়াকৈ লোৱা আন এটা নীতি হৈছে ESSAR নামৰ বোম্বাই বহুৰাষ্ট্ৰীয় নিগম এটাক ঠিকা ভিত্তিত ৰিগ বহুৱাবৰ বাবে দিয়া অনুমতি। প্ৰাইভেট কোম্পানি এটাই বহুৱালে এনে এটা ৰিগৰ বাবে আয়োগৰ বিনিয়োগ নহয়, আনহাতে প্ৰায় ২০০ জন বিষয়া-কৰ্মচাৰীৰ দৰমহা আৰু অন্যান্য সা-সুবিধাবোৰৰ পৰাও আয়োগে যথেষ্ট ৰেহাই পায়। ছাত্ৰসন্থাৰ পৰা আদি কৰি আয়োগৰ কৰ্মচাৰীসকলেও ৰিগ ভাৰালৈ অনা সিদ্ধান্তৰ বিৰোধিতা কৰি ইতিমধ্যে স্মাৰক পত্ৰপ্ৰদান, বন্ধ, ধৰ্মঘট আদি কাৰ্যসূচী হাতত লৈছে। এইক্ষেত্ৰত অৱশ্যে আয়োগৰ তৰফৰ পৰা কোনো স্পষ্টীকৰণ পোৱা হোৱা নাই। শুনিবলৈ পোৱা মতে, আয়োগৰ মুখ্য কাৰ্যালয়ৰ পৰা দুজনমান মুৰব্বী বিষয়াই এই অঞ্চলত ৰিগ ভাৰালৈ অনা কাৰ্যৰ প্ৰতিক্ৰিয়া সম্পৰ্কে বুজ লৈ গৈছেহি।

ঠিকা-ঠুকলি বা সা-সামগ্ৰী যোগানৰ ক্ষেত্ৰতো আয়োগত থলুৱা স্বাৰ্থ কিছু পৰিমাণে উপেক্ষিত হৈছে। অৰ্থনৈতিক সীমাবদ্ধতাৰ বাবেই হওক বা আয়োগৰ অনিচ্ছুক মনোভাৱৰ বাবেই হওক ঠিকা-ঠুকলি বা সা-সামগ্ৰী যোগান ধৰাৰ ক্ষেত্ৰত অসমীয়া যুৱকে সুযোগ-সুবিধা নোপোৱা কথাটো সত্য। নানা প্ৰচাৰ মাধ্যমৰ যোগেদি আয়োগে থলুৱা নিবনুৱা যুৱকসকলক এহ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ কথা কৈছে যদিও আয়োগৰ এই কথাৰ সত্যতা আমি আমাৰ ভ্ৰমণকালত প্ৰতিপন্ন কৰিব নোৱাৰিলো। ভালেমান নিবনুৱা সন্থাক দেখা সাক্ষাৎ কৰি তেওঁলোকৰ কাম-কাজবোৰৰ বুজ লৈ আমি যি বুজিলোঁ যে এওঁলোকে তেনেকৈ কোনো কাম-কাজ নাপায়। কোনো-কোনোৱে দুই-এটা ঠিকা কৰি দুপইচামান আৰ্জে যদিও তাৰে বুজন অংশ আয়োগৰ সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীক দিওঁতেই যায়। নিবনুৱা সন্থাবোৰৰ এতিয়া কামৰ ভিতৰত দেখিলো— কেৱল আয়োগৰ এনেবোৰ অনৈতিক কাম-কাজৰ বিৰুদ্ধে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা।


তেলৰ সন্ধান পালে খননকাৰ্য চলাবৰ বাবে মাটি লয়. ইয়াৰ বাবে খেতিৰ মাটি বা ঘৰবাৰী থাকিলেও দিবই লাগিব, তাৰ বাবে ক্ষতিপূৰণৰ ব্যৱস্থা আছে



**মাটি অধিগ্ৰহণঃ** আয়োগৰ জৰীপ বিভাগে মাটি জৰীপ কৰি তেলৰ সন্ধান পালে তাতেই খননকাৰ্য চলাবৰ বাবে মাটি লয়। ইয়াৰ বাবে খেতিৰ মাটি বা ঘৰবাৰী থাকিলেও দিবই লাগিব। অৱশ্যে মাটিৰ গিৰিহঁতে তাৰ বিনিময়ত উপযুক্ত ক্ষতিপূৰণ পাব লাগে। এইবোৰ কাম চোৱাচিতা কৰিবৰ বাবে আয়োগৰ ভূমি অধিগ্ৰহণ সম্পৰ্কীয় এটা সুকীয়া বিভাগো আছে। আমি শুনিবলৈ পোৱা মতে, মাটি অধিগ্ৰহণ সম্পৰ্কীয় অসংখ্য অভিযোগ প্ৰতিদিনেই আয়োগৰ হাতত পৰেহি। চাকৰি বা ধনৰ আশাত গাঁৱৰ ৰাইজে আয়োগক মৌখিক আশ্বাসতেই মাটি-বাৰী এৰি দিয়ে। কিন্তু ক্ষতিপূৰণ বা চাকৰিৰ খা-খবৰ লবৰ বাবেই মাটিৰ মালিকজনে দহোবন কাতি কৰি থৈ মাহৰ পাছত মাহ আয়োগৰ কাৰ্যালয়লৈ সঘনাই মাকো মাৰিব লগা হয়।

সাধাৰণতে পৰীক্ষামূলক খননৰ কাৰণে ঠাইডোখৰলৈ যাবলৈ আৰু সা-সামগ্ৰী ৰাখিবৰ কাৰণে প্ৰথমে ১২০ বৰ্গ মিটাৰ × ১২০ বৰ্গ মিটাৰ জোখৰ মাটি অধিগ্ৰহণ কৰে। এই পৰিমাণ ১০-অৰ পৰা ১৫ বিঘা পৰ্যন্ত হয়। পৰীক্ষামূলক খনন কাৰ্যত আয়োগে মাটিডোখৰ স্থায়ীভাৱে অধি-গ্ৰহণ নকৰে; কেৱল খনন কাৰ্য চলাবৰ সময়ৰ জোখাৰেহে গ্ৰহণ কৰে। এই সময়খিনিৰ বাবে মালিকক মাটিৰ মূল্য নিদি কেৱল শস্যৰ ক্ষতি-পূৰণহে দিয়ে। পাছত তেল নাপালে মাটিখিনি ঘূৰাই দিয়ে আৰু তেল পালে ৭০ বৰ্গ মি· × ৭০ বৰ্গ মি· জোখৰ মাটি ৰাখি বাকীখিনি ঘূৰাই দিয়ে। তেল পালে বা নাপালে ঘূৰাই দিয়া মাটিখিনি খেতি বা আন কামৰ বাবেই অযোগ্য হয়। লাকুৱা, গেলেকী অঞ্চলত আমি তেনে বহু মাটি এনেয়ে পৰি থকা দেখিছিলো। মাটিবোৰ তেল-আবৰ্জনা, শিল ইটা আদিৰে পূৰ্ণ। আয়োগে মাটিডোখৰৰ বাবে ক্ষতিপূৰণ দিয়ে যদিও ই বৰ্ত-মানৰ মাটিৰ মূল্যৰ বিনিময়ত অতি কম। মাটিৰ ক্ষতিপূৰণৰ নিৰিখ ধাৰ্য কৰে জিলা কৰ্তৃপক্ষই। বৰ্তমানে চৰকাৰী ক্ষতিপূৰণৰ এটা নিৰ্দিষ্ট নিৰিখ আছে যদিও এই নিৰিখৰ প্ৰায়েই তাৰতম্য হয়। শিৱসাগৰ জিলা ছাত্ৰ সন্থাই তেল খননৰ বাবে অধি-গ্ৰহণ কৰা মাটিবোৰৰ মূল্য ঔদ্যোগিক অঞ্চলৰ মূল্যৰ নিৰিখত দিবৰ বাবে আয়োগৰ ওচৰত দাবী জনাইছে।

*ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ অমনোযোগিতাৰ বাবেও বহুত কৃষি-উপভোগী মাটি আয়োগে তেল উদঘাটনৰ নামত নষ্ট কৰিলে।*

খেতিয়েই জীৱনৰ একমাত্ৰ সম্বল হোৱা দুখীয়া খেতিয়কসকলৰ বাবে ই এটা গুৰুতৰ সমস্যা ৰূপে দেখা দিছে। খেতিয়কসকলে কমকৈ হলেও পোৱা টকাকেইটা লগে লগে কেতিয়াও নাপায়। এইবছৰৰ ক্ষতিপূৰণ অহা বছৰহে পাবগৈ। এইদৰে অনাৱশ্যক-ভাৱে দীঘলীয়া কৰা আমোলাতান্ত্ৰিক কাৰ্যই খেতিয়কসকলৰ দুখ দুৰ্দশা বঢ়াই তুলিছে।


আজি কিছুদিন আগলৈকে মাটি অধিগ্ৰহণ কৰা পৰিয়ালৰ কোনো সক্ষম ব্যক্তিক আয়োগৰ চাকৰিত মকৰল কৰাৰ এটা নিয়ম প্ৰচলিত আছিল। কিন্তু এতিয়া আয়োগে এই নিয়মো ৰদ কৰাৰ যো-জা কৰিছে। আমি আয়োগৰ নিয়োগ আৰু ভূমি অধিগ্ৰহণ কাৰ্যালয়ত ভুমুকি মাৰোঁতে কাষৰীয়া বগীদ'ল, লাহিঙীয়া, মেচা-গড়, বকতা, কোঁৱৰগাঁও, চাংমাইগাঁও আদি অঞ্চলৰ ভালেমান মাটি যোৱা পৰিয়ালৰ লোকক লগ পাইছিলোঁ। তেওঁলোকক অগ্ৰাধিকাৰৰ ভিত্তিত চাকৰি দিয়া হ'ব বুলি আশা দি সাক্ষাৎকাৰত উপস্থিত থাকিবলৈ কোৱা হয় যদিও কেইবাজনেও দুই-তিনিবাৰ সাক্ষাৎকাৰ দিও চাকৰি পোৱা নাই। চাকৰিৰ বাহিৰেও মাটি যোৱা পৰিয়ালটোক ঠিকা আদি লবৰ বাবে কেতিয়াবা আয়োগে প্ৰস্তাৱ দিয়ে; কিন্তু মাটি ভেটি হেৰোৱা পৰিয়ালটোৱে ঠিকা কৰিবলৈ মূলধন পায় ক'ত? এনেবোৰ অসহনীয় কাৰ্যৰ বাবেই মাজে সময়ে গাঁৱৰ এই হতাশা-গ্ৰস্ত সহজসৰল লোকসকলে গাঁৱৰ মাজৰ জি· জি· এছ· খাদ আদিলৈ যোৱাৰ পথত প্ৰতিবন্ধক আদি দি আয়োগৰ কামত বিঘিনি জন্মোৱাৰ এটা বিক্ষোভমূলক নীতি গ্ৰহণ কৰিছে। এইলোকসকলৰ বাবে বিক্ষোভ প্ৰকাশ জীৱনৰ অনিশ্চয়তাই সৃষ্টি কৰা এটা নিয়মিত অভ্যাসত পৰিণত হৈছে।

এতিয়ালৈকে অসমত আয়োগে কিমান মাটি অধিগ্ৰহণ কৰিলে তাৰ হিচাপ পোৱাটো বৰ কঠিন। ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ অমনো-যোগিতাৰ বাবেও বহুত কৃষি-উপভোগী মাটি আয়োগে তেল উদঘাটনৰ নামত নষ্ট কৰিলে।

তেলক্ষেত্ৰৰ কাষৰীয়া মানুহখিনিক এতিয়া নতুনকৈ আন এটা সমস্যাই জুৰুলা কৰিবলৈ ধৰিছে। তেল খনন স্থলীৰ পৰা প্ৰায়ে ওলাই অহা দুৰ্গন্ধ-যুক্ত আবৰ্জনাবোৰে শ শ বিঘা মাটিৰ খেতি ধ্বংস কৰি পেলোৱাৰ অভি-যোগ আমি কেইবাপক্ষৰ পৰাও শুনিছিলো। লাকুৱা, মেচাগড়, বগীদ'ল আদি অঞ্চলৰ এসময়ৰ ধানেৰে ভৰি পৰা পথাৰবোৰত আজিকালি



OKDISCD



নপুখুৰীৰ পাৰৰ দ'লৰ ভিতৰে-বাহিৰে নানা সা-সামগ্ৰীৰ ভৰাস। ঐতিহাসিক সম্পদৰ শ্ৰীবৃদ্ধি?

ধানৰ সলনি পত্তানহে ওলায়। তেল গেছৰ দ্বাৰা যাতে বায়ু আৰু পানী দূষিত নহয়, তাৰ বাবে আয়োগে যৎসামান্যও প্ৰচেষ্টা হাতত লোৱা দেখা নগ'ল। অৱশ্যে কাকতে-পত্ৰেই প্ৰদূষণ কৰাৰ আঁচনি আলেখ। নাজিৰাতে ৰাজ্যিক প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ পৰিষদৰ এটা কাৰ্যালয়ো আছে। ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ সদস্য সচিব জনেই আমাৰ আগত আয়োগৰ বিপক্ষে বহু গুৰুতৰ অভিযোগ দাঙি ধৰিছিল। কাকতে-পত্ৰেই প্ৰকাশ পোৱা ৰাইজৰ এই সম্পৰ্কীয় অভিযোগবোৰ খণ্ডন কৰিবলৈ আয়োগে নাজিৰাতে এজন জনসম্পৰ্কৰক্ষী বিষয়া ৰাখিছে।

নাম প্ৰকাশত অনিচ্ছুক আয়োগৰে এজন প্ৰথম শ্ৰেণীৰ দায়িত্বশীল বিষয়াই আমাৰ আগত স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল যে, আয়োগে প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে চৰকাৰৰ কোনো নীতিয়েই পালন কৰা নাই। তেখেতেই উদাহৰণ দিছিল যে, চৰকাৰী নীতি অনুযায়ী প্ৰাকৃতিক গেছবোৰ জ্বলাই দিবলগীয়া হ'লে মাটিৰ পৰা কমেও ৩০ ফুট উচ্চতাত জ্বলাব লাগে। আয়োগে এনে কৰা নাই। প্ৰচণ্ড তাপ আৰু পোহৰত কাষৰীয়া অঞ্চলত বাণিজ্যিকভাৱে কৰা মুগা-পলুৰ খেতিৰ অনিষ্ট হোৱাৰ লগতে উদ্ভিদ জগতৰো বিস্তৰ ক্ষতি হৈছে। আনহাতে তেল-খাদৰ পৰা জি. জি. এছ, আদিলৈ সংলগ্ন তেল প্ৰবাহিত নলীবোৰ নিয়মমতে মাটিৰ তিনিফুট তললৈকে পুতিব লাগে; কিন্তু কোনো কোনো ঠাইত নলীবোৰ মাটিৰ ওপৰতে ওলাই থকা দেখিবলৈ পোৱা যায়। সুৰক্ষা বিধিসমূহ ভালদৰে প্ৰয়োগ নকৰাৰ বাবে ইতিমধ্যে কেইবাঠাইতো ঘৰবাৰী জ্বলাৰ, আনকি মানুহ মৰাৰো খবৰ বাতৰি-কাকতত পোৱা যায়।

পথাৰত তেল সোমালে বা তেলৰ ধান আদি মাৰিলে টকা পোৱাৰ আনন্দত উৰুলীকৃত গাঁৱৰ সৰহভাগ ৰাইজেই এই প্ৰদূষণ ইত্যাদিৰ কথা নাজানে বা জানিলেও মুখ ঘমোৱাৰ চেষ্টা নকৰে। প্ৰত্যেক বছৰে তেল-মিহলি পানী, ঘাঁহ আদি খাই গৰু-গাই, হাঁহ-কুকুৰা মৰা, ধানমাহৰ উৎপাদন বছৰি হ্ৰাস পোৱা ঘটনাবোৰে মানুহখিনিক প্ৰত্যক্ষভাৱে আঘাত কৰিব পৰা নাই।

যোৱা কেইবামাহৰ পৰা ধৰি বিভিন্ন কাকত-আলোচনীত অসমৰ আৰ্থিক তথা সামাজিক দিশলৈ তেল গেছ আয়োগে আগবঢ়োৱা সেৱাৰ কথা বৰ্ণাই প্ৰকাশ কৰা বৃহৎ আকাৰৰ বিজ্ঞাপন কেইখনে বিভিন্ন মহলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিজ্ঞাপন কেইখনৰ কথাবোৰ কিমান সঁচা তাৰে ভু লোৱাৰ চেষ্টা এটা কৰিছিলো।

তেনে এখন বিজ্ঞাপনত আয়োগে উল্লেখ কৰিছিল যে, ভিতৰুৱা গাঁও যোগাযোগ, পৰিবহনৰ বাবে আয়োগৰ দ্বাৰাই আলি-পদূলি নিৰ্মাণ কৰা হ'ল। যাতায়ত আদিৰ সুবিধা হ'ল। কথাটো অৱশ্যে সিমান মিছাও নহয়। কিন্তু অমূল্য পনীয়া সোণখিনিৰ বিনিময়ত অঞ্চলটোক কৃপাদৃষ্টিৰে দিয়া আলি-বাট এইটো নহয়। অঞ্চলটোৰ ৰাইজে পৰোক্ষভাৱেহে এই সুবিধা পাইছে। আলিবাট নিৰ্মাণ হৈছে কেৱল আয়োগৰ খননস্থলীলৈকেহে, তাৰ সিফালে যদি খননস্থলী নাই তেন্তে পকী আলিবাটৰো ইমানতেই ইতি পৰিছে। বিশেষকৈ গাঁও অঞ্চলত খনন কাৰ্য চলোৱা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আয়োগে আজিকোপতি অনুন্নত গাঁও অঞ্চলবোৰৰ বাবে উন্নয়নমূলক কাম নকৰাটো আমি অপৰাধ বুলিহে বিবেচনা কৰিম। আজি দিনচেৰেকৰ আগতেহে কেইখনমান বিদ্যালয়লৈ আয়োগে অলপ ধন দিছে।

শিৱসাগৰ, নাজিৰাৰ কাষৰীয়া ঐতিহাসিক সম্পদবোৰ আকৰ্ষণীয় কৰিবলৈ আয়োগে টকা ব্যয় কৰাৰ হিচাপ দিছে। টকা খৰচ কৰাৰ নামত দেখিলো শিৱসাগৰ পুখুৰীটোৰ চাৰিওকাষে কেইটামান ছ'ডিয়াম ভেপাৰ লাইটহে আয়োগে লগাই দিছে, ঐতিহ্যপূৰ্ণ তলাতলঘৰ, ৰংঘৰৰ নিচেই কাষতে তেল খননৰ বাবে যা যোগাৰ চলোৱা প্ৰতিষ্ঠানটো তেলগেছ আয়োগেই নাছিল জানো? নপুখুৰীৰ পাৰৰ দল কেইটাৰ ভিতৰে-বাহিৰে নানা সা-সামগ্ৰীৰ ভৰালটো আয়োগৰে নহয় জানো?

শিৱসাগৰ, নাজিৰাত এচাম মানুহ লগ পালো যিসকল আয়োগৰ কাৰ্জকৰ্মৰ প্ৰশংসাত পঞ্চমুখ। সেই চাম মানুহৰমতে ৰাইজে পতা ৰাজহুৱা অনুষ্ঠান যেনে, বিহু পূজা আদিলৈ আয়োগৰপৰা ৰভা, পৰ্দা, পানী, গাড়ী আদি বোলে সহজে পোৱা যায়। কিছুমানে আকৌ আয়োগক প্ৰশংসা কৰে নাজিৰাত তেওঁলোকে বহুৱা T. V. Relay Centre টোৰ বাবে। কিন্তু আয়োগত চাকৰিৰ বাবে জনৈক বিষয়াক উপঢৌকন দিবলৈ মাটি বাৰী বন্ধক দি বৰ্তমান এসাজ খাই এসাজ লঘোনত থকা প্ৰফুল্ল দত্ত, দেবেশ্বৰ গগৈহঁতৰ পৰিয়ালৰ বাবে T. V. Relay Centre টোতকৈ এদিনৰ হাজিৰাহে বেছি প্ৰয়োজনীয়।

মূলতঃ শিৱসাগৰ আৰু নাজিৰা নগৰদুখনকে কেন্দ্ৰ কৰি আয়োগৰ কৰ্ম পৰিসীমা গঢ়ি উঠিছে। নগৰদুখন উন্নত কৰিবৰ বাবে আয়োগৰ দায়বদ্ধতা নিশ্চয় আছে। অ'ত ত'ত গঢ়ি উঠা আয়োগৰ কাৰখানা, কাৰ্যালয়, বাসস্থান আদিয়ে নগৰ দুখনক অতি বিশৃংখল কৰি তুলিছে। ঘুমুক-ঘানাককৈ শুনিবলৈ পাইছিলোঁ— আয়োগৰ চেয়াৰমেন কৰ্ণেল ৰাহিয়ে নাজিৰাক তেল নগৰীৰূপে ঘোষণা কৰাৰ আশ্বাস এবাৰ নিজেই আহ্বান কৰা সভা এখনত দিছিল। পিছে সেই আশ্বাসৰ কথা এতিয়া তল পৰিল।

অসমীয়া লোকেৰে ভৰা শিৱসাগৰ-নাজিৰাত এপাক মাৰিলেই দেখিব বেছি ভাগ ব্যৱসায় প্ৰতিষ্ঠানেই অনা-অসমীয়া লোকৰ। অসমীয়া লোকসকল উদ্যোগী, পৰিশ্ৰমী আৰু সুসংঘবদ্ধ নোহোৱাৰ বাবেও আয়োগৰ বেছিভাগ ঠিকা, সা-সামগ্ৰীৰ যোগান আদি অনা-অসমীয়া ব্যৱসায় প্ৰতিষ্ঠানেই পায়। শিৱসাগৰ-নাজিৰাত উপাৰ্জিত মূলধনৰ পুনৰ বিনিয়োগৰ লাভাংশও যে ৰাজ্যখনৰ লোকে ৰাখিব পৰা নাই এয়াই তাৰ স্পষ্ট প্ৰমাণ।

আয়োগে স্থানীয় থলুৱা মানুহখিনিৰ প্ৰতি যদিও সহানুভূতিশীল মনোভাব এটা দেখুৱাইছে, তাৰ ফলত ধনী বা প্ৰভাৱশালীখিনিহে বেছি উপকৃত হৈছে। সাধাৰণ মানুহখিনিৰ দুখকষ্টৰ মোচন অলপো হোৱা নাই। আয়োগ হ'বৰে পৰা ইয়াত ধনীসকল আৰু ধনী হৈ গৈছে আৰু দুখীয়াসকলৰ দুখ-দুৰ্দশাৰ সীমা চেৰাই গৈছে।

দুৰ্নীতিৰ শিপাডাল এতিয়া আয়োগৰ ভিতৰতো ভালকৈয়ে শিপাইছে। কাকতে-পত্ৰই সঘনাই প্ৰকাশ পাই থকা উচ্চপদস্থ বিষয়াসকলৰ উচ্চহাৰৰ দুৰ্নীতিবোৰৰ অভিযোগ আজি অতি সহজে গ্ৰহণীয় হৈ পৰিছে। এইটো মানসিকতা আজি আয়োগৰ নিম্নস্তৰলৈকে ব্যাপ্ত হৈছে। সাধাৰণ ঋণ এটা উলিয়াবলৈও আয়োগৰ কৰ্মচাৰীসকলেই আয়োগৰ বিশেষ এটা বিভাগৰ কৰ্মচাৰীসকলক কিছু উপঢৌকন আগবঢ়ালেহে বোলে কামটো সিজে।

শাৰীৰিক পৰিশ্ৰমৰ মূল্য নোপোৱা থলুৱা সাধাৰণ শ্ৰেণীৰ মানুহখিনি আয়োগত কম আয়াসতে যথেষ্ট ধন পোৱা মানুহখিনিয়ে গঢ়ি তোলা অভিনৱ আৰ্থ সামাজিক ব্যৱস্থাটোত আজি তিষ্টিব নোৱৰা হৈ পৰিছে। এই নতুন ব্যক্তিকেন্দ্ৰিক ব্যৱস্থাটোৱে, পৰস্পৰ নিৰ্ভৰশীল সামাজিক গাঁথনিটোৰ ক্ষেত্ৰত চৰম আঘাত হানি সমগ্ৰ সমাজখনকে থানবান কৰি পেলাইছে। উদ্যোগীকৰণৰ ফলত হোৱা সামাজিক বিবৰ্তনৰ সূত্ৰটো চিৰসত্য হলেও আমাৰ বাবে ই অতি সহজেই গ্ৰহণীয় নহয়।

কাইটৰ ভয়ত মাছ খাবলৈ বৰ্জন কৰাটো যেনেকৈ বিধেয় নহয় তেনেকৈ উদ্যোগীকৰণৰ অপকাৰী দিশটোৰ ভয়ত উদ্যোগীকৰণ নালাগে বুলি কোৱাটো আমাৰ বাবে কিন্তু মূৰ্খামী হ'ব। ঐতিহ্যপূৰ্ণ গাম্ভীৰ্য আৰু উদ্যোগ বিকাশৰ ধাৰা দুয়োটা সুকীয়াকৈ বজাই ৰাখি অঞ্চলটোৰ সামগ্ৰিক উন্নতি সাধন কৰাটো সকলোৰে কাম্য।


আলোকচিত্ৰঃ দীপক বেজবৰুৱা



OKDISCD

# তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ ভূমিকা

**ইমৰান হুছেইন**



'তেল আৰু প্ৰাকৃতিক গেছ আয়োগ'— উজনিৰ গাঁৱৰ কিছু হোজা-চহা লোকৰ মুখত চমুকৈ— 'কমিছন'। এই কমিছনৰ বিষয়ে এটা কৌতুকো আছে— কমিছনত কাম কৰা শিৱসাগৰ অঞ্চলৰ যুবক এজন পুজাৰ বতৰত বনাছ পাই বাটতে এটুপি ফটিকা ধৰি ঘৰলৈ গৈছে। বাটতে ছাগলী এজনীক ঘাঁহ খাই থকা দেখি যুবক জঁকি উঠিল,— ঘাঁহ খাবলৈ আহিছ ? তইঁতৰ ঘৰৰ কোনেও মোৰ দৰে কমিছনত চাকৰি নকৰে ? হুঁ টকা খা।" —এই বুলি এশ টকীয়া এখন ছাগলীৰ মুখত ভৰাই দিলে। কাগজ খোৱা অভ্যাস থকা নগৰীয়া ছাগলীয়েও নোটখন পাই চোবাবলৈ ললে।

এইয়া তে· প্ৰা· গে· আয়োগ সম্বন্ধে উজনিৰ লোকৰ ধাৰণাৰে বহিঃপ্ৰকাশ। অৰ্থাৎ আয়োগৰ চাকৰিত সোমালে টকাৰ উভৈনদী হয় বুলি ভবা হয়। কিন্তু প্ৰকৃতাৰ্থত আয়োগে থলুৱা লোকৰ প্ৰতি কিমান সুবিচাৰ কৰিছে ? প্ৰথম অৱস্থাত হয়তো কিছু লোকক নিযুক্তি দিছিল। তাৰে বহুতে তেল পথাৰৰ কাৰণে মাটি যোৱাৰ বাবে চাকৰি পাইছিল। ইয়াৰ অধিকাংশই চতুৰ্থ শ্ৰেণীৰ চাকৰি। যোৱা দুবছৰ ধৰি এনে নিযুক্তিও বন্ধ কৰি ৰখা হৈছে। আয়োগৰ কৰ্তৃপক্ষই যোৱা ৬ জানুৱাৰীৰ দিনা এক ছাকুলাৰ যোগে ঘোষণা কৰে যে পৰ্যায়ক্ৰমে পূৰ্বাঞ্চলত ছি· আই· এছ· এফ নিয়োগ কৰা হ'ব। কৰ্তৃপক্ষৰ এই ছাকুলাৰখন পোৱাৰ লগে লগে আয়োগৰ ছখন ইউনিয়নৰ তৰফৰপৰা ইয়াৰ তীব্ৰ বিৰোধিতা কৰা হয়। স· অ· ছা স· আৰু জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদৰ স্থানীয় গোটেও ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰে। ইউনিয়ন কেইখনৰ তৰফৰ পৰা টেলিগ্ৰামযোগে আয়োগৰ চেয়াৰমেনকো এইকথা





জনোৱা হয় বুলি পৰিবহন কৰ্মচাৰী ইউনিয়নৰ সভাপতি গোবিন্দ ৰাজখোৱাই মোক কলে। কৰ্তৃপক্ষই আপত্তিসমূহৰ প্ৰতি কাণসাৰেই নকৰি নিজৰ সিদ্ধান্তত এতিয়ালৈকে অচল-অটল হৈ আছে। ইয়াৰ প্ৰতিবাদত ইউনিয়নসমূহে যোৱা ২৫ ফেব্ৰুৱাৰীত ধৰ্মঘটৰ জাননী দিয়ে। এই জাননীৰ পাছতে কৰ্তৃপক্ষই তেওঁলোকক আলোচনালৈ মাতে। ডিব্ৰুগড়ৰ শ্ৰম আয়ুক্তৰ উপস্থিতিত হোৱা আলোচনাত কৰ্তৃপক্ষই অধিক সময় বিচাৰে। শ্ৰীৰাজখোৱাৰ মতে আলোচনাত কৰ্তৃপক্ষৰ অবজ্ঞাৰ ভাব স্পষ্টভাৱে পৰিলক্ষিত হয়।

ছি· আই· এছ· এফ· নিয়োগৰ সমৰ্থনত যুক্তি দি আয়োগৰ কৰ্তৃপক্ষই কৈছে যে কেন্দ্ৰীয় প্ৰতিষ্ঠানসমূহত এই বাহিনী নিয়োগ কৰাটো চৰকাৰৰ অন্যতম নীতি। এই অনুসৰিয়েই উত্তৰ-পূৰ্বাঞ্চললৈ এই বাহিনী আনিবলৈ লোৱা হৈছে।

বৰ্তমানলৈকে নিৰাপত্তা ৰক্ষাৰ অৰ্থে আয়োগৰ নিজা বাহিনী আছে। এই বাহিনী লোকৰ সংখ্যা বৰ্তমান ৭৫০ জন মান হ'ব। ছি·আই· এছ·এফ নিয়োগৰ লগে লগে এই লোকসকলক আন বিভাগত নিযুক্তি দিয়া হ'ব বুলি কৰ্তৃপক্ষৰ তৰফৰ পৰা কোৱা হৈছে। তেওঁলোকে ইচ্ছা কৰিলে ছি· আই· এছ· এফত নিযুক্তি দিয়াৰ ক্ষেত্ৰতো তেওঁলোকক অগ্ৰাধিকাৰ দিয়া হ'ব বুলিও কোৱা হৈছে।

ইউনিয়নৰ তৰফৰ পৰা আপত্তি দৰ্শাই কোৱা হৈছে যে এই লোকসকলে

**মণিৰাম কেওঁট**
ভটিয়াপাৰ (ৰুদ্ৰসাগৰ)



প্ৰায় তিনিবছৰৰ আগেয়েই মোৰ এবিঘা চাৰি কঠা মাটি আয়োগে ললে। প্ৰথম বছৰত শস্যৰ ক্ষতিপূৰণ হিচাপে তিনিশ টকা পালো। খাদটো আৰম্ভ কৰোঁতেই এই টকাখিনি দিলে। তাৰ পাছত বহুতো আবেদন কৰি আছোঁ, কিন্তু আজিলৈকে কোনো ক্ষতিপূৰণ নাপালো। তেওঁলোকে সদায় দিম-দিম বুলি আশ্বাসহে দি থাকে। বৰ্তমান মোৰ বয়সো হ'ল। মাটিখিনিয়েই জীৱিকাৰ সম্বল আছিল। বৰ্তমান অ'ত ত'ত হাজিৰা কাম কৰি অতি কষ্টেৰে কোনোমতে লোন-তেলেৰে এসাজ খাই আছোঁ। হেৰোৱা মাটিখিনিৰ বাবদ ক্ষতিপূৰণখিনি পোৱা হ'লেও জীৱিকাৰ অইন এটা উপায়ৰ কথা চিন্তা কৰিব পাৰিলোহেঁতেন। কমিছনৰপৰা আশ্বাসহে পাওঁ, টকা হলে নাপাওঁ।



OLDISC



আয়োগৰ নাজিৰাত থকা কাৰ্যালয়। শিৱসাগৰ আৰু নাজিৰা নগৰ দুখনৰ উন্নতিকৰণত আয়োগৰ দায়বদ্ধতা নিশ্চয় আছে।

**কমৰুদ্দিন আহমেদ, গেলেকী**



মই ৩৭ আৰু ৩৮ নম্বৰ ড্ৰিল ছাইটৰ বাবে প্ৰায় দহ বিঘা মাটি হেৰুৱাইছোঁ। ইয়াৰ উপৰিও ড্ৰিল ছাইটৰ তেল মিহলি লেতেৰা পানীৰে মোৰ বাৰী ভৰি গৈছিল। তেওঁলোকৰ বিষয়াসকলক অনেক ধৰা-মেলা কৰাতহে (মই ড্ৰিল ছাইট বন্ধ কৰি দিছিলো) পানীখিনি সিঁচাই দিয়ে। কিন্তু সেই লেতেৰা পানীয়ে তামোল, নাৰিকলৰ গছ আদি মাৰি পেলোৱাৰ লগতে কাষতে থকা দুবিঘা মাটিৰ ধান নষ্ট কৰিলে। লেতেৰা পানী সোমাই মোৰ পানীখোৱা আৰু মাছপোহা একমাত্ৰ পুখুৰীটোৰ পানী নষ্ট হৈ যোৱাৰ ফলত গোটেই মাছখিনি মৰি গ'ল। তেওঁলোকৰ ওচৰত অনেক আবেদন-নিবেদন কৰাৰ পাছত মাছৰ ক্ষতিপূৰণ হিচাপে তেৰ হাজাৰ টকা দিয়ে আৰু খোৱাপানীৰ বাবে দমকল বহুৱাই দিব বুলি কয়। কিন্তু দমকলটো আজিলৈকে বহুৱাই নিদিলে। ফলত খোৱাপানী টোপা মই বহু কষ্ট কৰি সংগ্ৰহ কৰিব লগীয়া হৈছে।

তেওঁলোকক সদায় কৈছোঁ, মাটিখিনি একেবাৰে কিনি লওক, নহলে ঠিকমতে ক্ষতিপূৰণ দি থাকক। বৰ্তমান আধি-খন্দুৱালৈ মাটি লৈ খেতি কৰি কোনোমতে খাই আছোঁ। বহুতো ঘূৰা-মেলাৰ মূৰত কিছুদিনৰ আগতে ডাঙৰ ল'ৰাটোক তেওঁলোকে চাকৰি এটা দিছে।

বৰ্তমানৰ পদবীত থাকিলে পদোন্নতিৰ যিখিনি সুবিধা পাব, আন বিভাগ অথবা ছি. আই. এছ. এফলৈ গলে তাৰপৰা বঞ্চিত হ'ব। তদুপৰি নতুন নিযুক্তিৰ বাটো বন্ধ হৈ যাব। কাৰণ মেট্ৰিক পৰ্যায়লৈকে পঢ়া থলুৱা নিবনুৱাসকলৰ নিয়োগৰ অধিক সুবিধা আছে নিৰাপত্তা বাহিনীটোত। এই বাহিনীটোৱেই যদি বন্ধ হৈ যায় তেন্তে সেই নিবনুৱাসকলৰ নিযুক্তিৰ বাটো বন্ধ হ'ব। তদুপৰি এই বাহিনীৰ লোকসকলক আন বিভাগলৈ নিলে সেই বিভাগবোৰতো নতুন নিযুক্তিৰ বাট বন্ধ হৈ পৰিব।

তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ ক্ষেত্ৰত প্ৰচলিত নিয়ম অনুসৰি থলুৱা লোক নিযুক্তি দিব লাগে। আয়োগে এই নিয়ম সম্পূৰ্ণকৈ কেতিয়াও মনা নাই। এতিয়াও ডেৰাডুন বা আন প্ৰকল্পত নিযুক্তি দি ইয়ালৈ বদলি কৰি কৰ্মচাৰী অনাৰ কাম অব্যাহত আছে। ১৯৮৩ চনত ভালেকেইজন ড্ৰাইভাৰ (MVD) তেনেদৰে অনা হৈছিল। তেওঁলোকৰ নিযুক্তি ডেৰাডুনত খালী হোৱা পদৰ বিপৰীতেহে আছিল। সেইসময়ত অসম আন্দোলনৰ বাবে কৰ্মচাৰীসকলৰ অসহযোগৰ কাৰ্যসূচী চলি থকাৰ অজুহাতত তেওঁলোকক অসমলৈ অনা হৈছিল। তেওঁলোকক আজিলৈকে ইয়াৰপৰা ওভোতাই নিয়া নাই। আনহাতে নিযুক্তি বন্ধ ৰখাৰ বিপৰীতে বৰ্তমান হাজিৰা ভিত্তিত (contractual system) কিছুমান লোক নিয়োগ কৰি কাম চলাই থকা হৈছে। তেওঁলোকক মাহে ৫৫০ টকাকৈ দিয়া হয়। তিনিমাহ কৰাৰ পাছত এইলোকসকলে নতুনকৈ আবেদন কৰিব লাগে। তেলখাদ কৰ্মচাৰী এছছিয়েশ্যনে ইয়াৰ বিৰুদ্ধে মাতমাতি আহিছে যদিও এতিয়ালৈকে কৰ্তৃপক্ষৰ গা লৰোৱাব পৰা নাই। আয়োগত বৰ্তমান হাজিৰা-ভিত্তিক নিৰাপত্তা ৰক্ষী,

**কুমুদ বৰুৱা**

স. অ. ছা. স-ৰ ৰুদ্ৰসাগৰ প্ৰাথমিক গোটৰ প্ৰাক্তন সভাপতি



১৯৬৮ চনত আৰ. ডি. এইছ-৫৩ ৱেলত এবিঘা আৰু পাছত আৰ. আই—১ আৰু আৰ. ই. এক্স—১ অত আমাৰ দুকঠা এলেচা মাটি গৈছে। ৫৩ নম্বৰ ৱেলৰ বাবে এবছৰ ক্ষতিপূৰণ পালো। তাৰ পাছত আৰু একো ক্ষতিপূৰণ পোৱা নাই। মাটি যোৱা লোকক চাকৰি দিয়াৰ নিয়ম অনুসৰি সদায় চাকৰি দিম বুলি কয়। তেওঁলোকে সদায় দিব দিব বুলিহে কয় কিন্তু কেতিয়া দিব সঠিককৈ নকয়। এতিয়া সৰু সুৰা ঠিকা-ঠুকলি কৰি কোনোমতে ঘৰখন চলাই আছোঁ। ১৯৮৪ চনৰপৰা এতিয়ালৈকে পাঁচ বাৰ সাক্ষাৎকাৰ দিলো। কিন্তু চাকৰি হলে নাপালো।

লেতেৰা পানীয়ে বাৰীৰ তামোল, ফলমূলৰ গছ নষ্ট কৰি পেলায়।





OKDISCD

কাৰ্যালয় সহকাৰী আৰু আনকি ৰিগমেনো আছে। তেওঁলোকক প্ৰশিক্ষণ দি হাজিৰা-ভিত্তি হিচাপেই ৰাখি থোৱা হৈছে। তদুপৰি একোটা খনন-স্থলীৰ নিৰাপত্তাৰ বাবে একোজন ঠিকাদাৰক নিৰাপত্তাৰো ঠিকা দিয়া হৈছে।

বিষয়া পৰ্যায়ৰ পদৰ বাবে সাক্ষাৎকাৰ ডেৰাডুনত পতাৰ ফলতো স্থানীয় লোকসকল প্ৰায়ে বঞ্চিত হৈ আহিছে। সাক্ষাৎকাৰৰ নামত তাত ভেকো-ভাওনাহে কৰা হয় বুলি সততে অভিযোগ পোৱা হয়। ভালেমান থলুৱা অৰ্হতা-সম্পন্ন প্ৰাৰ্থীয়ে আবেদন কৰা সত্ত্বেও বাহিৰৰ প্ৰাৰ্থীকহে নিযুক্তি দি অসমলৈ পঠোৱাৰ ঘটনা প্ৰায়ে ঘটি থাকে। অলপতে পৰিবহন বিষয়াৰূপে চাৰিজন বাহিৰৰ লোকক নিযুক্তি দি অসমলৈ পঠোৱা হয়। একেবাৰে অনভিজ্ঞ এই লোককেইজনে কামৰ একো ভু নাপাই চাকৰি এৰি থৈ গুচি যায়।

তেল পথাৰৰ বাবে মাটি যোৱা লোকসকললৈ আয়োগে সুবিচাৰ কৰা

**ৰুবেল আলি, গেলেকী**



মোৰ মাটি তিনি কঠা গৈছে। আজি তিনি বছৰেই হ'ল। মাটিৰ বাবদ আজিলৈকে কোনো ক্ষতিপূৰণ নাপালো। তেওঁলোকে সদায় পাব বুলি আশ্বাসহে দিয়ে, পইচা হলে নাপাওঁ। ড্ৰিল ছাইটৰ বাবে মোৰ হাফৰালদিয়া এটা থকা ঘৰ, ভঁৰাল ঘৰ আৰু ছাগলী গড়াল গ'ল। তামোল, মাটি কঠালৰ গছ নষ্ট হ'ল। সেইবোৰৰ বাবদহে ১৪.৫০০ টকা ক্ষতিপূৰণ পাওঁ। হাফৰালৰ ঘৰটোৰ বাবদ ক্ষতি-পূৰণ দিয়া নাছিল। পাছত আপত্তি কৰা হয়। কিন্তু কাৰ্যালয়ে ৬,০০০ কৰাত তাৰ মূল্য ১১,০০০ টকা ধাৰ্য টকাহে দিয়ে।

নাই। ৰুদ্ৰসাগৰ, গেলেকী, লাকুৱা আদিত এনে বহুলোক পালো যি মাটিৰ বাবদ ক্ষতিপূৰণ পোৱা নাই। বেছি-ভাগ লোককে মাটিখিনি লোৱাৰ সময়ত শস্যৰ ক্ষতিপূৰণ হিচাপে (বিঘাই প্ৰতি ৫০০ টকাকৈ) কিছু টকা দিয়া হৈছে। এই ক্ষতিপূৰণ মাটিখিনি স্থায়ীভাৱে নোলোৱা পৰ্যন্ত প্ৰতি বছৰে দিব লাগে। যি মাটিত তেল ওলায় সেইমাটি স্থায়ীভাৱে লোৱা হয়। বাকীখিনিক অস্থায়ী হিচাপত ধৰা হয়। সেইমাটি পাছত ঘূৰাই দিয়া হয়। ঘূৰাই দিলেও সেই মাটি খেতি কৰাৰ উপযোগী হৈ নাথাকে। কাৰণ তাত ডাঙৰ-ডাঙৰ খাল খান্দি, ইটা, বালি, লেতেৰা তেল আদি পেলাই একেবাৰে নষ্ট কৰি পেলোৱা হয়। মাটিখিনি চাফা কৰি লোৱাৰ বাবে বিঘাই প্ৰতি ১৫০ টকা হিচাপত পইচা দিয়া হয়। কিন্তু যি পৰিমাণৰ ক্ষতি হ'ল, তাৰ বিনিময়ত এই টকা একোৱেই নহয়। বহুতে এই টকা-খিনিও পোৱা নাই। বহুতক আকৌ অস্থায়ীভাৱে লোৱা মাটিখিনিও ঘূৰাই দিয়া হোৱা নাই।

জীৱিকাৰ একমাত্ৰ সম্বল মাটি টুকুৰা হেৰুৱাই অনেকৰে একেবাৰে লাওলোৱা অৱস্থা হৈছে। ৰুদ্ৰসাগৰৰ ভটিয়াগাঁৱৰ ৬০ বছৰীয়া মণিৰাম কেওঁটে আক্ষেপ কৰি কয়,— "বৰ্তমান অ'ত-ত'ত হাজিৰা কাম কৰি অতি কষ্টেৰে লোণ-তেলেৰে কোনোমতে এসাজ খাই আছোঁ।"

আনহাতে ক্ষতিপূৰণ হিচাপে পোৱা পইচাখিনি দিয়াৰ ক্ষেত্ৰতো আয়োগৰ বিষয়া-কৰ্মচাৰীয়ে দুৰ্নীতিৰ আশ্ৰয়

**আটাউৰ ৰহমান হাজৰিকা, লাকুৱা**

মোৰ প্ৰায় পাঁচ বিঘা মাটি গৈছে।



মই এতিয়াকৈ শস্যৰ বাবদ প্ৰতি বছৰে দিয়া তিনিটা ক্ষতিপূৰণহে পালোঁ। তাৰ পাছত আৰু ক্ষতিপূৰণ পোৱা নাই। স্থায়ী আৰু অস্থায়ী দুয়োটা ভিত্তিতে মোৰ মাটি গৈছে। স্থায়ীভাৱে ডেৰ বিঘা আৰু অস্থায়ী-ভাৱে চাৰে তিনি বিঘা মাটি গৈছে। স্থায়ীভাৱে যোৱা মাটিখিনিৰ মূল্য আদায় কৰি দিব লাগে যদিও শস্যৰ ক্ষতিপূৰণখিনিহে পাই আছোঁ। শস্যৰ ক্ষতিপূৰণ বছৰি দুটা খেতিৰ বাবদ দিব লাগে যদিও এটাৰ বাবদহে দি আছে। (বৰ্তমান সিও বন্ধ আছে)। মোৰ ঘৰৰ সন্মুখৰ এটুকুৰা খুব ভাল ফচল পোৱা মাটি হেৰোৱা বাবেহে বেয়া লাগি আছে। তাৰ বিনিময়ত উপযুক্ত মূল্য পোৱা হলেও সান্ত্বনা লভিলোহেঁতেন। মূল্যতো নাপাৱেই, বৰঞ্চ তেওঁলোকৰ ওচৰলৈ দৌৰাদৌৰি কৰিহে হায়ৰান হ'বলগীয়া হৈছে।



লয়। ফলত গাঁৱৰ সহজ-সৰল, নিৰক্ষৰ লোকসকলে পোৱা পইচাখিনিও সম্পূৰ্ণকৈ নাপায়। উদাহৰণ স্বৰূপে গেলেকীৰ ৰুবেল আলিয়ে হাফৰালৰ ঘৰটোৰ বাবদ পাবলগীয়া ১১,০০০ টকাৰ ৬,০০০হে আচলতে পায়। বাকীখিনি হয়তো কাৰোবাৰ পকেটত সোমায়।

তেলপথাৰৰ বাবে মাটি যোৱা লোকসকলৰ পৰিয়ালৰ লোকক চাকৰি দিয়াৰ ব্যৱস্থা আয়োগৰ আছে। প্ৰথম অৱস্থাত এনে কিছু লোকক নিযুক্তি দিয়া হৈছিল। কিন্তু পাছলৈ নানা অজুহাতত এনে নিযুক্তিও এৰাই চলিবলৈ চেষ্টা কৰা হয়। এনে এজন লোক ৰুদ্ৰসাগৰৰ কুমুদ বৰুৱাই পাঁচ-বাৰ সাক্ষাৎকাৰ দিও আজিলৈকে চাকৰি নাপালে।


তৈলক্ষেত্ৰৰ বাবে মাটি লোৱাৰ সময়ত প্ৰদূষণ নিয়ন্ত্ৰণ কৰাটো অতীব প্ৰয়োজন। তেল খাদৰ চাৰিওফালে বন্ধা ৰিং বান্ধটোত কেনেবাকৈ ফাট মেলি কাষৰ ধাননি পথাৰলৈ তেল মিহলি লেতেৰা পানী বাগৰি গলেই সেই মাটি টুকুৰাত তিনি-চাৰি বছৰলৈ খেতি নহয়। এনে লেতেৰা পানীয়ে কমৰুদ্দিন আহমেদৰ বাৰীৰ তামোল, ফলমূলৰ গছ, পানী খোৱা আৰু মাছ পোহা পুখুৰীটোৰ পানী নষ্ট কৰি পেলায়।

থলুৱা ঠিকাদাৰসকলৰ প্ৰতিও আয়োগে পক্ষপাতিত্বমূলক আচৰণ কৰা বুলি প্ৰায়ে অভিযোগ পোৱা হয়। শিৱসাগৰ টেক্সি সন্থাৰ সভাপতি মৃদুল কুমাৰ ফুকনৰ মতে,— "কমিছনে পৰিবহন ব্যৱসায়ত সদায় থলুৱা ব্যৱসায়ীক সহায় কৰি আছে বুলি কয়। কিন্তু যেতিয়া টেণ্ডাৰ আহ্বান কৰে তেতিয়া আনেষ্ট মনি হিচাপে ৫০,০০০ টকা বিচাৰে। থলুৱা যুবক এজনৰ পক্ষে ৫০,০০০ টকা দিয়াটো সম্ভৱ নহয়। কেতিয়াবা কেইবাজনো যুবকে মিলি ৫০,০০০ টকা গোটাই জমা দিলেও নানা অজুহাতত কামটো পুৰণি কনট্ৰেক্টৰসকলকে দিয়া হয়।" এই কনট্ৰেক্টৰসকলৰ বেছি-ভাগেই অনা-অসমীয়া। এই ক্ষেত্ৰত আয়োগৰ কিছু দুৰ্নীতি পৰায়ণ বিষয়া-কৰ্মচাৰীৰ লগতে স্থানীয় কিছু কষ্ট কৰিব নোখোজা যুবকো দায়ী বুলি জানিব পৰা গৈছে। এই যুবকসকলে কনট্ৰেক্টটো নিজৰ নামত লৈ অনা-অসমীয়া ব্যৱসায়ী গোষ্ঠীটোক কামটো দি দিয়ে আৰু তাৰ বিনিময়ত তেওঁ-লোকৰপৰা ঘৰতে বহি পোৱা পইচা কেইটা লৈয়েই সন্তুষ্ট থাকে।

কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আটাইবোৰ প্ৰতিষ্ঠানতে খেলুৱৈৰ কোটাত লোক নিয়োগ কৰাৰ ব্যৱস্থা আছে। তেল আৰু প্ৰাকৃতিক গেছ আয়োগেও এনে ভালেমান খেলুৱৈক নিযুক্তি দিছে। কিন্তু অন্যান্য প্ৰতি-ষ্ঠানৰ দৰে তেওঁলোকে এই খেলুৱৈ-সকলক উপযুক্তভাৱে ব্যৱহাৰ কৰিব জনা নাই। তেওঁলোকক খননস্থলীলৈ নি শ্বিফটিং ডিউটি কৰিবলৈ দিয়া হয়। ইভিনিং শ্বিফট, নাইট শ্বিফট আদি কৰিবলগীয়া হোৱাত তেওঁ-লোকৰ খেলা-ধূলাৰ প্ৰতিভা ম্লান হৈ গৈছে। ডুলিয়াজানৰ অইল ইণ্ডিয়াই দিয়াৰ দৰে সুবিধা দিয়াৰ যোগ্যতাও আয়োগে দেখুউৱা নাই।

আলোকচিত্ৰঃ দীপক বেজবৰুৱা

যোগেন ৰাজকোঁৱৰ, লাকুৱা



জি. জি. এছ.—৬, এল. বি—৩, এল. টি.—৩১, এল. টি.—৩২, এল. টি.—২০, (তেল খাদৰ নম্বৰ)

নতুনকৈ হোৱা আন দুটা খাদ মিলি মোৰ প্ৰায় দহ বিঘা মাটি গৈছে। ইয়াৰে দুবিঘা মাটি স্থায়ী ভিত্তিত (Parmanent Act অত) গৈছে। এই মাটিখিনিৰ মূল্য পাব লাগে যদিও এতিয়ালৈকো পোৱা নাই। অস্থায়ী ভিত্তিত লোৱা মাটিখিনি মোক ঘূৰায়ো দিয়া নাই আৰু তাৰ বাবে একো ক্ষতিপূৰণো দিয়া নাই। ঘূৰাই দিলেও এই মাটিখিনি আৰু খেতি কৰাৰ উপযোগী হৈ নাথাকে। দ খাল খান্দি, ইটা-বালি, লেতেৰা তেল আদি পেলাই মাটি টুকুৰা একেবাৰে নষ্ট কৰি পেলালে। তেওঁলোকে যথেষ্ট দিগদাৰী কৰে। মুঠতে পাবলগীয়া— ধৰক দুশ টকা উলিয়াবলৈ হলে আয়োগৰ কাৰ্যালয়লৈ অহাযোৱা কৰোঁতেই চাৰিশমান টকা খৰচ হৈ যায়। প্ৰথমতে শস্যৰ ক্ষতিপূৰণ আৰু rental compensation হিচাপে কিছু পইচা পাইছিলো। ইয়াৰ উপৰিও বছৰেকত আমাক এটা ক্ষতিপূৰণ দি থাকিব লাগে। তাকো দিয়া নাই।

পুলক লাহিড়ীৰ
ক্ৰিকেটৰ সঁাথৰ
মূল্য—১০ টকা
এলবিএছ পাব্লিকেশ্যন
আমবাৰী ঃ গুৱাহাটী-৭৮১০০১

OKDISCD

# ছাইবাৰনেটিকছ আৰু ইয়াৰ প্ৰয়োগ

ক্ষীৰধৰ বৰুৱা

প্ৰায় ডেৰশ বছৰৰ আগেয়ে ফৰাচী পদাৰ্থবিজ্ঞানী আৰু গণিতজ্ঞ আঁদ্ৰে মেৰি এম্পিয়াৰে বিজ্ঞানৰ এটা নতুন শাখাৰ বিষয়ে ধাৰণা কৰিছিল আৰু সেই শাখাৰ বিকাশে সমাজক পৰিচালিত কৰাত সহায় কৰিব বুলি ভাবিছিল। এম্পিয়াৰে সেই শাখাটোৰ নাম দিছিল 'ছাইবাৰনেটিকছ, (Cybernetics)। এই শব্দটো আহিছে গ্ৰিক ভাষাৰ 'কাইবাৰনেটিছ' (Kybernetes) শব্দৰপৰা; ইয়াৰ অৰ্থ হ'ল 'নাৱৰ গুৰিয়াল'। ইয়াৰ দ্বাৰা দেশ বা জাতিৰ কৰ্ণধাৰক নাইবা যন্ত্ৰৰ নিয়ন্ত্ৰক (governor) অংশকো বুজোৱা হয়। এম্পিয়াৰে ছাইবাৰনেটিকছ শব্দটো 'নিয়ন্ত্ৰণ বিজ্ঞান' অৰ্থত ব্যৱহাৰ কৰিছিল।


মাৰ্কিন গণিতজ্ঞ নৰ্বাৰ্ট ৱেইনাৰে (Norbert Wiener) ১৯৫০ চনত 'ছাইবাৰনেটিকছ' নামৰ এখন গ্ৰন্থত আধুনিক বিজ্ঞানৰ এই শাখাটোৰ সংজ্ঞা "প্ৰাণীদেহ আৰু যন্ত্ৰত থকা নিয়ন্ত্ৰণ আৰু যোগাযোগ ব্যৱস্থাৰ অধ্যয়ন" ("Study of control and communication in the animal and the machine") বুলি দিছে। তেওঁৰ বাহিৰেও ক্লড চেনন, জন ভন নিউমেন আৰু আইভান পেভ'লভ প্ৰভৃতি বিশিষ্ট বিজ্ঞানীসকলে এই বিষয়ে গভীৰ অধ্যয়ন কৰি বৰঙণি আগবঢ়াইছে।

ছাইবাৰনেটিকছত জীৱদেহৰ সকলো প্ৰকাৰৰ নিয়ন্ত্ৰণৰ মূল সূত্ৰসমূহ অধ্যয়ন কৰি সেই নিয়ন্ত্ৰণৰ প্ৰক্ৰিয়া আৰু কৌশলবোৰ মানুহৰ প্ৰয়োজন সাপেক্ষে প্ৰযুক্তিবিদ্যা, চিকিৎসাবিজ্ঞান, সমাজ-নীতি, অৰ্থনীতি আদি বিভিন্ন ক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ প্ৰচেষ্টা চলোৱা হয়। এই বিষয়টোত বিজ্ঞানৰ কমপক্ষেও পাঁচোটা শাখাৰ সমন্বয় ঘটিছে। সেয়া হ'ল : গণিত, স্বয়ংক্ৰিয় নিয়ন্ত্ৰণ, লজিক, জীৱবিজ্ঞান আৰু সংযোগ-তত্ত্ব। সেয়েহে বোধহয় বৰ্তমান এই শাখাটোৰ এটা নতুন সংজ্ঞা দিবলৈ চেষ্টা কৰা হৈছে—যাতে সেই সংজ্ঞাত উক্ত আটাইকেইটা দিশ বা বিষয় সোমাই পৰে। বস্তুতে আকৌ আভিযান্ত্ৰিক আৰু জীৱ বৈজ্ঞানিক ছাইবাৰনেটিকছ —এই দুয়োটাকে বেলেগ কৰিও দেখুৱাব খোজে।

## নিৱেশ, উৎপাদন আৰু পুনৰ্নিবেশ :

১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ সময়ত নৰ্বাৰ্ট ৱেইনাৰে সহকৰ্মীবৃন্দৰ সৈতে স্বয়ংক্ৰিয় যন্ত্ৰৰ বিষয়ে পৰীক্ষা-নিৰীক্ষা চলাই আছিল। যুদ্ধখনে তেওঁলোকৰ সেই গৱেষণাৰ গুৰুত্ব বঢ়াই তুলিছিল। সেই সময়ত ইংলণ্ড আক্ৰমণকাৰী জাৰ্মান বোমাৰু বিমানবোৰ কামানৰ সহায়ত ধ্বংস কৰাটো মিত্ৰশক্তিৰ কাৰণে প্ৰত্যাহ্বান-স্বৰূপ হৈ উঠিছিল। বিমানবোৰৰ গতিবেগ আছিল অতি বেছি আৰু সিহঁতৰ গতিপথ প্ৰতি মুহূৰ্ততে এনেভাৱে সলনি হৈছিল যে সিহঁতক ধ্বংস কৰাটো মানৱ-চালিত কামানৰ পক্ষে সম্ভৱ নাছিল। তাৰবাবে দৰকাৰ কামান-নিয়ন্ত্ৰণকাৰী স্বয়ংক্ৰিয় ব্যৱস্থাৰ।


ছাইবাৰনেটিকছ অধ্যয়নৰ মূলতে আছে এনে স্বয়ংক্ৰিয় ব্যৱস্থা সম্পৰ্কে ধাৰণা। এনে স্বয়ংক্ৰিয় ব্যৱস্থাত তিনিটা মূল কাৰ্য জড়িত হৈ থাকে : (১) ইনপুট (input-নিবেশ), (২) আউটপুট (output-উৎপাদন) আৰু (৩) ফিডবেক (feedback-পুনৰ্নিবেশ) ওপৰৰ উদাহৰণটোত যদি যিকোনো মুহূৰ্তত বিমানৰ অৱস্থান 'ক' হয় আৰু কামানৰ মুখখন 'খ' বিন্দুৰফালে থাকে, তেনেহ'লে ক আৰু খ ৰ মাজৰ কৌণিক দূৰত্বৰ ব্যৱধান যিমান বেছি হয়, কামানৰ ব্যৰ্থতা সিমানে বাঢ়িব। কাৰ্যক্ষেত্ৰত এই কৌণিক ব্যৱধান যথা-সাধ্য কমাবলৈ চেষ্টা কৰা হয়। কৌণিক দূৰত্ব হ্ৰাস কৰিবৰ বাবে কামানলৈ যি সংকেত পঠোৱা হয়, সেয়েই হ'ল ইনপুট। সেই ইনপুটে কামানৰ মুখ কি পৰিমাণে বিমানৰ পিনে পোনালে, সেই বাৰ্তা নিয়ন্ত্ৰকলৈ যায়। সেই সংকেতেই হ'ল আউটপুট। আউটপুট অনুযায়ী আকৌ ইনপুট সলনি কৰা হয়। এটা পৰ্যায়ৰ ইনপুটতথ্যই আহি আন এটা পৰ্যায়ৰ আউটপুট নিয়ন্ত্ৰণ কৰে। ইনপুট আৰু আউটপুট মিলি সৃষ্টি হোৱা






স্বয়ংক্ৰিয় ব্যৱস্থাৰ নিয়ন্ত্ৰণক বোলা হয় ফিডবেক। এই তিনিওটা প্ৰক্ৰিয়া চক্ৰবৎ চলি থকাৰ ফলত প্ৰতি মুহূৰ্ততে কামানে বিমানক অনুসৰণ কৰে।

যান্ত্ৰিক ফিডবেকৰ অতি সাধাৰণ উদাহৰণ হ'ল ইঞ্জিনৰ 'গৱৰ্নৰ' ব্যৱস্থা। যান-বাহনৰ ইঞ্জিনৰ গৱৰ্নৰৰ সহায়ত বোজাৰ তাৰতম্য ঘটিলেও গতিবেগ একে কৰি ৰাখিবপৰা যায়। সাধাৰণ ৰেডিঅ'ৰপৰা আৰম্ভ কৰি কম্পিউটাৰলৈকে—বিভিন্ন ইলেকট্ৰনিক যন্ত্ৰত ফিডবেক নিয়ন্ত্ৰণ ব্যৱস্থাৰ প্ৰয়োগ কৰা হয়।




এয়াৰ-কণ্ডিশ্যনিং কৰোঁতে থাৰ্মোষ্টেট ব্যৱহাৰ কৰি এনেধৰণৰ ফিডবেকৰ সহায়ত কোঠাৰ উষ্ণতা নিয়মীয়া কৰি ৰখা হয়। উদাহৰণস্বৰূপে কোঠা গৰম কৰা ব্যৱস্থাত যদি উষ্ণতা কম-বেছি হয়, তেন্তে সি থাৰ্মমিটাৰত ধৰা পৰে। তেতিয়া প্ৰয়োজনীয়-উষ্ণতা আৰু থাৰ্মমিটাৰে দেখুওৱা উষ্ণতাৰ পাৰ্থক্যৰ সমানুপাতিক বৈদ্যুতিক সংকেত এটা প্ৰেৰণ কৰা হয়। সেই সংকেতে এটা ভালভ খুলি বা বন্ধ কৰি ইন্ধন বেছিকৈ বা কমাই আহিবলৈ দিয়ে। তাৰ ফলত কোঠাৰ উষ্ণতা নিয়ন্ত্ৰিত হয়।


## প্ৰাণীদেহত ফিডবেক ব্যৱস্থা :

পুনৰ্নিবেশ বা 'ফিডবেক' এটা সাৰ্বিক প্ৰক্ৰিয়া। ই যন্ত্ৰৰ দৰে জীৱদেহতো জীৱৰ উৎপত্তি কালৰেপৰাই চলি আছে। ৱেইনাৰ প্ৰমুখ্যে বিজ্ঞানীসকলৰ কৃতিত্ব এই খিনিতেই যে তেওঁলোকে যন্ত্ৰ আৰু প্ৰাণী দেহৰ ফিডবেকৰ সাদৃশ্য ধৰিব পাৰিছিল। সেই কাৰণেই বৰ্তমান আমি স্নায়ু বিজ্ঞানৰ পৰা কম্পিউটাৰলৈকে বিভিন্ন ক্ষেত্ৰত তাৰ প্ৰয়োগ দেখিবলৈ পাইছোঁ।

প্ৰকৃতিয়ে বহু নিযুত বছৰৰ আগেয়ে প্ৰাণীদেহত এটা সম্পূৰ্ণ স্বয়ংক্ৰিয় তন্ত্ৰ সৃষ্টি কৰিছিল। তাৰ নাম কেন্দ্ৰীয় স্নায়ুতন্ত্ৰ বা মগজু। মগজুৰ লগত শৰীৰৰ সকলো অংশ স্নায়ুৰ দ্বাৰা সংযুক্ত। প্ৰাণীৰ সকলো প্ৰকাৰৰ অনুভূতি মগজুৰ জৰিয়তে হয়। কালক্ৰমত মানুহৰ মগজুৰ ইমান বেছি বিকাশ হ'ল যে মানুহে জটিল যন্ত্ৰ-পাতিও নিৰ্মাণ কৰিব পৰা হল। কিন্তু মানুহে জনা নাছিল যে যন্ত্ৰৰ দৰে নিয়ন্ত্ৰণ-ব্যৱস্থা এটা নিজৰ দেহতে আছে।

আমাৰ চাল-চলন, আচাৰ-ব্যৱহাৰ আদিৰ লগত জড়িত দৈহিক আৰু

ছাৰ্ভো-মেকানিজম




এই ব্যৱস্থাত ঘাইকৈ এটা সংবেদী উপাদান (ছেনছৰ) এটা বিবৰ্ধক আৰু এটা ছাৰ্ভোমটৰ থাকে। ইনপুটৰ পৰা লাভ কৰা আউটপুট প্ৰয়োজনীয় পৰিমাণতকৈ কিমান কম বা বেছি হয়, তাক ছেনছৰে নিৰ্ণয় কৰে। সেই সংকেত বিবৰ্ধিত হোৱাৰ পাছত ছাৰ্ভোমটৰে সেই ত্ৰুটিৰ পৰিমাণ যথা-সম্ভৱ শূন্য কৰিবলৈ চেষ্টা কৰে। ছাৰ্ভোমেকানিজম কৌণিক দূৰত্ব, উষ্ণতা বেগ, ত্বৰণ আদি নিয়ন্ত্ৰণ কৰিবলৈ প্ৰয়োগ কৰা হয়। প্ৰয়োজন অনুযায়ী সংবেদী উপাদান হিচাপে জাইৰোস্কোপ, থাৰ্মমিটাৰ, আলোক-বৈদ্যুতিক কোষ আদি বিৱৰ্ধক হিচাপে সচৰাচৰ ইলেকট্ৰনিক ব্যৱস্থা, আৰু ছাৰ্ভোমটৰ হিচাপে বৈদ্যুতিক মটৰ বা হাইড্ৰলিক পিষ্টন ব্যৱহাৰ কৰিব পাৰি।



OKDISCD

মানসিক কামবোৰো ফিডবেক ব্যৱস্থাই নিয়ন্ত্ৰণ কৰে। এজন মানুহে মেজত থকা পানী এগিলাছ হাতেৰে ধৰি মুখৰ ওচৰলৈ অনা কামটোতে চকু, হাত আদি আৰু মগজুৰ মাজত অবিৰতভাৱে বহুত কৰ্তাৰ আদান-প্ৰদান ঘটে। যেনে—বাহুটো ঠিকমতে পোনাই ধৰা, হাতখন মেলি দিয়া আৰু সঠিক দিশত নিয়া, গিলাছটো খামোচ মাৰি ধৰা, গিলাছৰ উষ্ণতা আৰু ওজন অনুভৱ কৰা, পানীখিনি চকুৰে নিৰীক্ষণ কৰা ইত্যাদি। ইয়াৰ প্ৰতিটো স্তৰৰ সংকেত মগজুলৈ গৈ ঘূৰি অহাৰ পাছতহে পৰবৰ্তী স্তৰৰ কাৰ্য আৰম্ভ হয়। নকলেও হ'ব যে প্ৰতিটো কাৰ্য অতিশয় কম সময়ৰ ভিতৰতে সুসমন্বিতভাৱে সম্পাদিত হয়।

প্ৰাণীদেহৰ কোটি-কোটি কোষৰ প্ৰত্যেকেই একোটা স্বনিয়ন্ত্ৰিত গোট। এই কোষবোৰেই ৰক্তচাপ আৰু দৈহিক উষ্ণতা নিয়মীয়া কৰি ৰাখে, পাচক ৰসৰ সংযুতিৰ সমতা ৰক্ষা কৰে, হৃদযন্ত্ৰ আৰু হাওঁফাওঁৰ ছন্দময় গতি অব্যাহত ৰাখে আৰু তেনে ধৰণৰ এশ এবুৰি অপৰিহাৰ্য কাম সম্পাদন কৰে। এই সকলো কামতে প্ৰাণীদেহে ফিডবেক কৌশল প্ৰয়োগ কৰে। মুঠতে যন্ত্ৰ আৰু জীৱকোষ উভয়ৰ ক্ষেত্ৰতেই একে ধৰণৰ নিয়ন্ত্ৰণ ব্যৱস্থাই কাম কৰি আছে।

**বায়'নিক্‌ছ ঃ প্ৰকৃতিক অনুকৰণ কৰা বিজ্ঞান**

ছাইবাৰনেটিকছৰ যিটো শাখাত জীৱদেহৰ নিয়ন্ত্ৰণৰ কলা-কৌশল অধ্যয়ন কৰি সেই আহিৰে ইলেকট্ৰনিক যন্ত্ৰপাতি নিৰ্মাণ কৰা হয়, তাৰ নাম বায়'নিক্‌ছ (Bionics)। বায়'লজি আৰু ইলেকট্ৰনিকছ এই শব্দ দুটা লগ লগাই 'বায়'নিক্‌ছ' শব্দটো তৈয়াৰ কৰা হৈছে। প্ৰকৃতিৰ বুকুত থকা সৰহ ভাগ প্ৰাণীয়েই স্নায়ুতন্ত্ৰৰ সহায়ত বিভিন্ন উৎসৰ পৰা অহা বাৰ্তা গ্ৰহণ কৰি কাম-কাজ চলায়। স্নায়ুতন্ত্ৰৰ মৌলিক উপাদান হ'ল 'নিউৰন'। ইয়াক অতি উন্নত আৰু সূক্ষ্ম ইলেকট্ৰনিক বৰ্তনীৰ লগত তুলনা কৰিব পাৰি। প্ৰাণীদেহত এই নিউৰনবোৰ বিভিন্ন প্ৰকাৰে সংযুক্ত আৰু সজ্জিত হৈ থাকে; তাৰ ফলতে প্ৰাণীয়ে অনুভৱ কৰা, বিশ্লেষণ কৰা, আত্মৰক্ষা কৰা, সঠিকতা নিৰ্ণয় কৰা প্ৰভৃতি ক্ষমতা লাভ কৰে।

উদাহৰণস্বৰূপে, বাদুলি, ফেঁচা, মকৰা, ডলফিন আদিৰ দেহত আন্ধাৰতো সমুখৰ বাধাৰ উমান পাব পৰা ব্যৱস্থা আছে। তাৰ অনুকৰণতেই ছ'নাৰ (sonar) যন্ত্ৰৰ উদ্ভাৱন সম্ভৱ হৈছে। ইয়াৰ সহায়ত সাগৰত মাছৰ জাকৰ অনুসন্ধান কৰিব পাৰি। অন্ধলোকেও ছ'নাৰৰ সহায়ত চলা ফুৰা কৰিব পাৰে। 'ৰাডাৰ' যন্ত্ৰৰ মূলসূত্ৰও ইয়াৰ লগত একে।

বহুতো গৱেষকৰ মতে মকৰীৰ পেশীতন্ত্ৰৰ চলন ডাঙৰ যন্ত্ৰ-পাতিতকৈও উন্নত। এইদৰে জন্তুৰ পেশীতন্ত্ৰৰ অনুকৰণ কৰি নিৰ্মাণ কৰা যন্ত্ৰক ছাইবাৰনেটিক এন্‌থ্ৰ'প'মৰফিক মেছিন (Cybernetic Anthropomorphic Machine বা C.A.M.) বোলা হয়। এনেকুৱা যন্ত্ৰই যান্ত্ৰিক ঠেঙেৰে ওখ-চাপৰ ঠাইৰ ওপৰেদিও ঘণ্টাত ৫৫ কি. মি. বেগেৰে যাব পাৰে।

বায়'নিক্‌ছ বিশেষজ্ঞসকলে বিভিন্ন জীৱ-জন্তুৰ ইলেকট্ৰনিক আহি তৈয়াৰ কৰি একোখন ইলেকট্ৰনিক চিৰিয়াখানাই নিৰ্মাণ কৰি পেলাইছে। সেই জন্তুবোৰৰ আচৰণ জীৱন্ত প্ৰাণীৰ দৰেই। তাৰ দ্বাৰা তেওঁলোকে বিভিন্ন জন্তুৰ আচৰণ, দৈহিক নিয়ন্ত্ৰণ-কৌশল আদি সম্যকভাৱে অধ্যয়ন কৰাত সুবিধা হৈছে। বিভিন্ন প্ৰজাতিৰ জন্তুৰ দেহৰ জটিল গঠন সম্পৰ্কে জানি মানুহে ভৱিষ্যতবাণীও কৰিব পাৰে,— মানুহৰ হস্তক্ষেপে তাৰ অস্তিত্বৰ ওপৰত কিমান প্ৰভাৱ বিস্তাৰ কৰিব।

এসময়ত চৰাইৰ গাৰ গঠন, আকৃতি, ওজন আদিয়ে মানুহক সুবিধাজনক উৰণ-যন্ত্ৰ নিৰ্মাণ কৰিবলৈ প্ৰেৰণা দিছিল। বৰ্তমান জাপানীসকলে লক্ষ্য কৰিছে যে তিমি মাছৰ আকৃতিত নিৰ্মাণ কৰা জাহাজৰ বেগো বেছি আৰু সেইবোৰত ইন্ধনৰ খৰচো কম। ৰুছসকলে পেংগুইন চৰাইৰ আকৃতিত এখন অতি বেগী বৰফ-যান তৈয়াৰ কৰিছে। বিজ্ঞানীসকলে কেঁকোৰাৰ চকু অধ্যয়ন কৰি এটা অতি উন্নত টেলিভিশ্যন কেমেৰা তৈয়াৰ কৰিছে, আৰু মৌমাখিক অনুকৰণ কৰি উন্নত গতিবেগ-নিৰ্ণয়ক আৰু দূৰত্ব-নিৰ্ণয়ক যন্ত্ৰ তৈয়াৰ কৰিছে।

ৰুছ বিজ্ঞানীসকলে জীৱন্ত কোষৰ ইলেকট্ৰনিক আহি নিৰ্মাণ কৰি প্ৰ'টিন সংশ্লেষণৰ ৰহস্য, কোষৰ ওপৰত বিভিন্ন ঔষধ আৰু ৰাসায়নিক দ্ৰব্যৰ প্ৰভাৱ আদি সম্পৰ্কে অধ্যয়ন কৰি আছে। আনকি কৃত্ৰিম নিউৰন কোষ তৈয়াৰ কৰিবলৈও বিজ্ঞানীসকল সমৰ্থ হৈছে। সেইবোৰৰ নাম দিয়া হৈছে ইৰ্‌ট্ৰন, মেমিষ্টাৰ, ছাইবাৰট্ৰন, পাৰ্‌চিপট্ৰন ইত্যাদি।

এখন মহাকাশযান ওপৰলৈ উৰা মাৰোঁতে যেতিয়া ত্বৰণৰ পৰিমাণ অত্যধিক হয়, তেতিয়া তাৰ ভিতৰত থকা মহাকাশচাৰীৰ ওজন বৃদ্ধি পায়। তেনে অৱস্থাত তেওঁৰ অংগ-প্ৰত্যংগবোৰ ইমান গধুৰ হৈ পৰে যে, সেইবোৰ দাঙিবকে নোৱৰা হয়। এনে ক্ষেত্ৰত ইলেকট্ৰনিক মাছ্‌ল্‌ বুষ্টাৰ (electronic muscle booster) নামৰ যন্ত্ৰ এটাই মগজুৰ পৰা অহা সংকেত গ্ৰহণ কৰে আৰু ই গধুৰ হৈ পৰা অংগ-প্ৰত্যংগক নিজে নিজে লৰচৰ কৰাত সহায় কৰে।

**সম্ভাৱনাময় ভৱিষ্যত**

বৰ্তমানলৈকে ছাইবাৰনেটিক্‌ছৰ যি উন্নতি আৰু প্ৰয়োগ হৈছে, সি অতি সীমাবদ্ধ। কিন্তু ভৱিষ্যতৰ প্ৰচুৰ সম্ভাৱনা লুকাই আছে বৈচিত্ৰ্যময় প্ৰাণীজগতৰ মাজত। প্ৰকৃতিৰ বুকুত অতিশয় সূক্ষ্ম অনুভূতিসম্পন্ন প্ৰাণী অলেখ আছে। পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমি ফুৰা যাযাবৰী চৰাই-

৪৯ পৃষ্ঠাত চাওক





# বিহু

ড° বিকাশ বৰুৱা

বাইদেউৰ ঘৰত মহা হুলস্থুল। তেনেই বিহু সন্মিলনৰ সাংস্কৃতিক সন্ধিয়াৰ নিচিনা পৰিবেশ। মানুহে গিজ গিজ,—খবৰ কৰিবলৈ অহা, এনেই ৰেহ-ৰূপ চাবলৈ অহা, ইউজুৱেল দেওবৰীয়া আলহী, ৬-৭ টা হাজিৰা মানুহ মেকানিক···

বাইদেউ অনৰ্গল টাকুৰী ঘূৰাদি ঘূৰিয়েই আছে। ভিনীহিয়ে মানুহবোৰৰ সতে জন-সম্পৰ্ক ৰক্ষা কৰিছে। ভুজনমানে লেকচাৰকেই মাৰি আছে।···

উৎসৱটো আন একো নহয়। বাইদেউহঁতে এটা টিভি কিনিলে। আজি এন্টিনা ফিট কৰিব। ৰামলাল শিউপ্ৰসাদে বাইদেউক কৈ পঠাইছে,—"মাইজী আপ্‌নাক ফাষ্টকিলাছ মেকানিক দিছু, চিন্তাই নাই কৰিব।"

গধুলিকে' ছিনেমা চাবলৈ পামতো ?

হঁা হঁা জৰুৰ পাই যাব··

গতিকে বাইদেউৰ ঘৰত পুৱাৰ পৰাই বিহু আৰম্ভ হৈ গৈছে। জাপান, জাৰ্মেনি, ৰাছিয়া-আমেৰিকাত প্ৰথম যেতিয়া টিভি ওলাইছিল, তাতো চাগে' চবৰে বিহু লাগিছিল। তাত ওলোৱাৰ বহু বছৰ পাছত দিল্লী-বম্বেত আৰু তাৰো ডেৰযুগমান পাছত গুৱাহাটীত টিভিৰ আগমণক লৈ সাংঘাতিক ফুৰ্তি হৈছিল। সেই ফুৰ্তিটো বৰ্তমানে যোৰহাটত চলি আছে। গতিকে বাইদেৱেও ৰসতে নাম থৈ···

জেকিক লৈ বাইদেউৰ পিছে-পিছে বাঁহনি ডৰা পালোগৈ। জেকিৰ পূৰা নাম মাইকেল জেকচন, কানাডাৰ ল'ৰা। গৱেষণাৰ কামত ভাৰতত আছেহি। সময় পালেই তাক অলৈ-তলৈ নিওঁ।

বাঁহনিত গৈ আমি চবেই ডিঙি-মেলি-মেলি এডাল পোন আৰু ওখ বাঁহ বিচৰাত লাগিলো। মেকানিকে কৈ দিছে, মিনিমাম ৫০ ফুট লাগেই। গতিকে জাতিৰ মাজত নোলাল। ভলুকাৰ বংশৰ পৰা এডাল লম্বোদৰক গুড়িতে কাটি এক ঘণ্টামানৰ টনা-আজোৱাৰ অন্তত জেঙে-চেঙে বাহিৰলৈ উলিওৱা হ'ল। জেকিয়েও ধৰি-মেলি দিলে। দূৰদৰ্শনৰ দৰে অত্যাধুনিক বস্তু এটাৰ লগত এই জেংপূৰ্ণ ভলুকাডালিৰ কি সম্বন্ধ হব পাৰে, সি মনতে গুণা-গঁথা কৰি থাকিল।

আগচোতালত ভলুকাক দীঘলে-দীঘলে পেলাই লৈ মেকানিকে মূৰৰ পৰা ভৰিলৈকে জুখিলে।

ছয়চল্লিছ ফুটতকৈ অলপ বেছি। হ'ব দিয়ক। অন্ততঃ জোৰা দিয়াৰ ঝামেলাটো নাই। আনৰ ঘৰত কিনা বাঁহৰ যিহে গোট, দুডাল লাগেই ···

ডালিমগুটীয়া হাঁহি এটা বাইদেউৰ মুখৰ পৰা অট'মেটিক ওলাই আহিল। বাৰীতে বাঁহ থকাৰ, আৰু, এক পৰ্ব শেষ হোৱাৰ হাঁহি।

ছাৰ, ৰচিখিনি দিয়ক।

২ মুঠা নাইলনৰ ৰচি ভিনীহিয়ে ভিতৰৰ পৰা উলিয়াই দিলে। ঈ···ঈ···! এইখিনিয়ে নাপাবগৈ ছাৰ। চাৰিফালে চাৰিডাল বান্ধিব লাগিব নহয় ! নহলে বতাহত ধ্ৰাউম্‌কে' সৰি পৰিব।

তেনেহলে এতিয়া কি কৰোঁ ? দেওবাৰেতো দোকানো বন্ধ !

নহয় ছাৰ, চকবজাৰৰ পিছফালে পাই যাব···

স্কুটাৰখন লৈ ভিনীহিয়ে চকবজাৰলৈ ঢপলিয়ালে।

সাতটা পঁচিছ টকীয়া হাজিৰা মানুহ, গৃহস্থ, আলহী, ওচৰ চুবুৰীয়া, খবৰ কৰোঁতা—এই সকলোৰে দিহা-পৰামৰ্শ, হেলো-হেইছাহ্‌, চিঞৰ-বাখৰ আৰু সন্মিলিত প্ৰচেষ্টাত, অৰ্থাৎ গাৰ জোৰত এঘণ্টামান পাছত ভলুকা মাটিৰ ওপৰত লম্ব হ'ল।

আকাশৰ বুকুত সোমাই পৰা ভলুকাৰ মূৰটোলৈ জেকিয়ে চাই থকা দেখি ভাগিনটোৱে মাত লগালে—

কি হ'ল আংকোল, ইন্‌ছাটৰ লগত এই ভলুকাডালৰ কি সম্বন্ধ তাকে ভাবি আছানেকি ? আমাৰ ভলুকা সাংঘাতিক বস্তু, জানিছানে নাই ? পোনে পোনে ইন্‌ছাটৰ পৰা টেলিভিশ্যনৰ ৱে'ভবোৰ ধৰি লৈ আহে।

ছাৰ, আপোনালোকৰ এইটো এৰিয়াত এন্টিনা নাজিৰা নে ইটানগৰ বাৰু ? —মেকানিকে সুধিলে।

নাজিৰা। ইটানগৰৰ ঠিক নাই, কেতিয়াবা বৰ বেয়া আহে।

ৰব, তেনেহলে নাজিৰাৰ ডাইৰেক্‌ছনটো মই দুঘৰমানত চাই আহোঁগৈ। নতুন ঠাইত ফতকৰে পুব-পশ্চিম ধৰা বৰ মস্কিল।

'নাজিৰা' শব্দটো একইবাবাৰো শুনি মাইকেল জেক্‌ছনে সুধিয়েই পেলালে,—"নাজিৰা কি বস্তু ?" সি কিবা ছেটেলাইট বা উপগ্ৰহ বুলিয়েই ভাবিছিল নেকি !

তাক বুজালো যে যোৰহাটৰ পৰা নিয়েৰেষ্ট ৰিলে কেন্দ্ৰ নাজিৰা আৰু ইটানগৰত আছে। আমাৰ এইডোখৰত নাজিৰাৰ ৰিছেপশ্যন ভাল। গতিকে এন্টিনা নাজিৰালৈ মুখ কৰি থাকিব।

—নাজিৰা কি খুব ডাঙৰ ছিটি নেকি ? পপুলেশ্যন কিমান ?

নাজিৰা কিমান ডাঙৰ, কি কথা তাক বুজাই কলো।

—তেনেহলে ? নাজিৰাত যে ৰিলে কেন্দ্ৰ হ'ল, যোৰহাটত নহ'ল কিয় !

হাঁয় বিধি ! কি উত্তৰ দিয়া যায় ! ভিনদেৱে কলে,—"যোৰহাটখন চেহেৰাই পাতিয়ে ডাঙৰ ঠিকেই, পিছে ইয়াৰ বিশেষ ধৰণৰ তেনে কোনো ডাঙৰ মানুহ নাই।"

—আৰু নাজিৰাত ? —আছে। আছিল। ভিনদেউ বেছি ডিটেইলছলৈ নগল।

জেকছন চোকা ল'ৰা। বাকীখিনি নোকোৱাকৈয়ে সি কিবা এটা বুজি পালে। ঠাইযে আচল বস্তু নহয়, মানুহ হে আচল বস্তু, সেইটো কিন্তু সি ঠিক বুজিলে যেন লাগিল।

বাইদেৱে আমাক জোৰ কৰি ৰখালে, ছিনেমাখন হেনো চাই আহিব লাগে। থাকিলো, পিছে ঠিক চবেই আহি টি. ভি. টোৰ সমুখত বহিছেহি মাত্ৰ, —তেনেতে 'কাৰেণ্ট' গ'ল।



OKDISCD

লগে লগে চৌদিশৰপৰা স্ফুট আৰু অস্ফুট অসংখ্য শব্দ উফৰি আহিল। আটাইবোৰ শব্দ লগ লগালে ভাবটো এনে প্ৰকাৰৰ —ছেঃ গ'ল এইডাল, মৰিবলৈ আৰু সময় নাপালে! ইমমান ভাল ছিনেমাখন আছিল আজি! হ'ল আৰু! গোটেই দিনটোৰ পৰিশ্ৰম এনেই গ'ল!

লেম এটা আগত লৈ এ. এছ. ই. বি-ৰ চৈধ্য পুৰুষ উদ্ধাৰ কৰি মানুহবোৰ হামিয়াই-হিকটিয়াই বহি থাকিল। উৰহৰ খং ভগা ঢাৰিত জাৰিবলৈ এজনে টি. ভি. টোকে গালি পাৰিলে —"মিচাকৈ' এইডাল, কিটো আছে, চাবোনৰ বাকচ! বেলেগ গ্ৰহৰপৰা প্ৰাণী এটাই আহি আমাৰ ইয়াত টি. ভি চালে ভাবিব যে ইহঁতে চৰিবছ ঘণ্টা কেৱল ধোৱা-পখলাকে কৰি থাকে অনবৰত থালি গা ধোৱা, চেম্পু কৰা, কাপোৰ ধোৱা, বাচন ধোৱা··· ''

তেওঁক 'জেক' দিবলৈকে ভিনদেৱে মাত লগালে,— "ঠিক কৈছে, লগতে সেই ক'ল্ড ড্ৰিংকছৰ বটল কেইটা! যেন ধুতি-পঞ্জাবী পিন্ধি, বা হাই হুইকে' ইংৰাজী নকলে পানী টোপা খাবই নোৱাৰি, ইস্!"

আৰু সিফালে ৰাষ্ট্ৰীয় কাৰ্যক্ৰম মানে কেৱল ৰাজীৱৰ মুখখন। হ'ল খুলি সেইখনকে কিমান চাই থাকিবা।

সেইদিনা লাইট নাহিলেই। আঠটামান বজাত মই আৰু জেকি আহিবলৈ ওলালো। ভাগিনটোৱে কেটেপকৈ মাত লগালে— "জেকিদাদা, আপোনালোকৰ ফালে বিজ্ঞানৰ খুব উন্নতি হৈছে নহয়, চাবচোন ক'ৰবাত কেৰাছিন বা মমবাতিত চলা টি. ভি. পাইনেকি।"

লাইট সোমেও নাহিল। মণ্ডলে এঘণ্টামান আছিল, চবেই টি. ভি. ত প্ৰথম 'ছবি' ওলাইছে বুলি উৰাইঘূৰাই 'কৃষি দৰ্শন'কে চালে, এনেই হলে সেইবোৰ কোনেও নাচায়! বুধে আঠ মান বজাত এপাক মাৰিলো। চিত্ৰহাৰ। পপুলাৰ প্ৰগ্ৰেম। মানুহো ভালেমান। সকলোৱে চকু থৰ।···'ঐ অমিতাভ, অমিতাভ! সেয়া মিথুন! শ্ৰীদেৱী! ছিনেমাখন কি অ'?' সকলোৰে ফুৰ্তি; —শ্ৰীদেৱীহঁতে আহি ঘৰতে নাচি আছেহি! কিন্তু জেকিৰ চকু বিস্ময়ত ৰবাব টেঙাটোৰ সমান হল। সি অবাকহৈ দৰ্শকৰ চকুবোৰলৈ চালে,— এইবিলাক চকু নে এক্স ৰে'? পৰ্দাত ওলোৱা দেহাটো মতা নে মাইকী তাকেই ধৰিব নোৱাৰি। অনবৰতে ঝৰঝৰকৈ বৰষুণ এজাকৰ নিচিনা হৈ আছে, মাজে মাজে খেৰেক-খাৰাক বিৰাট-বিৰাট শব্দ। ৰাজীৱে ভাষণ দি আছেনে অমিতাভে গান গাই আছে, ছবি চাই বুজাৰ উপায় নাই। 'টি. ভি. চাওঁতাসকল সাংঘাতিক বস্তু' —জেকিয়ে মনতে ভাবিলে, 'মানুহ চিনি পোৱাৰ টেৰিফিক কেপাছিটি এওঁলোকৰ!'

"এইবাৰ ৰিলে ষ্টেছনটো হবগৈ আৰু, তেতিয়া···"

"এঃ থৈ দিয়া, এতিয়ালৈকে দহবাৰমান শুনিলো সেইষাৰ কথা, দেখিলেহে লেখিম।"

"নাই, এইবাৰ হ'বই। সংসদত মন্ত্ৰীয়ে নিজে কৈছে।"

"দিলেও হব পায় নতুন দিব? শ্বিলঙৰ মামৰে খোৱা ছেকেণ্ড হেণ্ডটো দিব। সেই ঘেগেলাটো আনোতেই জখলাবন্ধা, বোকাখাট মানতে নটবল্টু, লোহা-লক্কৰ সৰি আদায় হবগৈ। কণা হাঁহক পতান!"

নতুন টিভিৰ ৰোমাঞ্চটো বেছি দিন নিটিকিল। এদিন শুনা গল মুঠেই ঘেৰ-ঘেৰ শব্দ। ছবিও নাই, মাতো নাই। পকাৰ পৰা বস্তু আটাইকেউটা পকাই-জকাই চোৱা হল —ওঁহো। এসপ্তাহমান বাইদেৱে মনচন মাৰি থকাৰ অন্তত ভিনীহিয়ে মেকানিক এজন লৈ আহিল। অজস্ৰ পৰীক্ষা-নিৰীক্ষাৰ শেহত মেকানিকে ঘোষণা কৰিলে—বুষ্টাৰ গ'ল, এণ্টিনা নমাব লাগিব।

দুদিনমান পাছত নমতাকৈয়ে আন এজন 'মেকানিক' আহিল। টিভিৰ ভিতৰে-বাহিৰে জোৰ তদন্ত চলিল আৰু শেহত তেওঁ গৰ্জি উঠিল—কোনে কোনে চুইছিল টিভি?

অমুকে।

একদম খতম কৰি থৈ গৈছে।

এতিয়া কি হব?

এণ্টিনাডাল নমাবই লাগিব, টিভিও ভাল কৰিব লাগিব।

আকৌ হাজিৰা মানুহ, নাৰিকলৰ ৰচি, হেলো হেইছাহ ° °। যিডাল ভলুকা প্ৰথমদিনা লম্ব কৰিবৰ সময়ত বিশ্বজয় কৰা যেন লাগি গৈছিল, সেইডাল মুঠতে ৭.৮ বাৰ নামিল আৰু উঠিল। বাৰিষাৰ দিনকেইটাত প্ৰতিটো ঢেৰেকণিতে 'বুষ্টাৰ গ'ল'।

এনিশা ৰৱদৈচিলাৰ দৰে ধুমুহা এজাক আহিল। পাছদিনা পুৱা দেখিলো ভলুকাডাল মাজতে ভাগি ছুমোকোত হৈ মাটিত পৰি আছে!

এইবাৰ ভলুকালৈ কোনেও কেৰেপকে কৰা নাই। পৰি আছে। থাক পৰি বাপ্পকে। টিভি নাচালে মানুহ নমৰে নহয়!

### সম্পাদকৰ কোঠালিত

বন্ধু: দূৰদৰ্শনত স্নুবহ নামেৰে ধাৰাবাহিক নাটক এখন দেখুউৱা হৈছে। চাইছানে? দিল্লীৰ বৰমূৰীয়া কেইজনমানৰপৰা আৰম্ভ কৰি দেশখনৰ বহুতে হৈ-চৈ কৰিছে,— এই লানি নাটক ক্ষতিকৰ; ইয়াত ড্ৰাগ খোৱা, যুবকসকল অধঃপতনে যোৱা আদিৰ কথা আছে। এই হৈ-চৈ হ'ল হ'ল ঘটনা নম্বৰ এক। ইফালে ৰামায়ণ নামৰ আৰু এখন ধাৰাবাহিক নাটক দেখুউৱা হৈছে। কিছুমান তিৰোতা মানুহে বোলে নাটকখন আৰম্ভ হোৱাৰ আগে-আগে,— দেওবাৰে পুৱা চাৰে ন বজাত— টেলিভিশ্যনৰ পৰ্দাৰ আগত পূজা দিয়া আৰম্ভ কৰিছে। এইটো হ'ল ঘটনা নম্বৰ দুই।

এতিয়া মই কলো,— দুয়োটা ঘটনাই সমানে গণ্ডগোলীয়া আৰু বেয়া।







# নিৰ্বান্ধৱ

মনোজ কুমাৰ গোস্বামী

আবেলি অফিছৰ পৰা ঘূৰি আহোঁতে বিষ্ণু দত্তই এখন নতুন ইনলেণ্ড লেটাৰ কাৰ্ড হেৰাই পালে। গলিৰ মোৰটোত তেওঁ সোমাবলৈ লৈছিল, শ্লথ খোজ, অফিছৰ স্তুপীকৃত ফাইলৰ ধূলি আৰু দুৰ্গন্ধ তেওঁৰ গাত, মাটিত পৰি থকা ইন্‌লেণ্ড লেটাৰ কাৰ্ডখন আগত লৈ তেওঁ এক মুহূৰ্ত ৰ'ল। চাৰিওফালে চালে। শূন্য এটা গলি, কিছুদূৰত এখন পৰিত্যক্ত ঘোঁৰাগাড়ী, এখন বন্ধ পাণদোকান, ৰাস্তাৰ কাষত এশাৰী ষ্ট'নচিপচৰ দ'ম, আৰু অদূৰৰ পাৰ্কখনৰপৰা এজাক ক্ৰীড়াৰত ল'ৰাছোৱালীৰ উল্লাসিত কলৰ্‌ৱ উৰি আহিছে।

বিষ্ণু দত্তই ইন্‌লেণ্ড লেটাৰ কাৰ্ডখন তুলি ললে, তৰ্জনী আৰু বুঢ়া আঙুলিৰে। যদিও বৰ অপ্ৰয়োজনীয় বস্তু যেন লাগিল এই নীলা কাগজটুকুৰা, তথাপি তাক তেওঁ চোলাৰ জেপত ভৰাই থলে।

তেতিয়া পৃথিৱীৰ শৰীৰৰ পৰা ক্ৰমশঃ চাৰিওপিনে আন্ধাৰ বিয়পি পৰিছে। ক্লান্ত খোজেৰে বিষ্ণু দত্ত ঘৰৰ সমুখ পালেগৈ। চোলাৰ জেপত খেপিয়াই চাবিপাত উলিয়াওঁতে ইনলেণ্ড লেটাৰ কাৰ্ডখনৰ স্পৰ্শ তেওঁৰ হাতত লাগিল। দুৱাৰখন খোলাৰ লগে লগে কোঠাটোৰ শূন্যতাই তেওঁক আদৰণি জনালে। লাইটটো জ্বলালে তেওঁ। অলস দৃষ্টিৰে চাই তেওঁ দেখিলে, ঘৰটোৰ বেৰত মকৰাজাল, চুকত চিগাৰেটৰ খালী বাকচ, দুৱাৰৰ ওচৰত হকাৰে দলিয়াই থৈ যোৱা বাতৰি কাকত, মেজত আৰু বিছনাত খেলিমেলি হৈ থকা অফিছৰ ফাইল আৰু কাগজ, আলনাত আৰু বেৰৰ হেঙাৰত বিভংগ ভংগীৰে কেইটামান চোলা আৰু পেণ্ট···।

গাৰ পৰা চোলাটো খুলি আলনালৈ দলিয়াবলৈ লৈ বিষ্ণু দত্ত ৰ'ল। চোলাটোৰ জেপত থকা ইনলেণ্ড লেটাৰ কাৰ্ডখনে খচমচাই উঠি তাৰ অস্তিত্ব জনাই দিছে। জেপৰ পৰা উলিয়াই, ভাঁজ খুলি তেওঁ সেইখন মেজৰ ওপৰলৈ দলিয়াই থলে। চাহ কাপৰ যোগাৰটো কৰি, মুখ হাত ধুই উঠি বিষ্ণু দত্তই তেওঁৰ অৱসাদগ্ৰস্ত দেহ বিছনাত পেলাই দিয়ে। ওপৰৰ

চালখন কিছু উৰুথিছে, আজিকালি অলপ বতাহ-বৰষুণ দিলেই পানীৰ চিটিকনি সোমাই আহে। তেওঁ ভাবিলে, —ভাৰাঘৰৰ মালিকক কথাটো আকৌ এবাৰ কব লাগিব। মজিয়াখনো ফাটি-চিটি গৈছে। আজিকালি ঘৰটোৰ ভিতৰত তেওঁ অনবৰত এটা সেমেকা শীতলতা অনুভৱ কৰে।

লাহে লাহে ক্ষয় যোৱা এটা ঘৰ, তাৰ ভিতৰত লাহে লাহে ক্ষয় যোৱা এটা মানুহৰ ৰূপত বিষ্ণু দত্ত পৰি থাকে। দৈহিক আৰু মানসিক শক্তি-বোৰ ক্ষীয়মান ; —হাত মেলিলেই চুকি পোৱাতে বাতৰি কাকতখন আনি থোৱা আছে যদিও পৃথিৱীৰ সমস্ত খবৰ এতিয়া তেওঁৰ নিস্প্ৰয়োজন যেন বোধ হৈছেগৈ। এইদৰে বিছনাত পৰি থাকিলে কিছুসময়ৰ পাছতে তেওঁৰ টোপনি আহিবগৈ, কিন্তু এতিয়া তেওঁ নিশ্চিত যে তেওঁ আৰু কোনোধৰণৰ সপোন দেখা নাপায়।

এক ভয়ংকৰ নিঃসংগতা আৰু বিচ্ছিন্নতাবোধে তেওঁৰ অৱসাদগ্ৰস্ত শৰীৰৰ ওপৰত জপিয়াই পৰাৰ আগে আগে বিষ্ণু দত্ত জাপ মাৰি উঠি বহিল।

এৰা, মেজৰ ওপৰত এটুকুৰা নীলা আকাশৰ দৰে উকা ইনলেণ্ড লেটাৰ কাৰ্ডখন আছে। চকীখন টানি আনি বহি তেওঁ টেবুল লাইটটো জ্বলালে। হাতত ললে তেওঁৰ অফিছত কাম কৰা পুৰণি কলমটো ; তাৰ পাছত তেওঁ ইনলেণ্ড লেটাৰ কাৰ্ডখন মেলি ললে।

এখন চিঠি লিখিব খুজিলে বিষ্ণু দত্তই। বহু বছৰ তেওঁ কালৈকো ব্যক্তিগতভাৱে চিঠি লিখা নাই। সেইদৰে কোনেও তেওঁলৈ চিঠি লিখাৰ প্ৰয়োজন-বোধ কৰা নাই। তিনিজনী বায়েক-ভনীয়েকক সুপাত্ৰস্থ গতোৱাৰ পাছত, দুটাকৈ ভায়েকক সুসংস্থাপিত কৰাৰ পাছত আৰু ঘৰখনৰ ডাঙৰ ল'ৰা হিচাপে শেষমুহূৰ্ত্তলৈকে অসুখীয়া মাকক শুশ্ৰূষা কৰাৰ পাছত, নিজৰ পিনে চাই বিষ্ণু দত্তই দেখিলে— তেওঁৰ শৰীৰত প্ৰৌঢ়তা! সময়ে খুব দক্ষ শিল্পীৰ দৰে চুলিত আঁকি দিছে এডাল দুডাল ৰূপালী ৰেখা ; চকুৰ কোণত মকৰাজালৰ দৰে সাঁচ ; মুখত স্বাস্থ্য-হীনতাৰ ছবি,… আৰু ইতিমধ্যে কক্ষচ্যুত উপগ্ৰহৰ দৰে তেওঁৰ ওচৰৰ পৰা ক্ৰমশঃ আঁতৰি গৈছে সকলো আত্মীয়-স্বজন ; —অৱশ্যে তেওঁ সম্পূৰ্ণ-ৰূপে নিষ্পেষিত হোৱাৰ পাছত। এতিয়া আৰু কোনেও তেওঁৰ সুখ-দুখৰ ভাগী হ'বলৈ নিবিচাৰে। ৭ নং ধৰ্মতলা বাই-লেনৰ ভাড়াঘৰ এটাত বিষ্ণু দত্ত নামৰ যে এজন শুভাকাংক্ষী আছে সিহঁতে এতিয়া আৰু তাক স্বীকাৰ কৰিব নোখোজে। হয়তো, বিষ্ণু দত্তই ভাবে, তেওঁৰ ব্যক্তিত্বৰ ধাৰসমূহ লাহে লাহে ক্ষয় হৈ আহিছে বা তেওঁৰ অস্তিত্বৰ অভিজ্ঞানসমূহেও লাহে লাহে তেওঁক ত্যাগ কৰিছে, আৰু তেওঁ ক্ৰমশঃ এটা নিৰ্বিশেষ নিস্বাদ প্ৰাণীলৈ পৰিণত হৈছে। গতিকে, আজিকালি আৰু বিষ্ণু দত্তই নিজে নিজৰ কথা নতুনকৈ একো ভাবিব নোখোজে বা ভাবিব নোৱাৰে। চহৰখনৰ অফিছ এটাত তেওঁ এটা সৰু চাকৰি কৰে ; সামান্য ভাৰাৰে এটা সাধাৰণ ঘৰত থাকে, (য'ৰ পৰা তেওঁৰ অফিছলৈ ছিটি বাছেৰে পঞ্চাছ পইচাৰ দূৰত্ব), ঘৰ-অফিছ-বজাৰ-ঘৰ, এয়াই হ'ল তেওঁৰ দিনানুদৈনিকতা। আৰু এটা সময়ত তেওঁ ধৰি লৈছে,—এই ধৰণেই বাকী-কেইটা দিন তেওঁ নিৰুদ্বেগভাৱে কটাই দিব পাৰিব।

কিন্তু আজি তেওঁৰ এই বিশৃংখল টেবুলৰ ওপৰত ইনলেণ্ড লেটাৰ কাৰ্ডখন পৰি আছে ;—আকাশনীলা এটুকুৰা কাগজ। আজি, এই সময়ত, বিষ্ণু দত্তৰ মনে নিজৰ এই নিঃসংগতা মানি লব নুখুজিলে। তেওঁ যেন নিঃসন্দেহ, এই পৃথিৱীত, কৰবাত, নিশ্চয় তেওঁৰ অন্তৰংগ কোনোবা এজন আছে—যি এতিয়াও বিষ্ণু দত্ত সম্পৰ্কে ভাবে, চিন্তিত হয়!

কোন সেইজন ? কোন হ'ব পাৰে ? থুতৰিত হাত দি বিষ্ণু দত্ত চিন্তামগ্ন হৈ পৰে। তেওঁৰ আত্মীয়সমূহৰ কথা বাদ দি থলে তেওঁ। এতিয়া আৰু তেওঁ নিশ্চিত যে সিহঁতে তেওঁক অপাংক্তেয় বুলি ভাবে। বহু দূৰৰ এখন চহৰত তেওঁৰ সৰু ভায়েকজন থাকে, যি এসময়ত তেওঁৰ খুব মৰমৰ আছিল। সেই ভায়েকজনৰ ফুলৰ দৰে নিষ্পাপ সৰল ল'ৰা-ছোৱালী দুটাৰ কথা বৰকৈ মনত পৰে তেওঁৰ। কিন্তু সিহঁতৰ ওচৰলৈ যাবলৈও তেওঁ সাহ গোটাব পৰা নাই। কাৰণ তেওঁৰ ভায়েকজন—যি সৰ্বদা সংসাৰ আৰু চাকৰিৰ কেৰিয়াৰ লৈ ব্যস্ত, যি পত্নীক কিনি দিছে টিভি, ফ্ৰিজ আদি মধ্যবিত্তৰ বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী, —সেই ভায়েকজন স্পষ্টতঃ বিষ্ণু দত্তৰ উপস্থিতিত বিৰক্ত হয়, কিবা এক অজ্ঞাত কাৰণত। কিন্তু দত্তই ভাবিলে সেই সৰু সৰু ভতিজাক কেইটালৈওটো চিঠি এখন লিখিব পাৰি! কলমটো সাজু কৰিলে তেওঁ প্ৰথম শব্দটো লিখিবলৈ লৈ তেওঁ থমকি ৰ'ল। এৰা, সিহঁতলৈ চিঠি লিখিব পৰা নাযাব। ল'ৰাটোৰ এবছৰ হৈছেহে, ছোৱালীজনীৰ সম্ভৱতঃ তিনিবছৰ হোৱাই নাই। সিহঁতে বাৰু আখৰ চিনিব পাৰিব কেনেকৈ! বাৰু, বিষ্ণু দত্তই নিজকে প্ৰবোধ দিলে, তেওঁ চিঠিখন লিখিব অতীতত তেওঁৰ সংস্পৰ্শলৈ অহা কোনো বন্ধু-বান্ধৱ বা শুভাকাংক্ষীলৈ। সম্বোধনটো বাদ দি তেওঁ চিঠিখন আৰম্ভ কৰিলে।

…আশাকৰো ভালে আছ। আজি বহুদিন হ'ল তোৰ খা-খবৰ পোৱা নাই। নাজানো, তই ক'ত আছ, কি কৰিছ, বা জীয়াই আছ নে নাই। ইমান দূৰলৈ আঁতৰি যোৱাৰ আগেয়ে তই মোৰ কথা অন্ততঃ ভবা উচিত আছিল। তই হয়তো নাজান কি আকুলতাৰে মাজে মাজে তোলৈ মোৰ মনত পৰে। তোৰো বাৰু মনত নপৰেনে …।

বিষ্ণু দত্ত ৰ'ল। টেবুল লাইটৰ শ্বে'ডখন ভালদৰে পোনাই ললে। মেজৰ ওপৰত পোহৰ এটা নিখুত বৃত্ত, কোঠাটোত মাথো বিচ্ছুৰিত অস্পষ্ট পোহৰ। সেই অস্পষ্টতাৰ মাজেৰে চাই তেওঁ দেখিলে কোঠাটোত এচুকত এখন খালী চকী, এখন শূন্য বিছনা আৰু গোটেই কোঠা ভৰা বিশৃংখলা।

তেওঁ বাৰু চিঠিখন কালৈ লিখিব? লাহে লাহে গৰম চাহ কাপ খাই তেওঁ ভাবি গ'ল। তেওঁৰ সেই গাঁৱৰ পুৰণি বন্ধুবৰ্গ … বাৰু অপুলৈ লিখিব পাৰি নেকি ? বা পুলিনলৈ ? বিষ্ণু দত্তই লিখি গ'ল—

…তোৰো বাৰু মনত নপৰেনে সেই যে আমি দুপৰীয়াৰ নদীৰ ওচ-ৰলৈ গৈছিলো, কি স্তব্ধ আছিল তাৰ পাৰ! সেই যে আমি গধূলি ৰবাব টেঙাৰ বললৈ আঁহত জোপাৰ তলত খেলিছিলো, তেতিয়া যে সূৰ্যটোৱেও আমাৰ খেল চাবলৈ বৈ বুৰিবলৈ পাহৰি গৈছিল! বা মাজে মাজে তোৰ মনত নপৰেনে তাহানি কুল মাষ্টৰে ইস্কুলত পঢ়োৱা কোনো পাঠ অথবা নতুনকৈ শিকা কোনো এটা গানৰ কলি ?

কিন্তু, দত্তই আকৌ ভাবিলে, সিহঁত বা ক'ত আছে ? পুলিনে ডিব্ৰুগড়ত কিবা এটা চাকৰি কৰে বুলি তেওঁ শুনিছিল, অপুহঁত সেইখন গাঁৱৰপৰা কৰবালৈ উঠি গ'ল কেতিয়া-বাই, এতিয়া সিহঁতৰ ঠিকনাওতো তেওঁ নাজানে। তৰুণো খুব ভাল বন্ধু আছিল তেওঁৰ, নগাঁৱৰ কলেজ এখনত সি চাকৰিত সোমাইছিল, কিন্তু আজি কেইবছৰমানৰ আগেয়ে যি আত্মহত্যা কৰিলে।

কলম কামুৰি দত্ত বৈ থাকে। …বাৰু তেন্তে কালুখুৰালৈকে দুআষাৰ লিখা যাওক। মানুহটোৰ খবৰ বাতৰি একেবাৰেই নোপোৱা হ'ল তেওঁ। আজি চৈধ্য বছৰমানৰ আগেয়েই তেওঁ কালুখুৰাক শেষবাৰৰ বাবে লগ পাইছিল। বৰ অসুখীয়া হৈ পৰিছিল মানুহটো। কেইবাটাও ভয়ানক বেমাৰে গাত বাহ লৈছিল। কালুখুৰাৰ ঠিক-নাটো দত্তই জানে ; তেওঁলৈ চিঠিখন লিখাই ভাল হ'ব। আঃ! কি বিৰাট ব্যক্তিত্ব মানুহটোৰ! কি সাৱলীলতাৰে তেওঁ ভাওনাৰ বচন মাতিছিল, সিহঁতক ভাও দিবলৈ শিকাইছিল, বুজাই দিছিল অতি সহজকৈ ইস্কুলৰ টান পাঠ। আনকি এদিন গাঁৱৰ খেতিয়ক আৰু মাটিৰ মালিকবিলাকৰ মাজত যেতিয়া দুৰ্বাদল সংঘৰ্ষ লাগিল কালু-খুৰায়েইতো খেতিয়কবোৰক নেতৃত্ব দিছিল সমুখৰ শাৰীত বৈ… !

দত্তই একান্তমনেৰে লিখিলে—

বাৰু, তোৰ খবৰ কি ? সেই সেউজীয়া আৰু নীলাৰ মাজত যে মই তোক এৰি থৈ আহিছিলো, তই সেই ঠাইত আৰু সেই মানুহৰ মাজত এতি-য়াও আছনে বাৰু ? মোৰ কথানো কি লিখিম, এতিয়া মই বৰ দুখী মানুহ অ'। নদীহীন, আকাশহীন, নিৰ্বাত এটা মানুহ। এতিয়া মোৰ বোধ হৈছে-যদিও আমি ভাবোঁ মানুহ অতি মাত্ৰাই আত্মপ্ৰেমিক, আচলতে কিন্তু সি নিজকেই ভাল পায় সকলো-তকৈ কম ; কিয়নো একান্তৰূপেই নিজৰ সংগ তাৰ অসহ্য। বাৰু, বাদ দে সেইবোৰ কথা, তোৰ স্বাস্থ্য পাতিৰ যত্ন লবি, এতিয়া বুঢ়া হৈছ, আগৰ দৰে টলো-টলৌকৈ ঘূৰি নুফুৰিবি…

চক খাই বিষ্ণু দত্ত বৈ গ'ল। কালুখুৰা জীয়াই আছে বুলি তেওঁ নিশ্চিত নে ? চৈধ্যবছৰৰ আগেয়ে তেওঁ মানুহটোক লগ পাইছিল। বয়স আৰু ব্যাধিয়ে পৰাজিত কৰা জীৰ্ণ এটা শৰীৰেৰে আঁঠুত মূৰ থৈ মানুহটো ঘৰৰ পিৰালিত বহি আছিল। সেই মানুহটো এই মুহূৰ্তলৈকে জীয়াই থকাৰ কথা কল্পনা কৰাটো ধৃষ্টতা নহয়নে ? আৰু সেয়ে যদি হয়, তেওঁৰ এই চিঠিখনে সেইখন ঘৰলৈ গৈ এটা তামা-ছাৰ সৃষ্টি নকৰিবনে ? বৰ দুখ মনেৰে শেষৰ বুজনিমূলক শাৰীটো দত্তই কাটিলে, আৰু কালুখুৰালৈ চিঠি লিখাৰ চিন্তাটো বাদ দিলে।

কিন্তু চিঠিখনতো কাৰোবালৈ লিখিব লাগিব! কালৈ ? ভাতকেইটা খাই বিছনাত পৰাৰ পাছতো চিন্তাটো তেওঁৰ মনৰপৰা নগ'ল। জীৱন্ত পৃথিৱী পাৰ হৈ অতীতৰ কুজ্ঝটিকাচ্ছন্ন স্মৃতি-লোকত তেওঁ ভাঁহি ফুৰে। হাহাকাৰ কৰি বিচাৰি ফুৰে কোনো চিনাকি মুখ, অন্ত-ৰংগ মন। এসময়ত তেওঁৰ টোপনি আহিল। বিষ্ণু দত্ত বিছনাত ঢলি পৰিল।

পাছদিনা স্বাভাৱিক ব্যস্ততাৰে তেওঁ অফিছলৈ গ'ল। যোৱা গোটেই ৰাতি খুব বৰষুণ দিছিল, এতিয়া এছ-ফাল্টৰ ৰাস্তাৰ পৰা বাষ্পৰ দৰে কিবা উৰি আছে। দুপৰীয়া আকৌ বৰষুণ আহিল। অফিছ ঘৰটোৰ ওপৰৰ টিং-পাতত বৰষুণৰ দ্ৰুত খোজৰ শব্দ তেওঁ ভীষণ কৰ্মব্যস্ততাৰ মাজতো উপভোগ কৰে। মনত পৰে, মনত পৰে তেওঁৰ, কৈশোৰ আৰু প্ৰথম যৌৱনৰ দিনবোৰৰ কথা। সেই সেউজীয়া দিনবোৰ আজি এই বৰষুণৰ শব্দত তিতি-বুৰি বিষ্ণু দত্তৰ ওচৰলৈ উভতি আহে।

সেইদিনা ৰাতি বিষ্ণু দত্তই ঠিক কৰিলে চিঠিখন তেওঁ অলীলৈ লিখিব। নাই নাই, তেওঁ আৰু বুকুৰ মাজত কোনো জোকাৰ অনুভৱ নকৰিলে। প্ৰেম ? এসময়ত হয়তো তেনে এক অদ্ভুত সম্পৰ্ক আছিল অলী আৰু তেওঁৰ মাজত, যি উত্তৰণ হ'বলৈ নাপালে। কিন্তু আজি সেই চাঞ্চল্য বা অন্য অনুভূতি নিচেই দুৰ্বল হৈ পৰিছে। এতিয়া তেওঁ অলীলৈ যিখন চিঠি লিখাৰ কথা ভাবিছে সেইখন মাথো সাধাৰণ বন্ধুতা বা শুভেচ্ছাৰ চিঠি।

…তোৰ কথা মনত পৰা মানেই নিজৰ কথা মনত পৰা। কিমান দিন তোৰ ওচৰত মই কিমান অন্যায় আব্দাৰ কৰিছিলো, কিমান অভিমান দেখুৱাই-ছিলো বা বিচাৰিছিলো কিমান অযথা মৰম,— আজি ভাবিলে হাঁহিয়েই উঠে। আচলতে এটা বয়স আছে যেতিয়া আমি নিজৰ আবেগ অনুভূতিবোৰ খেলনাৰ দৰে ব্যৱহাৰ কৰোঁ। খুব স্বাৰ্থ-পৰৰ দৰে ভাবি পেলাওঁ মোকেই কেন্দ্ৰ কৰি গোটেই পৃথিৱীখন ঘূৰি আছে। আশা কৰোঁ আজি সেই সকলোবোৰ তই ক্ষমাৰ্হ বুলি ধৰি লৈছ। মই নিঃসন্দেহ, এতিয়া তই সুখী,— তোৰ

চাৰিওপিনে নিটোল পৰিপুৰ্ণতা। আৰু মইতো তাকে বিচাৰিছিলো···

কোনোবা এদিন এটা ৰৌদ্ৰতপ্ত দুপৰীয়া এই নীলা ইনলেণ্ড লেটাৰ-কাৰ্ডখন অলীৰ হাতত পৰিবগৈ। ঠিকনাৰ আখৰকেইটা দেখি অলী হয়তো আচৰিত হ'ব। দুৰু দুৰু কঁপা হাতেৰে তাই চিঠিখন খুলিব। পঢ়িব। চাৰিওফালে চাব— কোঠাটোৰ ভিতৰৰ বিছনাত, শুই আছে তাইৰ সন্তান, অদূৰত এখন পেৰাম্বুলেটৰ, টেবুলৰ ওপৰত তাই আৰু তাইৰ স্বামীৰ সুখী-সুখী যুগল ফটো···। অলীয়ে ভাবিব, খুব বেদনাৰে বিষ্ণু দত্তই ভাবিলে, আজি কি অধিকাৰ তেওঁৰ তাইক আমনি কৰাৰ? ইমানদিনে পুত্ৰ-কন্যাৰ উম, সাংসাৰিক আমেজৰ মাজত তাই মগ্ন হৈ আছিল, আজি তাত বিষ্ণু দত্তৰ অস্বস্তিকৰ অস্তিত্ব জনাই দিয়াৰ যুক্তিয়েই বা কি?

ঠিক আছে, তেওঁ অলীলৈ নিলিখে চিঠিখন। বিমূঢ়ৰ দৰে বিষ্ণু দত্ত বৈ থাকে। সৰু চতুষ্কোণ অবৰুদ্ধ এই ঘৰটোত, টেবুল লাইটৰ দুৰ্বল পোহৰত, এই স্তব্ধ কবোষ্ণ ৰাতিৰ নিৰ্জনতাত তেওঁ বহি থাকে—এক সামান্য ন্যুব্জ ম্লানচক্ষু পাংশুকপোল প্ৰৌঢ়···।

তাৰপাছত কেইবাদিনো তেওঁ চিঠিখনত একো নিলিখিলে। কি লিখিব তেওঁ, আৰু কালৈনো লিখিব? কিন্তু মেজৰ ওপৰৰ নীলা কাগজ টুকুৰাই বাৰে বাৰে তেওঁক আমনি দি থাকিল। তেন্তে কি বিষ্ণু দত্তৰ অস্তিত্ব কাৰো বাবে মূল্যবান নহয়? আতংকত তেওঁ কঁপি উঠে। ইনলেণ্ড লেটাৰ কাৰ্ডখন আঁতৰাই থবলৈ বা ফালি-চিৰি দলিয়াই দিবলৈও তেওঁৰ সাহ নহয়। তেওঁৰ অস্তিত্বৰ জাননী কোনোৰকমে কাৰোবাক দিবলৈ বিষ্ণু দত্তৰ মন ব্যগ্ৰ হৈ উঠে।

তেওঁ জানে এটা সময়ত কোনোবা এজনৰ কথা তেওঁৰ মনত পৰিবই,— পৃথিবীৰ কোনো এক প্ৰান্তৰত যি বিষ্ণু দত্তৰ খবৰ জানিবলৈ আকুল হৈ আছে।

কুশল শইকীয়া আজি ক'ত? সেই যে কলেজৰ হোষ্টেলত তেওঁৰ ৰুমমেট আছিল। যথেচ্ছ মাস্তানি আৰু যথেষ্ট মদ্যপান যাৰ আছিল চাৰিত্ৰিক বৈশিষ্ট। অথচ কিবা এক ৰসোময় কাৰণত যি বিষ্ণু দত্তৰ প্ৰতি আছিল অত্যন্ত সদয়। বা ৰাজীৱ বৰুৱা? তালৈকোতো একলম লিখিব পাৰি। আৰু ৰফিউলকোতো তেওঁ পাহৰিব নোৱাৰে। বয়সৰ সেই দুৰ্যোগময় সন্ধিক্ষণত, পৃথিৱীৰ বিভিন্ন ৰহস্য উন্মোচনৰ সময়ত সিহঁতেইতো আছিল বিষ্ণু দত্তৰ একান্ত সংগী। অথবা বিজয় ঠাকুৰ বা গৌৰ সিং? ইহঁতৰ কুশল-বাতৰিওতো তেওঁ লব পাৰে। তেওঁ লিখিলে— এই যে আমি ইটোৱে সিটোৰ পৰা বহুদূৰলৈ আতৰি যাওঁ আচলতে ই আমি নিজৰ পৰাই আঁতৰি যোৱাৰ নিচিনা হয়। ভাবি চা, গুৱাহাটীৰ ৭ নং ধৰ্মতলা বাই-লেনৰ কোনোবা এটা ঘৰত মই মানুহটো পৰি আছোঁ, পৃথিৱীৰ কোনো প্ৰাণীৰ লগত কোনো আন্তৰিক যোগাযোগ নাই, কোনোৱে মোৰ খবৰ-বাতৰি এটা নলয়··· লাহে লাহে এনেকুৱা এটা অৱস্থা হবগৈ যে মই নিজৰ অস্তিত্ব সম্পৰ্কেই সন্দিহান হৈ পৰিমগৈ।

খোলা খিৰিকিৰে ৰাতিৰ কঠিন আন্ধাৰৰ পিনে চাই বিষ্ণু দত্তই অতীতৰ কথা ভাবিলে। কি ম্ৰিয়মান সেই দৃশ্যবোৰ! কি ভীষণ ভংগুৰ সকলো! অসংখ্য মুখ আৰু অবয়বে খুব অস্পষ্ট জ্যামিতিক আকাৰ লৈ তেওঁৰ কল্পনাত ধৰা দিছে। গৌৰ, কুশল, অমূল্য বা বিজয় সিহঁতৰ ঠিকনা তেওঁ এতিয়া সঁচাকৈয়ে জানেনে? সিহঁতৰ সঠিক ঠিকনা! বিষ্ণু দত্তৰ বুকুৰ মাজত এক হাহাকাৰ নৈশব্দ্যই তোলপাৰ কৰি উঠিল। তথাপি চিঠিখন তেওঁ সামৰিলে, এইদৰে—

এইখন চিঠি যেতিয়া তোৰ হাতত পৰিবগৈ তেতিয়া মাত্ৰ এটা কথাই প্ৰতীয়মান হ'ব যে মোৰ এটা অস্তিত্ব আছে। এতিয়াও। হয়তো সি খুব অকিঞ্চিৎকৰ, হয়তো ঘাঁহ-বনৰ দৰে তুচ্ছ। সেয়ে তোৰপৰা উত্তৰ বা তোৰ এষাৰ বাক্যৰ বাবে মই বৰ ব্যগ্ৰ হৈ বাট চাই আছোঁ। আশা-কৰোঁ মোক নিৰাশ নকৰিবি। ইতি, তোৰ মৰমৰ বিষ্ণু···

আঃ! চিঠিখন তেওঁ সম্পূৰ্ণ কৰিলে। মনটো যথেষ্ট মুকলি মুকলি লাগিল তেওঁৰ। সম্বোধনটো? আচ্ছা সেইটো থাকক। ঠিকনাটোততো লিখা যাবই। ধুনীয়াকৈ আঠা লগাই বিষ্ণু দত্তই ইনলেণ্ড লেটাৰ কাৰ্ডখন বন্ধ কৰিলে।

ইয়াৰ পাছতো বিষ্ণু দত্ত কেইদিনমান ৰ'ল। এটা ঠিকনা বিচাৰিছে। বহু সময় তেওঁ তাৰ বাবে অপচয় কৰিলে। মেজৰ ওপৰত ঠিকনাহীন ইনলেণ্ড লেটাৰ কাৰ্ডখন পৰি আছে; লাহে লাহে তাৰ অস্তিত্ব তেওঁৰ বাবে বিশাল আৰু ভয়াবহ হৈ পৰে; —যেন এখন উকা আকাশ তেওঁৰ কোঠা-টোলৈ নামি আহিছে। কোনো নাই। কোনো ঠিকনা নাই।

এদিন ৰাতিপুৱা অফিছলৈ যাবলৈ ওলাই দত্ত ৰৈ গ'ল। মেজৰ ওপৰত পৰি থকা ইনলেণ্ড লেটাৰ কাৰ্ডখনলৈ চালে। বিমূঢ় বিভ্ৰান্ত ভংগীৰে বন্ধ চিঠিখন লুটিয়াই বগৰাই তেওঁ চালে। তেওঁৰ এনে লাগিল যেন চিঠিখনৰ ভিতৰত আছে তীক্ষ্ণ কেইটামান কৌতুক। হঠাৎ দত্তই কলমটো টানি আনিলে, ইনলেণ্ড লেটাৰ কাৰ্ডখন সাজু কৰি ললে, তাৰপাছত কঁপা-কঁপা হাতেৰে ঘঁহাই-ঘঁহাই তেওঁ এটা ঠিকনা লিখিলে— প্ৰতি, শ্ৰীবিষ্ণু দত্ত, ৭নং ধৰ্মতলা বাই-লেন, গুৱাহাটী-১১।

সেইদিনাই চাৰিআলিৰ ৰঙা ডাক বাকচটোত বিষ্ণু দত্তই চিঠিখন ভৰাই থৈ গ'ল।





## নাজিম হিকমতৰ কবিতা

অনুবাদঃ গৌতম প্ৰসাদ বৰুৱা

### এক

**প্ৰমিথিয়ুছৰ আহ্বান**

আমাৰ হৃদয়ৰ ঘাই শিপাত
তেল চিকুণ কেঁকোৰা চুলিৰ
চমক নাই।
পেটত আমাৰ
গোলাপৰ বাবে, কেতেকীৰ বাবে
নাইবা জোনাকৰ বাবে
আসন নাই!
নিশ্চিন্তে, অতি নিশ্চিন্তে
তোমাৰ গৃহিণীক থৈ যাব পাৰা
আমাৰ জিম্মাত।

আমি আমাৰ চিলিমত
গোজা মলাধপাতৰ
দৰে নিজকে পোৰোঁ
প্ৰমিথিয়ুছৰ
আহ্বানত।

অগ্নিস্তম্ভৰ কান্ধত ভেজা দি
ৰক্তিম আকাশৰ পিনে
উন্মুখ হৈ আমি বিচাৰোঁ
অগ্নিময় এযোৰ
চকু।

### দুই

**ধূৰ্তবোৰৰ হকে যেন নমৰোঁ**

আজি নিশা নগলেও
কাইলৈ ৰাতি
মই যাম;
জেললৈ যাম।···
মোৰ অন্তৰৰ এখিলা পাতো
লৰা নাই। অচৈতন্য
টোপনিত মোৰ মন
শান্ত
নিৰ্বিকাৰ।
মোৰ মন
শান্ত
নিৰ্বিকাৰ

কাৰণ, নবজাত শিশুৰ দৰে
সুনীল আকাশ মই দেখিছোঁ।
কালি চহৰৰ সভাতলীলৈ
মই গৈছিলো,
সজোৰে তাত চিঞৰি
কৈছিলো:

"আমাৰ ভাইটীহঁতক আমি যেন
হত্যা নকৰোঁ;
যেন ধূৰ্তবোৰৰ হকে
আমি নমৰোঁ।"

### তিনি

**নজ্বলোৱা ছিগাৰেট**

আজি ৰাতিয়েই সম্ভৱতঃ তাৰ মৃত্যু।
তাৰ কামিজৰ বুকুত দগ্ধ
এটি বুলেট।
আজি নিশাই সি গৈছিল
মৃত্যুৰ মুখলৈ:
—ছিগাৰেট আছে? হাতখন বঢ়াই সি সুধিলে।

মই কৈছিলো— আছে।
—দিয়াছলাই?
কৈছিলো— নাই।
বুলেটৰ জুইৰে জ্বলোৱা।

ছিগাৰেটটো হাতত লৈ সি গুচি গ'ল
তেতিয়া।
হয়তো এতিয়া সি দস্তীয়া 'দ' হৈ
শুইছে।
ওঁঠত এতিয়াও তাৰ নজ্বলোৱা
ছিগাৰেটটো।
বক্ষস্থল— ক্ষত।

সি নাই।
মাত্ৰ এটা ক্লীবতা।
সব শেষ।···

## এটা আধুনিক জাপানী কবিতা

মূল: ইনউৱে য়চুশ্নি
অনুবাদ: ড° স্বপ্না দেৱী

পাৰ হৈ যোৱা দিনৰ দৰে মই এটা কামনাৰঙী জহকালি বিচাৰিছোঁ।
—যিমানবোৰ জহকালি পালো তাৰ ভিতৰত সকলোতকৈ ধুনীয়া আছিল
সেই দিনটোৱেই— যি দিনটোত পাহাৰৰ টিঙলৈকে আছিল ডাঠ ঘাঁহনিৰ
মিহি বাটটো। তাতে মই লৰি ফুৰিছিলো। নৈৰ পাৰত ফুলি আছিল
তেজৰঙা ফুলবোৰ। বৰষুণৰ দৰে চউদিশে সৰি পৰিছিল জিলীৰ গীত।
মই তাতে আছিলো— আবেলিৰ বেঙুনীয়া বেলিৰ জুইৰে নিজকে জ্বলাই।
মোৰ লগত আছিল এজাক ফৰিং। গঞাবোৰ? গঞাবোৰ আছিল
মৃত। পৃথক পৃথক ঘৰবোৰত— সিহঁতৰ নিজৰ দৃষ্টিভংগীবোৰৰ মাজত।
নৈৰ কাষে কাষে সেয়ে মই পুখুৰীটোলৈ লৰি গৈছিলো— বনঢেকীয়া
আৰু শিলনিৰ মাজত পুখুৰীটোৰ আকৃতি আছিল চিঁয়াহীৰ
কুঁৱাৰ দৰে— মই লৰি গৈছিলো তাত নিজকেই বুৰাই থবলৈ।



OKDISCD

# অনুৰাধাৰ দেশ

সাত

ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী

যোৱা ৰাতি লিখা সেই কাগজৰ চিঠিয়ে গৈ যেতিয়া জড়াগ্ৰস্ত অৰ্জুন মামাৰ কম্পিত হাত স্পৰ্শ কৰিব, অৰুণাভে জানে,— তেতিয়া ই আৰু চিঠি হৈ নাথাকিব; সঞ্জীৱনী সুধা সদৃশ চিঠিৰ প্ৰতিটো আখৰে অৰ্জুন মামাৰ নিঃসংগ জীৱনলৈ কঢ়িয়াই আনিব জীয়াই থকাৰ উৎসাহ, পৃথিৱীৰ মানুহৰ প্ৰতি বিশ্বাস; তেওঁৰ সজল চকু হয়তো উদ্ভাসিত হৈ উঠিব জীৱন জ্যোতিৰে।

পৃথিৱীৰ ক'ৰবাত আপোন কোনোবা আছে,— এই অনুভৱেই মানুহক জীয়াই ৰাখিব পাৰে। অৰুণাভৰ আপোন কোন আছে?

যোৱা ৰাতি অৰুণাভৰ ভালকৈ টোপনি নাহিল। কেতিয়াবা স্মৃতিৰ অত্যাচাৰত এইদৰে টোপনি আহিব নোখোজে। বন্ধ কোঠাৰ বাতানুকুল পৰিবেশ, ডানলপৰ গদীৰ কোমলতাৰ স্পৰ্শয়ো স্মৃতিক হৃদয়ৰ গভীৰৰপৰা আঁতৰাই পঠাব নোৱাৰে, সেয়েহে স্মৃতিলৈ অৰুণাভে ভয় কৰে।

বহু ৰাতিলৈকে বিছনাত পৰি অৰুণাভে ওচৰৰ ট্ৰেইনৰ লাইনেৰে পাৰ হৈ যোৱা নিশাৰ ৰেলৰ শব্দ শুনিলে; কৰিডৰত এবাৰ শুনিলে কোনোবা সুৰাসক্ত মানুহৰ ইতস্ততঃ খোজ আৰু অস্ফুট গোঁ-গোৱনি।

মাজতে এবাৰ অৰুণাভে কমীৰ সেই মুখৰ লগত ৰূপালীৰ অনমনীয়, সপ্ৰতিভ মুখখন তুলনা কৰি চালে। নাই, ৰূপালী কমী হব নোৱাৰে, কাৰণ ৰূপালীৰ জন্ম অৰ্জুন মামাৰ ঘৰত নহয়।

ৰূপালীৰ সৈতে পাৰাদ্বীপত পুনৰ দেখাদেখি হোৱাৰ সম্ভাৱনাই যোৱা গোটেই দিনটো অৰুণাভৰ মনৰ ভিতৰখন মাজে মাজে বিন্ধি আছে; শৰীৰৰ ভিতৰত সোমাই যোৱা এডাল সূক্ষ্ম কাঁইটৰ দৰে সেই যন্ত্ৰণাই ধীৰে-ধীৰে অৱশ কৰি দিব খোজে।

এনেধৰণৰ সম্বন্ধ সদায় অস্বস্তিৰ উৎস; ঘটি যোৱা ঘটনা এটা কোনো দিনে ঘটা নাই বুলি ধৰি লৈ আচৰণ কৰিবলগীয়া হয়। তথাপি মুহূৰ্তৰ বাবে অৰুণাভে ভাবিলে, প্ৰথম দিন ৰূপালী দত্তৰ ৰূপত ৰূপালীৰ সৈতে দেখা হোৱাৰ সময়ত সংগোপনে এবাৰ নিৰীক্ষণ কৰি চাব ৰূপালীৰ দুচকুত এতিয়াও লুকাই আছে নেকি সেই গোপন নিশাৰ স্মৃতিৰ সম্মতি। মানুহৰ চকুত কেতিয়াবা এইদৰে স্মৃতি বন্দী হৈ থাকে, দৃষ্টিৰ বিনিময়ত ই মুহূৰ্তৰ বাবে উদ্ভাসিত হৈ উঠে।

নীৰেন দত্তলৈ কিয় জানো অৰুণাভৰ হঠাতে পুতৌ জন্মিল। ৰূপালীৰ মন আৰু শৰীৰৰ সকলো খবৰ জনাৰ পাছতো সেই ঘটনাৰ প্ৰকৃত খবৰ নীৰেন দত্তই কোনো দিনে জানিব নোৱাৰিব। প্ৰতিজনী ছোৱালীৰ জীৱনৰে হয়তো কিছু কিছু অনুভূতি, কিছু কিছু ঘটনা থাকে, যাক আপোনজনৰ ওচৰতো গোপন ৰাখিবলগীয়া হয়। মনৰ এই একান্ত গোপন কিদৰে আবৃত কৰি ৰাখিব লাগে নাৰীয়ে জানে। আৰু জানে বাবেই নাৰী ৰহস্যময়ী। অৰুণিমা বাইদেউক অৰুণাভৰ ৰহস্যময়ী লাগে। কিয় লাগে জানো!

অৰুণিমা বাইদেউৰ বয়স হয়তো অৰুণাভতকৈ অধিক নহয়, কিন্তু প্ৰতুল দা অৰুণাভতকৈ চাৰি বছৰ ছিনিয়ৰ। ধেমালিতে এদিন আৰম্ভ কৰা 'বাইদেউ'; —অভ্যাসৰ ফলত এদিন স্থায়ী হৈ ৰৈ গ'ল।

আজিৰ পৰা তোমাক বাইদেউ বুলি মাতিম বুলি ভাবিছোঁ।

অৰুণাভে এদিন হাঁহি হাঁহি কৈছিল এনেয়ে। ফেনৰ বতাহত উৰি যোৱা চুলি দুহাতেৰে ঠিক কৰি অৰুণিমা বাইদেৱে হাঁহিছিল।

হঠাৎ?

বিয়া হোৱা ছোৱালীক নাম ধৰি মাতিলে নিজকে বুঢ়া বুঢ়া লাগে।

তুমিও বিয়া কৰোৱা, তোমাক মই ককাদেউতা বুলি মাতিম।

যি যাক বাইদেউ বুলি মাতে, তাক তেওঁ ককাদেউতা বুলি মতা মই জীৱনত শুনা নাই।

সেই কাৰণেই মই মাতিম। কোনেও কেতিয়াও নপতা সম্বন্ধ।

ৰাতিপুৱা সাৰ পাই উঠি অৰুণাভে যেতিয়া হোটেলৰ বন্ধ কোঠাৰ খিড়িকিত ওলমি থকা ডাঠ সেউজীয়া পৰ্দা আঁতৰাই দিলে, বাহিৰত তেতিয়া ৰাতিপুৱাৰ উজ্জ্বল আলোক। খিৰিকিৰে অৰুণাভে বাহিৰৰ মেইন ৰোডত দেখিলে— ইউনিফৰ্ম পিন্ধা কণ কণ ল'ৰা-ছোৱালীৰ জাক; —হাঁহি হাঁহি আগবাঢ়ি গৈছে।

অৰুণাভে ঘড়িটো চালে। আঠ বাজি কুৰি মিনিট। আৰু মাত্ৰ চল্লিছ মিনিট পাছত, ন বজাত ঠিক অফিছ পাবলৈ লাগিব। কালি মেহৰা চাহাবে অফিছত কৈছিল: ন মানে নবাজি এক মিনিট নহয়। আমাৰ কাম আৰম্ভ হ'লে গম পাবা। কেনেকৈ প্ৰতিটো মিনিটত দেশৰ পৰা বাহিৰলৈ গুচি যাব নদীৰ সোঁতৰ দৰে বিদেশী মুদ্ৰা।

দৌৰাদৌৰিকৈ বাথৰুমত সোমাই অৰুণাভে শ্বাৱাৰটো খুলি দিলে। যোৱা ৰাতি পানীত তিয়াই দিয়া ছাৰ্টটো হাতত লৈ অৰুণাভে দেখিলে গৰম কফিৰ সেই সিক্ত দাগ বুকুত আৰু লাগি থকা নাই। কিয় জানো মুহূৰ্তৰ বাবে ভাব হ'ল ৰেস্তোঁৰাত অনুৰাধাৰ হাতত লাগি ছিটিকিপৰা সেই কফিৰ দাগ অন্ততঃ ছাৰ্টৰ বুকুত চিৰদিনৰ বাবে স্থায়ী হৈ ৰৈ গলেই ভাল লাগিলেহেঁতেন। ধেমালিতে কেতিয়াবা কবপৰা গ'লহেঁতেন: চোৱা, মোৰ ছাৰ্টটোৱেও তোমাৰ স্মৃতি কেনেকৈ বুকুত কঢ়িয়াই লৈ ফুৰে!

অনুৰাধাই নিশ্চয় দুচকু উজলাই সেই হাঁহিটো হাঁহিলেহেঁতেন— যি হাঁহিয়ে পৃথিৱী পবিত্ৰ কৰে।

আধাঘণ্টাৰ ভিতৰতে প্ৰাত্যহিক সকলো কাম সমাধান কৰি অৰুণাভ হোটেলৰ বাহিৰলৈ ওলাল। কাউণ্টাৰত সেই প্ৰথম দিনা দেখা হালধীয়া স্কাৰ্ট পৰিহিতা এংলো ইণ্ডিয়ান মহিলাগৰাকী বহি আছে।

গুড মৰ্নিং মেডাম।

গুড মৰ্নিং। খুব দৌৰাদৌৰি যেন লাগিছে!

অফিছৰ গাড়ী কেতিয়াবাই আহি বাহিৰত ৰৈ আছে।

ধন্যবাদ।

নীলকণ্ঠৰ গাত আজি অইন এটা পাতল নীল ৰঙৰ গেঞ্জি। এইটোও ইমপ'ৰ্টেড হ'ব। নিশ্চয় পাৰাদ্বীপৰ পৰা বন্ধু ৰছিদে যোগাৰ কৰি দিছে। বিদেশী সামগ্ৰীৰ প্ৰতি এই প্ৰচণ্ড আকৰ্ষণ কেনেকৈযে সকলোৰে মাজত প্ৰৱেশ কৰিছে!

কেতিয়াবাই আহিলা নেকি? দিনটোৰ প্ৰথম ছিগাৰেটটো জ্বলাই অৰুণাভে প্ৰশ্ন কৰিলে।

নাই ছাৰ, এই আধাঘণ্টা!

গাড়ীত বহাৰ সময়ত অৰুণাভে ভাবিলে মেহৰা চাহাবক কৈ এইখন গাড়ী লব লাগিব ৰবিবাৰৰ দিনটোৰ বাবে: অনুৰাধাৰ সৈতে ভুবনেশ্বৰ চহৰ চাবলৈ। এবাৰ 'পেলিকান' ৰিগ আহি পাৰাদ্বীপ পোৱাৰ লগে লগে হয়তো ব্যস্ত হৈ পৰিব লাগিব সমুদ্ৰগৰ্ভৰ প্ৰকৃত তেল সন্ধানত। মেহৰা চাহাবে কৈছে: চাৰি সপ্তাহৰ বাবে একেৰাহে ৰিগত থাকিব লাগিব। কাম দিনে-ৰাতিয়ে সমানে চলিব।

মানুহৰ সমাজৰ পৰা আঁতৰত, অসীম সমুদ্ৰৰ মাজত, নিঃসংগ ৰিগত দিনৰ পাছত দিন পাৰ কৰি দি কেনেকুৱা লাগিব জানো! চৌদিশে চকু ফুৰাই চালে হয়তো দৃষ্টিগোচৰ হ'ব দিগন্তৰো সেইপাৰে ক'ৰবাত শেষ হৈ যোৱা উত্তাল সমুদ্ৰৰ তৰংগ। হয়তো কেতিয়াবা হঠাতে চকুত পৰিব সমুদ্ৰ পৃষ্ঠত তুলুং-ভুটুংকৈ ওপঙি থকা সৰু সৰু মাছ ধৰা নাও। কি ঠিক,— কেতিয়াবা হয়তো তাৰেই মাজত থাকিব পাৰে নীলকণ্ঠৰ বন্ধু সেই ৰছিদ। কেতিয়াবা ধুমুহা আহিব, দুৰ্যোগ আহিব, হয়তো ছাইক্ল'নৰ অত্যাচাৰত ৰিগ এৰি মুহূৰ্তৰ নিৰ্দেশত হেলিকপ্টাৰত উপকূললৈ পলাবলগীয়াও হ'ব।

অৰুণাভৰ কিয় জানো ভাব হয়, অফিছৰ বৈচিত্ৰহীন সময়বোৰতকৈ ধুমুহা-দুৰ্যোগেৰে ভৰা ৰিগৰ সেই ৰোমাঞ্চকৰ জীৱনেই হয়তো বেছি ভাল লাগিব।

অফিছৰ সন্মুখত অৰুণাভে দেখা পালে— বাহিৰত পাৰ্ক কৰা আছে মেহৰা চাহাবৰ চিকমিকাই থকা এমবেছডৰ গাড়ী। টেলেক্সৰ অবিৰাম খট-খট আৰু অনাতাঁৰ যন্ত্ৰৰ সেই হা-হো শব্দ ভাহি আহিছে অফিছৰ পৰা।

চালাম চাহাব।

চাবি লৈ টুলত বহি থকা দাৰোৱানজনে বহাৰ পৰা উঠি মিলিটেৰি কায়দাত চালাম জনালে। হয়তো এয়াও মেহৰা চাহাবৰ বাৰ্মা অয়ল ক'ম্পেনিৰ দিনতে শিকা অন্য এক চাহাবী কায়দাৰ হিন্দুস্তানী নিদৰ্শন।

মেহৰা চাহাব আহিলনে?

অৰুণাভে এনেয়ে সুধিলে।

বড়া চাহাব আজিতো ৰাতিপুৱাই আহিল। সাত বজাত।

অৰুণাভ যেতিয়া মেহৰা চাহাবৰ কোঠালিত সোমাল, তেতিয়া মেহৰা চাহাবে হাতত জ্বলন্ত ছিগাৰেট লৈ বেৰত ওলোমাই থোৱা 'পেলিকান' ৰিগৰ ছবিত একান্তমনে দৃষ্টি নিবদ্ধ কৰি আছে।

বহা অৰুণাভ। আজি বহুতো সুখবৰ আছে। খবৰ পোৱা গৈছে ছিংগাপুৰৰ পৰা ৰিগে ভাৰতবৰ্ষ অভিমুখে যাত্ৰা কৰিছে। হেলিকপ্টাৰ ইতিমধ্যে বোম্বেৰ পৰা আহি পালে। ভুবনেশ্বৰ?

ইয়েছ। বৰ্তমান ভুবনেশ্বৰ বিমানবন্দৰত আছে। দুপৰীয়া বাৰ বজাত আমি এটা ট্ৰায়েল ফ্লাইট দিম বুলি ভাবিছোঁ। তুমিও ওলাবা। আমাৰ লগত হৰিশ খান্নাও থাকিব। হৰিশক লগ পাইছা নহয় তুমি?

ওঁ; —ইঞ্জিনিয়াৰছ ইণ্ডিয়া লিমিটেডৰ ···

সেই ডাঢ়ি থকা ল'ৰাটো। বেচ কষ্ট কৰিব পাৰে। মই ঠিক তেনেকুৱা ল'ৰাই বিচাৰোঁ। ৰিগলৈ গ'লে দেখিবা— বিদেশী মানুহবোৰে কি সাংঘাতিক পৰিশ্ৰম কৰে। যিদৰে পৰিশ্ৰম কৰে, সেইদৰে জীৱনটো উপভোগ কৰিবও জানে। সিহঁতৰ পৰা আমাৰ বহুত শিকিবলগীয়া আছে। তোমাৰ বাবে এয়া জীৱনৰ এটা সাংঘাতিক সুবিধা, ঠিক মতে কামত লগাব পাৰিলে এই অভিজ্ঞতা তোমাৰ জীৱনৰ এক অমূল্য সম্পদ হ'ব।

দিল্লীলৈ পঠাবলগীয়া ৰিপ'ৰ্ট কেইটামানৰ বাবে অৰুণাভ কিছু সময় ব্যস্ত থাকিল। মাজতে অফিছৰ বাকী কেইজনৰ লগত চিনাকি হৈ ললে। নতুনকৈ চাকৰিত জইন কৰা উৰিষ্যাৰ স্থানীয় ল'ৰা কেইজনৰ, হয়তো নতুন এটা অভিনৱ প্ৰকল্পত যোগদান কৰাৰ বাবেই নেকি; কামৰ প্ৰতি প্ৰচণ্ড উৎসাহ আছে। অফিছৰ বিষয়া কেইজনক বাদ দিলে গোটেইখিনি উৰিষ্যাৰ স্থানীয় ল'ৰা।

অসমৰ পৰা আহিবৰ সময়ত অৰুণাভে শুনিছিল,—কাম পুৰ্ণোদ্যমে আৰম্ভ হোৱাৰ লগে লগে অসমৰ পৰা আৰু কেইবাজনো বিষয়া বদলি হৈ আহিব পাৰে। মিছেছ ডালভি নামৰ আদহীয়া বয়সৰ ছেক্ৰেটেৰি এজনীয়ে অফিছত জয়ন কৰিছে। বয়স হয়তো পঞ্চল্লিছৰ ওচৰা-উচৰি। চুটি বব কটা চুলি, ডাঠ হালধীয়া ৰঙৰ স্কাৰ্ট, ডিঙিত ওলমি থকা ক্ৰছ, মুখত এক আকৰ্ষণীয় কমনীয়তা—। এই বয়সতো মহিলাৰ স্মাৰ্টনেছ, ক্ষিপ্ৰতাই প্ৰমাণ দিয়ে— হয়তো তেওঁ





OKDISCD

আগতে অইন কোনোবা অফিছত কাম কৰি আহিছে। মানুহজনীৰ কথাত এক আন্তৰিকতা মিহলি কৌতুক আছে।

মিছেছ ডালভি, আপুনি আগতে ক'ত কাম কৰিছিল?

ক'ত ক'ত কৰা নাই? বিয়াৰ আগতে কৰিলো কলিকতাত। বিয়াৰ পাছত কিছুদিন কাম-বন নাই। খুব এনজয় কৰিলো। ৰবৰ লগত ঘুৰিলো। হঠাতে প্লেন ক্ৰেছ হৈ ৰব ঢুকাল। আকৌ চাকৰি কৰিলো। এই যে কৰিলো, কৰিয়েই আছো। লাইফ ইজ লাইক দেট ইয়ং মেন। জীৱন এনেকুৱাই। ঠিক এনেকুৱাই।

মিছেছ ডালভিয়ে টাইপ কৰি থকা চিঠি এখনৰ পৰা অৰুণাভে গম পালে,— অসমৰ পৰা অইন আৰু আঠজন বিষয়াৰ লগত প্ৰতুলদাও উৰিষ্যালৈ দুমাহৰ বাবে ৰ'টেশ্যনত আহি আছে। প্ৰতুলদা মানে নিশ্চয় অৰুণিমা বাইদেৱো আহিব। মুহূৰ্তৰ বাবে অৰুণাভৰ ঠিক কেনেকুৱা লাগিল নিজেই ধৰিব নোৱাৰিলে।

ছাৰ, আপোনাৰ ফোন আহিছে। সেইটো ৰুমত।

মিছেছ ডালভিৰ ওচৰত কিবা কাগজ চাই থাকোঁতেই পিয়নজনে আহি ক'লে। কোনোবা অফিছৰ ফোন হব। ইয়াতনো অৰুণাভক কোনে চিনি পায়? অৰুণাভক মধুৰ আশ্চৰ্যৰে চকিত কৰিলে অনুৰাধাৰ মাতে।

হেলো, অৰুণাভ স্পিকিং।

এয়া অনুৰাধা। ফোনত তোমাৰ মাতটো কেনেকুৱা কেনেকুৱা লাগিছে!

অফিছৰ ফোন নাম্বাৰ ক'ত পালা?

বাঃ মই ভুবনেশ্বৰৰ ছোৱালী, ভুবনেশ্বৰৰ অফিছৰ ফোন নাম্বাৰ উলিয়াব নোৱাৰিম নেকি?... বলা, এঠাইৰ্পৰা আহোঁ। আমাৰ শ্যুটিং আছে। লাষ্ট দে শ্যুটিং। কোনাৰকৰ ওচৰত। ৰব মজা লাগিব। সাগৰৰ পাৰত আমি অপন-এয়াৰ লাঞ্চ কৰিম। আমি মুঠতে চাৰিজন আছো। তোমাক লৈ পাঁচজন। সোনকালে আহা।

আৰে, মোৰ অফিছ নাই নেকি? কলেজ পাইছা নেকি এতিয়াও?

তোমাৰ সেই কোনাৰক হোটেলত থকা বন্ধুক কৈ গুচি আহা।

বন্ধুৰ লগত এতিয়া হেলিকপ্টাৰত ট্ৰায়েল ফ্লাইটলৈ যাব লাগে।

অ' সেই কাৰণে! ঠিক আছে, তুমি হেলিকপ্টাৰত যোৱা, আমি চৰকাৰৰ ভগা জীপত যাম।...ৰবিবাৰৰ কথা মনত আছে।

কি?

তোমাৰ কি হ'ল? মেম'ৰিয়ে দেখিছো একদম কাম নকৰে। সেই কাৰণে কোনে জানো তোমাক ৰিজেক্ট কৰি দিছে।...ৰবিবাৰে ভুবনেশ্বৰ দেখুওৱাৰ, কথা আছে যে!

ওঁ; কেইবজাত?

ৰাতিপুৱা ঠিক আঠ বজাত আহিবা আমাৰ ঘৰলৈ। মই ৰেডি হৈ থাকিম। ঠিক আছে?

আছে।

ফোনটো থোৱাৰ পাছতে ফেডেড জিন, গেঞ্জি আৰু গামবুট পিন্ধা সেই ডাড়ি ৰখা তৰুণ হৰিশ খান্না সন্মুখত হাজিৰ। একেই সপ্ৰতিভ মুখ আৰু উজ্জ্বল চকু।

মিষ্টাৰ চৌধুৰী, মেহৰা চাহাবে আপোনাক বিচাৰি আছে। বিমানবন্দৰলৈ যাবলৈ তেওঁ সাজু।

আপুনিও যাব নহয়?

বলক।

অফিছৰ বাহিৰত মেহৰা চাহাব অৰুণাভহঁতৰ বাবে ৰৈ আছিল। ঘড়ি চালে অৰুণাভে। এই মাত্ৰ বাৰ বাজি গৈছে।

বিমান বন্দৰলৈ যোৱাৰ পথত মেহৰা চাহাবে তেওঁৰ পুৰণি অভিজ্ঞতাৰ কথা ক'লে: আটলাণ্টিক মহাসাগৰৰ কোনোবা এটা ৰিগলৈ হেলিকপ্টাৰেৰে গৈছিলো এবাৰ। আমি তেতিয়া মাজ সমুদ্ৰত। হেলিকপ্টাৰত বহি বহিয়েই ওপৰৰপৰা দেখিবলৈ পাইছো তলত সমুদ্ৰৰ উত্তাল তৰংগ হঠাতে পাইলটে ক'লে হেলিকপ্টাৰৰ কিবা এটা যান্ত্ৰিক বিজুতি;— জঁাপ মাৰি পানীত পৰিব লাগে। চিন্তা কৰিবলৈ সময় নাই। জীৱনৰক্ষী আৱৰণ পিন্ধি,— আমি তিনিজন আছিলো,— এজন আমেৰিকান চাহাব, —চকু-কাণ মুদি জঁাপ মাৰি দিলো। দুৰত দেখিলো প্ৰচণ্ড শব্দৰে সৈতে লেলিহান জুই শিখাই ঘেৰি ধৰা হেলিকপ্টাৰখন সমুদ্ৰৰ পানীত পৰিছে।

আপোনালোকে কি কৰিলে?

'জীৱন আৰু মৃত্যুৰ সন্ধিক্ষণত জীৱনৰক্ষী আৱৰণৰ সহায়ত ঢৌৰ কোব খাই-খাই পানীত ওপঙি আছো। প্ৰায় তিনি ঘণ্টা সময়। মইতো জীয়াই থকাৰ আশাই এৰিছিলো।

বাচিল কেনেকৈ?

হঠাতে দেখা পালো অইন এখন হেলিকপ্টাৰ আগবাঢ়ি আহিছে। আমাৰ মূৰৰ ওপৰত স্থিৰ হৈ ৰৈ সেইখনে ৰচিৰ জখলা নমাই দিলে, আমি কোনোমতে উঠি আহিলো।

বাঃ! সাংঘাতিক অভিজ্ঞতা!

হৰিশ খান্নাই মন্তব্য কৰিলে। দাৰ্শনিকৰ দৰে ছিগাৰেট এটা জ্বলাই মেহৰা চাহাবে ক'লে: দুৰ্যোগ, দুৰ্ঘটনা আছে বাবেই জীৱন ৰোমাঞ্চকৰ। বৈচিত্ৰহীন জীৱন অকল কাপুৰুষৰ কাম্য। বুজিছা হৰিশ, অৰুণাভ, এই চব কামত মানুহ সাহসী হ'ব লাগিব। সমুদ্ৰগৰ্ভৰ তেল সন্ধানত কাপুৰুষৰ স্থান নাই।

ভুবনেশ্বৰ বিমান বন্দৰত গাড়ীৰ পৰা নামি অৰুণাভে এবাৰ আকাশৰ ফালে মূৰ তুলি চালে।

আকাশ নাৰীৰ শৰীৰৰ দৰে: বুকুত অদৃশ্য চুম্বক থাকে। সেয়েহে আদিম কালৰপৰা এক চিৰ-অজানাৰ, ৰহস্যময় বিশালতাৰ গৰ্ভলৈ আকাশে মানুহ আকৰ্ষণ কৰি আহিছে। তাৰকাখচিত ৰাতিৰ ৰূপালী আকাশৰ তলত থিয় হৈ আজিও বিমুগ্ধ-বিস্ময়েৰে মানুহে চাই ৰয় বিপুল অনুভৱেৰে ভৰা অপৰূপা আকাশলৈ

ৰাতিপুৱাৰ নিৰ্মেঘ আকাশৰ ফালে মূৰ তুলি চালে হঠাতে মুখামুখি হৈ যোৱা যায় অসীম অনন্তৰ সৈতে;— ভাব হয়-- আকাশৰ বুকুত অদৃশ্য আখৰেৰে লিপিবদ্ধ কৰা আছে বিশ্বস্ৰষ্টাৰ এই ৰহস্যময়, সুবিশাল সৃষ্টিৰ ইতিকথা, ধীৰে ধীৰে এক উদাস, মায়া-মমতাময় নিঃসংগতাই হৃদয়ৰ ভিতৰখন ভৰাই পেলায় আৰু কিছু সময়ৰ বাবে বিশ্ব-ব্ৰহ্মাণ্ডৰ সৈতে একাত্ম হৈ যোৱাৰ আনন্দেৰে সমগ্ৰ হৃদয়-মন পুলকিত হৈ উঠে।

প্ৰকৃত সৌন্দৰ্য হয়তো বিজ্ঞানৰ স্পৰ্শৰ বাহিৰত; —অৰুণাভে ভাবিলে, --আৰু সেইবাবেই বিজ্ঞানৰ এই যুগতো আকাশ একেই মনোৰমা।

ৰূপময় আকাশৰ বিশালতাৰ সৈতে অকল সমুদ্ৰৰহে মিল আছে।

ওপৰত দুপৰৰ ৰৌদ্ৰদীপ্ত সুনীল আকাশ। বিমান বন্দৰৰ এচুকত বতাহৰ গতি-নিৰ্দেশক উইণ্ড-ছেক ওলমি আছে।

হঠাতে অৰুণাভৰ দুচকুৰ সন্মুখত, সেই সুনীল নিৰ্মেঘ আকাশৰ আঁৰত দৃশ্যমান হ'ল শৈশৱৰ অৰুণাভ। জীৱন আৰু সময়— কি আশ্চৰ্য! শৈশৱৰ সেই অৰুণাভে কেতিয়াবা ভাবিছিল নে সিদিনাৰ সেই সপোন আজি এইদৰে দিঠকত পৰিণত হ'ব? ৰায়হানছাৰৰ প্ৰেৰণা, অৰুণাভৰ নিষ্ঠা আৰু ঐকান্তিকতাই শৈশৱৰ সেই অৰুণাভক ক'ৰ পৰা ক'লৈ লৈ আহিছে!

অৰুণাভ তেতিয়া প্ৰাথমিক স্কুলৰ ল'ৰা। চুটি হাফপেণ্ট আৰু বুটাম নোহোৱা ছাৰ্ট পিন্ধি জাকপাতি স্কুললৈ যোৱা সময়ৰ কথা। নৈৰ পাৰৰ আঁহত গছ এজোপাৰ তলত অৰুণাভৰ জীৰ্ণকায় স্কুলঘৰ; ভবানী পণ্ডিতে অংক শিকায় কাঠৰ ষ্টেণ্ডত ৰেকাকৈ আউজাই থোৱা পুৰণি ব্লেকব'ৰ্ডত। —গৰুহঁত, আজি নেওতা মুখস্থ কৰি আহিছ নে নাই?

স্কুলৰ কাষৰ ধুলিয়ৰি ৰাস্তাৰে সদায় দহ বজাৰ সময়ত বিকট শব্দ কৰি পাৰ যায় 'চম্পাৱতী' নামৰ একমাত্ৰ বাছখন।

যিদিনাই কিবা কাৰণত বাছখন নাহে, সেইদিনাই অৰুণাভহঁত উচপিচাই থাকে: এই, চম্পাৱতীৰ আজি খবৰেই নাই। নিশ্চয় ক'ৰবাত দুৰ্ঘটনা হৈছে।

কিজানি ক'ৰবাত বেয়া হৈ পৰি আছে!

বাছখন অহাৰ লগে-লগেহে এক অদ্ভুত আনন্দেৰে এজনে আনজনৰ মুখলৈ চায়; যেন প্ৰত্যেকে চকুৰে চকুৰে আনজনক কয়: মই ঠিক জানিছিলো, চম্পাৱতী আহিবই।

আৰু এদিন।

বাছৰ চিনাকি ঘৰ-ঘৰ শব্দ ক'ৰবাত পেলাই হঠাতে দুৰৰ আকাশৰ পৰা ভঁাহি আহিল এক অচিন গোঁ-গোঁ শব্দ। ভয় আৰু বিস্ময়ৰ এক অদ্ভুত শিহৰণেৰে ৰোমাঞ্চিত হৈ এজনে আনজনৰ মুখলৈ চালে। শ্ৰেণীৰ ভিতৰতে ফুচফুচাই সুধিলে: কিহৰ শব্দ অ'?

জানো পায়! ধুমুহাৰ নিচিনা লাগিছে।

ধেৎ, ধুমুহা নহয়। এৰোপ্লেন হ'ব।

এৰোপ্লেনৰ শব্দ ইমান ওচৰত নহয় দে।

ভবানী পণ্ডিতৰ সোঁহাতত চক পেনছিল; বাওঁহাতত ব্লেকব'ৰ্ড মচিবৰ বাবে দৰ্জিৰ পৰা অনা কাপোৰৰ টুকুৰা। একমাত্ৰ পুৰণি মেজখনৰ ওপৰত দীঘল লিকলিকিয়া বেত, ওচৰত ৰঙচুৱা ৰঙৰ হাজিৰা-বহী।

ভবানী পণ্ডিতে পিছমূৰ দি বৰ্ডত অংক পাতি আছে। অলপ আগতে ওচৰৰ হাইস্কুলৰ ঘণ্টা বাজি গৈছে, ঘৰ-ঘৰ শব্দ কৰি পাৰ হৈ গৈছে চিনাকি সেই চম্পাৱতী বাছ।

স্কুলৰ খিৰিকিৰে অৰুণাভহঁতে দেখা পালে অচিন সেই শব্দৰ দিশত কেইবাজনো ল'ৰা-ছোৱালী দৌৰি গৈছে ধুলিয়ৰি ৰাস্তাৰে। ভবানী পণ্ডিতৰ অংকই আৰু কাকো ধৰি ৰাখিব নোৱাৰিলে। কোনোবাই চিঞৰিলে— আমি যাও চাব। সেইফালে কিবা আহিছে।

ভবানী পণ্ডিতে কিবা এটা কোৱাৰ আগতে অৰুণাভহঁত স্কুলৰ বাহিৰত। খন্তেকৰ বাবে সিহঁত থমকি ৰ'ল আহঁতজোপাৰ তলত।

অৰুণাভে এবাৰ অনন্তৰ মুখলৈ চালে আৰু এবাৰ চালে নৈৰ সিপাৰৰ খোলা পথাৰৰ ফালে,— য'ত আহি স্তব্ধ হৈ গৈছে সেই ৰোমাঞ্চকৰ গোঁ গোঁ শব্দ, কোনোবাই দূৰৰ পৰা চিঞৰিলে,—হেলিকাপ্টাৰ। চাব যদি ব'ল।

বচ, এক মুহূৰ্তত্তে অৰুণাভহঁতে সিদ্ধান্ত লৈ ল'লে। কাষলতিৰ তলত কিতাপ চেপি লৈ ধূলিয়ৰি ৰাস্তাত আৰম্ভ হ'ল অলিম্পিকৰ মাৰাথন দৌৰ। শিলগুটিত উজুটি খাই কোন জানো এবাৰ উফৰি পৰিল; কাৰো যেন চাবলৈ অৱকাশ নাই।

চাৰিআলিটো পাৰ হোৱাৰ পাছত সৰু কাঠৰ দলং এখন। দূৰৈৰ পৰাই নৈ পাৰ হোৱাৰ পাছত অৰুণাভহঁতৰ চকুত পৰিল,— খোলা পথাৰৰ মাজত বন্দী বিহংগৰ দৰে এখন কণমানি হেলিকপ্টাৰ পৰি আছে। ইতিমধ্যে কেইবাজনো লোকে সবিস্ময়ে দূৰৈৰ পৰাই চাই আছে— দুপৰৰ ৰ'দত চিকমিকাই থকা সেই ৰূপালী অচিনাকি যানখনলৈ। আজি প্ৰথমবাৰৰ বাবে এই আওহতীয়া গাঁৱৰ পথাৰত হঠাতে অৱতীৰ্ণ হোৱা যানখনলৈ।

ভীৰ ঠেলি অৰুণাভ আগুৱাই গ'ল।

শুধ ব'গা হাফপেণ্ট আৰু হালধীয়া গেঞ্জি পিন্ধি আদহীয়া লোক এজন হেলিকপ্টাৰৰ কাষত থিয় হৈ আছে; মূৰত পাতল নীলৰঙৰ টুপী, ৰ'দত ৰঙচুৱা ফুলা-ফুলা মুখ; দেখিলে ঠিক বিদেশী চাহাব যেন লাগে। কি জানো দুৰ্বোধ্য ভাষাত তেওঁ অইন এজন লোকৰ লগত কথা পাতি আছে।

ল'ৰা-ছোৱালীজাকৰ মাজত ইতিমধ্যে অদ্ভুত বিতৰ্কৰ সৃষ্টি হৈছে।

ইয়াত উঠি এক ঘণ্টাত বিলাত পাব পাৰি।





OKDISCD

বিজ্ঞৰ দৰে কোনোবা এজনে কৈছে।

বিলাত। বিলাত ক'ত?

এইটো এটা বেঙা। বিলাত ক'ত তাকো নাজানে।

তই বৰ জান! কচোন ক'ত?

কেপকেপাই নাথাকিবি। কিয় ক'ম তোক?

হঠাতে সকলোকে চমক খুৱাই দি হেলিকপ্টাৰৰ মূৰৰ পাখি সোঁ-সোঁকৈ ঘূৰিবলৈ আৰম্ভ কৰিলে। সেই চাহাব-চাহাব লগা লোকজনৰ লগত আনজন মানুহো ইতিমধ্যে হেলিকপ্টাৰত উঠিছে। গম-গম শব্দেৰে ঠাইখিনি ভৰি পৰিল। উৎসুক্য আৰু উত্তেজনাৰে অৰুণাভে লক্ষ্য কৰিলে গছৰ শুকান পাতবোৰ ধুমুহাত উৰাৰ দৰে উৰিবলৈ ধৰিছে।

এটা সময়ত সকলোকে আচৰিত কৰি দি একেই গোঁ গোঁ শব্দৰে হেলিকপ্টাৰখন ওপৰলৈ গুচি গ'ল। সকলোৰে চকুত বিস্ময় আৰু হতাশা। দূৰ নীলিমাত ধীৰে ধীৰে বিলীয়মান হ'ল সেই ৰহস্যময় কণমানি আকাশীযান খন।

সেইদিনা অৰুণাভে সপোন দেখিলে এখন ৰূপালী হেলিকপ্টাৰত উঠি সি পৃথিৱীৰ পৰা বহুত দূৰৈৰ,— ক'ৰবাৰ গ্ৰহান্তৰলৈ উৰি গুচি গৈছে। মেঘৰ দেশৰ সেইপাৰে অগণন নক্ষত্ৰ-খচিত সেই অপৰূপা আকাশ।

তাৰপাছত লাহে লাহে নৈৰ কাষৰ সেই খোলা পথাৰত থিয় হৈ উঠিল এটা দুটাকৈ তিনিটা তম্বু, ৰঙা জীপ আৰু হালধীয়া ট্ৰাকৰ অবিৰাম শব্দই ঠাইখিনি গম গমাই তুলিলে, প্ৰতিদিনে ক'ৰ পৰা জানো আহি আকৌ হেলিকপ্টাৰ উৰি গুচি যায় আকাশৰ বুকুলৈ।

কেইটামান দিনৰ বাবে দহ বজাত যোৱা 'চম্পাৱতী'ৰ ঘৰ-ঘৰ শব্দৰ দৰে প্ৰথমদিনৰ সেই অচিনাকি গোঁ-গোঁ শব্দ অৰুণাভহঁতৰ বাবে নিচেই চিনাকি হৈ গ'ল। স্কুল ছুটিৰ পাছত এক মুহূৰ্তও দেৰি নকৰাকৈ অৰুণাভহঁতে দিনৰ পাছত দিন দৌৰিলে সেই ৰহস্যময় শব্দৰ আকৰ্ষণত।

ভুবনেশ্বৰ বিমান বন্দৰত আজি টেক্সাছৰ মুমা ইনকৰপ'ৰেছনৰ পৰা অহা ৰূপালী ৰঙৰ হেলিকপ্টাৰ দুখন দেখি অৰুণাভৰ হঠাতে মনৰ মাজেৰে পাৰ হৈ গ'ল প্ৰায় কুৰি বছৰৰ আগৰ অসমৰ কোনোবা আওহতীয়া গাঁৱত বিস্ময়েৰে চাই ৰোৱা সেই প্ৰথম দিনৰ হেলিকপ্টাৰখনৰ কথা।

প্ৰথমদিনৰ অভিজ্ঞতা এইদৰে সদায়ে হৃদয়ত ৰৈ যায়।

বহুত দিন পাছত, তেল কোম্পানিৰ চাকৰিত যোগদান কৰাৰ পাছত কোনোবাই কৈছিল: অসমৰ তেল বিভিন্ন শোধনাগাৰলৈ লৈ যাবৰ বাবে সেইদৰে কেম্প পাতি মাটিৰ তলেদি পাইপ-লাইন বহুওৱা হৈছিল। এই পাইপ-লাইন দক্ষিণ-পূব এছিয়াৰ দীৰ্ঘতম পাইপ-লাইন; চৈধ্যশ কিল'-মিটাৰ দীঘল এই পাইপ-লাইনে অতিক্ৰম কৰিছে অসম, বংগদেশ আৰু বিহাৰৰ একুৰি ওঠৰখন স্ৰোতস্বিনী নদী।

মিষ্টাৰ চৌধুৰী, বলক; ৰৈ গ'ল দেখোন!

হৰিশ খান্নাৰ আহ্বানে অৰুণাভৰ সম্বিত ঘূৰাই আনিলে। ইতিমধ্যে মেহৰা চাহাব গৈ হেলিকপ্টাৰৰ কাষ পাইছে। দুপৰৰ ৰ'দত সেই একেই ৰূপালী যান চিকমিকাই আছে।

ব'য়িং আৰু এয়াৰবাছৰ কাষত হেলিকপ্টাৰ দুখন খেলনা আকাশীযান যেন লাগে।

হৰিশ খান্নাই মন্তব্য কৰিলে।

সৰু হ'লেও মজবুত; চৈধ্যজন যাত্ৰী বহাৰ ব্যৱস্থা আছে, দৰকাৰ হ'লে এমবেছডৰ গাড়ী এখন দাঙি লৈ আকাশত উৰিব পাৰে।

উত্তৰত মেহৰা চাহাবে ক'লে।

জীৱনৰক্ষী আৱৰণ পিন্ধি অৰুণাভহঁত হেলিকপ্টাৰত উঠিল। সকলোৱে ককঁালত ছিট-বে'ল্ট বান্ধি ল'লে। গোঁ-গোঁ শব্দ কৰি ধীৰে-ধীৰে সৰু সেই ৰূপালীযান, চিনাকি পৃথিৱী এৰি উৰা মাৰিলে ৰৌদ্ৰদীপ্ত নিৰ্মেঘ আকাশৰ বুকুলৈ।

ভুৱনেশ্বৰ চহৰৰ সুউচ্চ মন্দিৰ, ওখ-ওখ ঘৰ, চলমান গাড়ী, ব্যস্ত ৰাস্তা-পদূলি ক্ৰমশঃ অদৃশ্যমান।

যিমানেই পৃথিৱী এৰি অৰুণাভহঁত আকাশৰ বুকুলৈ উঠিলে, সিমানেই অৰুণাভৰ ভাব হ'ল,— এই সুবিশাল বিশ্ব-ব্ৰহ্মাণ্ডত মানুহ কিমান নগণ্য, ক্ষুদ্ৰ অণুপৰমাণুৰ দৰে।

অৰুণাভে তললৈ চালে: ধীৰে ধীৰে অদৃশ্যমান শ্যামশোভা পৃথিৱী। অৰুণাভৰ ভাব হ'ল,— ক্ষুদ্ৰ হ'লেও মানুহৰ স্নেহ, মমতা, প্ৰেমেৰে ভৰা এই জীৱনটো মহাকাশৰ এটা অংশ; এই ক্ষুদ্ৰ-ক্ষুদ্ৰ জীৱনেৰেইতো গঢ়ি উঠিছে আকাশ পৰিব্যাপ্ত এই বিশাল বিশ্ব।

ধুসৰ অস্বচ্ছ ছবিৰ দৰে দৃশ্যমান হোৱা সমুদ্ৰ উপকূলস্থিত মন্দিৰৰ চূড়া এটাৰ ফালে খিৰিকিৰে আঙুলিয়াই দি মেহৰা চাহাবে ক'লে,— সেই যে তলত দেখিছা মন্দিৰৰ চূড়া, সেয়াই হ'ল উৰিষ্যাৰ প্ৰখ্যাত কোনাৰক মন্দিৰ। কেতিয়াবা সুবিধা পালে চাবাগৈ।

অৰুণাভে খিৰিকিৰে জুমি চালে সমুদ্ৰৰ পাৰত বা মন্দিৰৰ প্ৰাংগনত আছে নেকি শ্বুটিঙৰ বাবে অহা অনুৰাধা।

ৰবিবাৰে ৰাতিপুৱা ওলাব লাগিব অনুৰাধাৰ সৈতে। সময় যদি হয় কোনাৰকৰ মন্দিৰলৈও যাব লাগিব,— য'ত অনুৰাধাই হয়তো এই মুহূৰ্তত চৰকাৰী তথ্যচিত্ৰৰ বাবে শেষ শ্বুটিং কৰি আছে।

অৰুণাভৰ হঠাতে ভাব হ'ল— অনুৰাধাই নিশ্চয় বহল চকু দুটা মেলি এতিয়া আকাশৰ ফালে চাই আছে।

সঁচাকৈ আছে নে?


[আগলৈ]





# মহামূল্যবান সাঁচিপতীয়া পুথি দুৰ্দশাগ্ৰস্ত

গণেশ দাস



মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ, আৰু আতা পুৰুষসকলৰ নিজ হস্তাক্ষৰৰ সাঁচিপাতৰ পুথিসমূহৰ এতিয়াও সংৰক্ষণৰ ক্ষেত্ৰত আধুনিক তথা বিজ্ঞান সন্মত ব্যৱস্থা নোহোৱাত গুৰু দুজনাৰ লীলা ক্ষেত্ৰ পাটবাউসী, গণককুছি, সুন্দৰীদিয়া বৰপেটা আদি সত্ৰত অসমীয়া ভাষা-সাহিত্য, কলা-কৃষ্টিৰ সুদৃঢ় ভেটিস্বৰূপ সাঁচিপতীয়া অমূল্য গ্ৰন্থসমূহৰ দুৰ্গতি হৈছে। যোৱা ১৮ জানুৱাৰীৰপৰা তিনি দিনীয়াকৈ আয়োজন কৰা পাটবাউসী সত্ৰৰ "সেৰাৰ বস্তুৰ প্ৰদৰ্শনী"ত ৰাইজে বহু বছৰৰ মূৰত গুৰুজনাৰ আৰু আই গোঁসানীৰ দ্বাৰা ব্যৱহৃত পবিত্ৰ বয়-বস্তুৰ লগতে মহাপুৰুষ আৰু আতা পুৰুষে নিজ হাতে লিখা সাঁচিপাতৰ পুথিবোৰ দেখাৰ সুযোগ পায়। বহু বছৰ পূৰ্বে সাঁচিপাতৰ পুথিবোৰ দেখা বয়সীয়ালসকলে জনোৱা মতে পুথিবোৰৰ অৱস্থা আগতকৈ বহু বেয়া হৈছে। বহু পুথিৰপাত উৰ লি যোৱাত আৰু এলান্ধুৱে ক'লা পেলোৱাত আখৰ অস্পষ্ট হৈ পৰিছে। মহাপুৰুষ শংকৰদেৱৰ নিজ হস্তাক্ষৰৰ মূল 'গুণমালা' পুথিখনৰ দুখিলা পাত উৰ লি যোৱা অৱস্থাত দেখি দৰ্শকৰ অন্তৰত শোকে খুন্দা মাৰে। মহাৰাজ নৰনাৰায়ণে তেওঁৰ ৰাজসভাত থকা পণ্ডিতসকলক উদ্দেশ্যি সুধিছিল,— তেওঁলোকৰ কোনোবাই ভাগৱত শাস্ত্ৰৰ কথাখিনিৰ সাৰ উদ্ধাৰ কৰি, কৃষ্ণৰ গুণ-যশ বিস্তাৰ কৰি, একেদিনতে ৰজাক শুনাব পাৰিব নে? পণ্ডিতসকলে উত্তৰত কৈছিল যে কোনোবাই যদি এটা হাতী ভুকুকাত ভৰাব পাৰে, তেন্তে তেওঁলোকেও তেনে অসম্ভৱক সম্ভৱ কৰিব পাৰে। তেতিয়া মহাৰাজ নৰনাৰায়ণে শংকৰদেৱক সোধাত শংকৰদেৱে চেষ্টা কৰি চাম বুলি কৈ ৰাজসভাৰপৰা সিদিনা বিদায় ললে। সেই ৰাতিয়েই গুৰুজনাই ৰজাই বিচৰা

সেৰাৰ বস্তুৰ প্ৰদৰ্শনীত উলিওৱা ভাওনাৰ মুখা আৰু কাঠত খোদিত বিভিন্ন জীৱ-জন্তুৰ মূৰ্তি



ধৰণে ভাগৱতৰ সাৰ কাঢ়ি "গুণমালা" পুথিখন ৰচনা কৰি উলিয়ালে। পাছদিনা ৰাজসভাত উপস্থিত হৈ, হাতীমাৰি ভুৰুকাত ভৰোৱাৰ দৰে অসন্তৱক সম্ভৱ কৰি, মহাপুৰুষজনাই ওপৰত হাতীৰ মূৰ্তি এটা অংকিত কৰা ভুৰুকা এটা ৰজাৰ সন্মুখত থলে। মহাৰাজে ভুৰুকাৰ ভিতৰৰপৰা গুৰুজনাই এৰাতিৰ ভিতৰতে লিখি উলিউৱা পুথিখন উলিয়াই সন্মান সহকাৰে এখন সোণৰশৰাইত থলে। মহাপুৰুষে মাত্ৰ একদণ্ডৰ ভিতৰতে মহাৰাজ আৰু তেওঁৰ সভাসদ পণ্ডিতসকলক গুণমালা পুথিখন পঢ়ি শুনায়। পুথিখনিৰ উৎকৃষ্টতাত মুগ্ধ হৈ মহাৰাজ নৰনাৰায়ণে পুনৰ গুৰুজনাক ৰাজ সন্মান যাচে।

মহাপুৰুষৰ নিজ হস্তাক্ষৰৰ, চাৰেচাৰি ইঞ্চি দৈৰ্ঘ্য আৰু দুই ইঞ্চি প্ৰস্থৰ বত্ৰিছ খিলা সাঁচিপাতৰ এই অমূল্য গ্ৰন্থখনি পাটবাউসী সত্ৰৰ প্ৰদৰ্শনীত দেখিলো। ইয়াৰ দুখিলা পাত উৰলি যাব ধৰাত তাৰ আখৰবোৰ অস্পষ্ট হৈছে। গুণমালাৰ দুখিলা পাতৰ ক্ষতি মানেই অসমৰ সাঁচিপতীয়া মহান কৃষ্টিৰ প্ৰভূত ক্ষতি বুলি গণ্য কৰা হৈছে।

তেনেকৈ পাটবাউসী সত্ৰত দশম স্কন্ধ ভাগৱত, ভাগৱত প্ৰথম স্কন্ধ, নিমিনৱ সিদ্ধ সংবাদ আৰু গুৰুজনাৰ দ্বাৰা ৰচিত অংকীয়া নাট আদিৰ উপৰিও প্ৰদৰ্শনীত প্ৰদৰ্শিত মহাপুৰুষ মাধৱদেৱ বিৰচিত ভক্তি ৰত্নাৱলী, ৰামচৰণ ঠাকুৰৰ কংস বধ নাট, দৈত্যাৰি ঠাকুৰৰ কংস বধ নাট আদিৰো অৱস্থা ভাল নহয়।

যোৱা ১৩, ১৪ আৰু ১৫ ফেব্ৰুৱাৰীত বৰপেটা সত্ৰৰ প্ৰদৰ্শনীত মহাপুৰুষ দুজনাৰ যি চৈধ্যখনমান পুথি উলিউৱা হয় সেই কেইখন দেখি অসমীয়া সংস্কৃতি প্ৰেমী মাত্ৰেৰে অন্তৰত শোকে খুন্দিয়াব। মাধৱদেৱে নিজ হাতে লিখা নামঘোষা পুথিখন পোকে কুটি শেষ কৰিবলৈ আৰু মাত্ৰ কিছুকালহে বাকী।

গণককুছি সত্ৰত সেৰাৰ বস্তু হিচাপে অন্ধকাৰত আবদ্ধ কৰি ৰখা পুথিবোৰ পুৰণি ধৰ্মভীৰু ৰাইজৰ বাধাকো নামানি নতুন চামে ৰাইজৰ প্ৰদৰ্শনৰ বাবে বাহিৰলৈ উলিয়ায়। হাত-পেৰাৰ নিচিনাকৈ বাকচ তৈয়াৰ কৰি মহাপুৰুষ আৰু আতা পুৰুষসকলে তেওঁলোকৰ হাতে লিখা পুথিবোৰ যিমান যত্ন কৰি সংৰক্ষণৰ দিহা কৰি গৈছিল, তাৰ তুলনাত পিছৰ চামে আধুনিক কালত সেইবোৰ মূল্যবান গ্ৰন্থৰ বিজ্ঞান সন্মত সংৰক্ষণৰ ব্যৱস্থা নকৰাৰ ফলত অসমীয়া জাতিয়ে শ শ সাঁচিপতীয়া শাস্ত্ৰ পুথি হেৰুৱাইছে।

গণককুছিৰ প্ৰদৰ্শনীৰ থলীত সাঁচিপাতৰ পুথিৰ দুৰ্গতি চাই থাকোঁতেই এক বয়োজ্যেষ্ঠ ভকতে এক মৰ্মন্তুদ বাতৰি দিয়ে। আজিৰপৰা প্ৰায় ত্ৰিকুৰি বছৰ পূৰ্বে পোকে কুটি নষ্ট কৰা, আৰু সেমেকা বতাহত উৰলি যোৱা সাঁচিপাতৰ পুথিবোৰৰ অৱশিষ্টখিনি কৰবাৰ অপবিত্ৰ ঠাইত পৰাৰ ভয়ত নখান্দা নদীত উটুৱাই দিয়া হৈছিল। কাঠৰ বাকচেৰে বত্ৰিছ বাকচ মহাপুৰুষ আৰু অখ্যাত আতা পুৰুষে লেখা সাঁচিপাতৰ পুথি তেনেকৈ নখান্দাত উটি যায়।

অসমীয়া জাতিৰ সাহিত্য-সংস্কৃতিৰ ভেটি স্বৰূপ সাঁচিপতীয়া পুথিসমূহ সংৰক্ষণৰ বাবে এক বৈপ্লৱিক কাৰ্য্যব্যৱস্থাৰ প্ৰয়োজন হৈছে।

প্ৰতি বছৰে মহাপুৰুষৰ উৎসৱ আদিৰ নামত, ৰাজনৈতিক নেতাৰ বাবে "প্লেটফৰ্ম" সাজি যি বৃহৎ পৰিমাণৰ ধন আৰু জনশক্তি খটুউৱা হয়, অসমৰপৰা লুপ্ত হ'ব খোজা মহাপুৰুষৰ লীলা ক্ষেত্ৰ— সত্ৰ নামঘৰ সমূহ, আৰু অসমীয়া জাতিয়ে নিজৰ সম্ভ্ৰান্ত জাতীয় সত্ত্বাৰ বাবে গৌৰৱ কৰা সাঁচিপাতৰ ভাষা সংৰক্ষণত সেই ধনবল আৰু জনবল খটুউৱাত মনোনিবেশ কৰাটো অত্যাৱশ্যকীয় বুলি বিবেচিত হৈছে।

আলোকচিত্ৰ : দ্বিজেন দাস


নৱ বৰ্ষ নৱ বাণী অৰ্ঘ্য

* উপন্যাস *

এজাক মানুহ এখন অৰণ্য

চাহ বনুৱাৰ মহিমাময় এটা যুগৰ এখন সুবৃহৎ এপিক উপন্যাস —উমাকান্ত শৰ্মা ৫০·০০

পথৰ সন্ধানত

নতুন আংগিকৰ প্ৰথম ৰাজনৈতিক উপন্যাস —ৰজনীকান্ত গোস্বামী ১৮·০০

* গল্প * কাহিনী *

ৰূপ সাগৰিকাৰ প্ৰেম-কথা

কালিদাসৰ অমৰগ্ৰন্থ নলোদয়, কুমাৰ-সম্ভৱ আৰু মেঘদূতৰ বৈচিত্ৰ্যময় কাহিনীমালা —ৰবীন চৌধুৰী ১৫·০০

শুভবাৰ্তা

—অপূৰ্ব কুমাৰ শৰ্মা ১২·০০

প্ৰাকৃতিক আৰু অন্যান্য

—হৰেকৃষ্ণ ডেকা ১২·০০

* সাহিত্য * সংস্কৃতি *

কুমাৰিল ভট্টপাদ আৰু আচাৰ্য ধৰ্মকীৰ্তি

—আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী ১৫·০০

অসমীয়া সংস্কৃতিৰ সুভাগু

—পৰাগ চলিহা ১৫·০০

নাট্যকলা ঃ দেশী আৰু বিদেশী

১৫·০০

অসমীয়া লোকনাট্য পৰম্পৰা

ড° শৈলেন ভৰালী ১০·০০

* ধৰ্মগ্ৰন্থ *

শ্ৰীশ্ৰীশংকৰদেৱ-মাধদেৱৰ বাণী

ড° সত্যেন্দ্ৰনাথ শৰ্মা ১২·০০

শিৱ-পুৰাণ

ড° নবীনচন্দ্ৰ শৰ্মা সম্পাদিত ৪৫·০০

মণিকূট

ড° প্ৰবীনচন্দ্ৰ দাস সম্পাদিত ১৫·০০

* ভ্ৰমণ কাহিনী *

তাগালক ভাষাৰ দেশ

—বৰদা শৰ্মা ১০·০০

পশ্চিম পৰিক্ৰমা

—অঞ্জলি সেনগুপ্তা ১২·০০

বাণী প্ৰকাশ
পাণবজাৰ গুৱাহাটী-১






## ব'ৰ্ডে শ্ব'-কজ কৰিব

অষ্ট্ৰেলিয়া, শ্ৰীলংকা আৰু পাকিস্তানৰ বিৰুদ্ধে টেষ্ট আৰু একদিনীয়া আন্তঃৰাষ্ট্ৰীয় মেচসমূহত কিছুমান ভাৰতীয় ক্ৰিকেটাৰে ক্ৰিকেট ব'ৰ্ডৰ লগত তেওঁলোকৰ চুক্তি ভংগ কৰি এটা প্ৰতিষ্ঠানৰ ল'গ' ব্যৱহাৰ কৰাত ব'ৰ্ডে সংশ্লিষ্ট খেলুৱৈসকলৰপৰা কৈফিয়ৎ বিচাৰিব। অপৰাধ প্ৰমাণিত হলে অপৰাধী প্ৰতিগৰাকী খেলুৱৈয়ে ৫,০০০ টকাকৈ জৰিমনা ভৰিব লাগিব।

## পাকিস্তান দলত ৭ গৰাকী পে'ছ ব'লাৰ

পাঁচখন টেষ্ট খেলিবলৈ ইংলণ্ডলৈ যোৱা পাকিস্তান দলৰ নেতৃত্ব কৰিব ইমৰান খানে। ১৮ জনীয়া পাকিস্তান দলত ইমৰানৰ বাহিৰে আৰু ৬ জন পে'ছ ব'লাৰে স্থান লাভ কৰিছে। নিৰ্বাচিত খেলুৱৈসকল হৈছে ; ইমৰান, মিয়াঁদাদ, ৰামিজ ৰাজা, ছোৱাইব মহম্মদ, ছালিম মালিক, এজাজ আহমেদ, মঞ্জুৰ ইলাহি, ছালিম ইউছুফ, ৱাছিম আক্ৰাম, ছালিম জাফৰ, আব্দল কাদিৰ, তৌছিফ আহমেদ, মুদাছছাৰ নজৰ, মনছুৰ আখতাৰ, আছিফ মুজতবা, মহছিন কামাল, জাকিৰ খাঁ আৰু ইকবাল কাছিম।

## মিয়াঁদাদৰ মাৰ্ছিডিজৰ শুল্ক দিব জিয়াউলে

পাকিস্তানৰ খ্যাতনামা বেটছমেন জাভেদ মিয়াঁদাদে কৈছে যে, মাথো ভাৰতৰ বিপক্ষে জয়লাভেই নহয়, ৩৩ অভাৰত ১৮৪ ৰান সংগ্ৰহ কৰি পাকিস্তানে ছাৰজা কাপো লাভ কৰিব পাৰিলেহেঁতেন ;— কিন্তু বেছিভাগ সতীৰ্থ খেলুৱৈয়ে এই চেলেঞ্জ গ্ৰহণ কৰিবলৈ প্ৰস্তুত নাছিল। চোৰাং ব্যৱসায়ী এজনক সম্প্ৰতি পাকিস্তানত গ্ৰেপ্তাৰ কৰা হৈছে, অথচ এই ব্যৱসায়ী গৰাকীৰপৰা ছাৰজাত মিয়াঁদাদে চাৰে তিনি লাখ টকাৰ পুৰস্কাৰ লৈছিল। এই প্ৰসংগত মিয়াঁদাদে কয় যে, ক্ৰিকেট প্ৰেমীৰ ভাল পোৱাৰ দান হিচাপেই তেওঁ এই টকা গ্ৰহণ কৰিছিল। মাথো তেৱেঁই নহয় দলৰ প্ৰতিজন খেলুৱৈক এই ব্যৱসায়ীয়ে ১৫ হাজাৰকৈ টকা দিছে। মিয়াঁদাদে আৰু কয় যে, ছাৰজাত এজন ভক্তই তেওঁক এখন মাৰ্ছিডিজ বেনজ গাড়ি দিছে আৰু প্ৰেছিডেণ্ট জিয়াই আশ্বাস দিছে যে, ইয়াৰ বাবে তেওঁ কোনো শুল্ক দিব নালাগে। মিয়াঁদাদে কয়, "মই বৰ সন্মানিত বোধ কৰিছোঁ। প্ৰেছিডেণ্টে মোক কৈছে,— শুল্কৰ টকা তেওঁ নিজে দিব।"

## দুটা ৰেকৰ্ড

এছিয়ান ভাৰোত্তোলন প্ৰতিযোগিতাৰ ৫২ কেজি বিভাগত বিশ্ব ৰেকৰ্ড কৰিছে চীনৰ ঝু ইয়াঙে। তেওঁ নিজৰ পূৰ্বৰ ৰেকৰ্ড (১১৬ কেজি) ভংগ কৰি ১১৬·৫ কেজি উত্তোলন কৰিছে।

## জেভেলিনত এছিয়ান ৰেকৰ্ড

অলপতে চীনৰ মহিলা এথলিট জু উন ইয়াঙে ৬৫·১৬ মিটাৰ জেভলিন নিক্ষেপ কৰি এছিয়ান ৰেকৰ্ড প্ৰতিষ্ঠা কৰিছে। তেওঁ চীনৰে লিবাৱলিয়ানে ১৯৮৬ চনত প্ৰতিষ্ঠা কৰা ৬৪·৯২ মিটাৰৰ ৰেকৰ্ড ভংগ কৰিলে।

## ইংলণ্ডত খেলিব মহীন্দৰ আৰু মনোজে

ভাৰতৰ মনোজ প্ৰভাকৰে এই বছৰ মাঞ্চেষ্টাৰৰ হৈ খেলিব। মহীন্দৰে নৰ্থ য়ৰ্কশ্বায়াৰ আৰু ছাউথ ডাৰহাম লিগত গিছবৰো ক্লাবৰ হৈ খেলিব।

## উইম্বলডনত পুৰস্কাৰ ধন এইবাৰ ৫ কোটি ২০ লাখ টকা

এই বছৰত উইম্বলডনৰ পুৰস্কাৰৰ ধনৰ পৰিমাণ ১৬·৫ শতাংশ বৃদ্ধি কৰা হৈছে। ইয়াৰ ফলত এইবাৰ মুঠ পুৰস্কাৰ অৰ্থৰ পৰিমাণ হবগৈ প্ৰায় ৫ কোটি ২০ লাখ টকা (৪০ লাখ ডলাৰ)।

পুৰুষ বিভাগত যোৱা বাৰৰ চেম্পিয়নতকৈ এই বাৰৰ চেম্পিয়ন গৰাকীয়ে ২৪ হাজাৰ ডলাৰ বেছি পাব। পুৰুষ বিভাগৰ ছিংগলছত বিজয়ীয়ে পাব ৩২ লাখ ৭৬ হাজাৰ টকা। মহিলাৰ ছিংগলছত বিজয়ী প্ৰতিযোগীয়ে পাব ১৮ লাখ ১২ হাজাৰ টকা।

## জীৱনৰ প্ৰথম টেষ্টত কুৰুপ্পুৰ ডবল ছেঞ্চুৰি

শ্ৰীলংকা বনাম নিউজলেণ্ডৰ প্ৰথমখন টেষ্টমেচত শ্ৰীলংকা দলৰ অপেনিং বেটছমেন ব্ৰেনডন কুৰুপ্পুৱে তেওঁৰ জীৱনৰ প্ৰথমখন টেষ্টমেচতে ২০১ ৰান কৰি নট আউট হৈ থাকে। জীৱনৰ প্ৰথম টেষ্টতে ডবল ছেঞ্চুৰি অৰ্জন কৰাৰ কৃতিত্ব ক্ৰিকেট ইতিহাসত ইয়াৰ আগতে মাত্ৰ দুজন খেলুৱৈয়ে অৰ্জন কৰিছে ; তেওঁলোক হ'ল ইংলণ্ডৰ আৰ. ই. ফষ্টাৰ (২৮৭, অষ্ট্ৰেলিয়াৰ বিপক্ষে, ১৯০৩-'০৪ চনত) আৰু ৱেষ্ট ইণ্ডিজৰ লৰেন্সৰো (২১৪, নিউজিলেণ্ডৰ বিপক্ষে, কিংষ্টনত, ১৯৭১ চনত)।

৭৭৮ মিনিট ক্ৰিজত থাকি, ৫৬২ টা বল খেলি মুঠতে ২৫ টা বাউণ্ডেৰিৰ সহায়ত কুৰুপ্পুৱে ২০১ ৰান কৰে। টেষ্ট ইতিহাসত এইটো হৈছে দ্বিতীয় দীৰ্ঘতম ইনিংছ। ক্ৰিজত বেছি সময় থকাৰ ৰেকৰ্ডৰ অধিকাৰী পাকিস্তানৰ হানিফ মহম্মদ। ১৯৫৭-৫৮ চনত ৱেষ্টইণ্ডিজৰ বিপক্ষে ব্ৰিজটাউনৰ টেষ্টত ৩৩৭ ৰান কৰোঁতে হানিফে সময় লৈছিল ৯৭৭ মিনিট। শ্ৰীলংকাৰ খেলুৱৈসকলৰ ভিতৰত কুৰুপ্পুৰ এই ২০১ ৰানেই হৈছে ব্যক্তিগত সৰ্বোচ্চ ৰান। ইয়াৰ আগতে সিধাৰ্থ ৱেতিমুনিয়ে ১৯৮৪ চনত ইংলণ্ডৰ বিৰুদ্ধে লৰ্ডছত ১৯০ ৰান কৰিছিল।

উল্লেখযোগ্য যে বৰ্তমান শ্ৰীলংকাৰ ৰাজনৈতিক পৰিস্থিতিৰ বাবে নিউজিলেণ্ডৰ দলে তেওঁলোকৰ ভ্ৰমণ এখন টেষ্টৰ পাছতে সমাপ্ত কৰিবলৈ সিদ্ধান্ত লৈছে।

— পুলক লাহিড়ী



OKDISCD

১১ পৃষ্ঠাৰ পিছৰ পৰা

হিৰোছিমাৰ শোচনীয় পৰিণতিৰ বাবে বিশ্বৰ যি কোনো দেশৰ তুলনাত আণৱিক যুদ্ধৰ বিভীষিকাৰ বাবে জাপানী জনসাধাৰণ অধিক সচেতন। বোধহয় সেইকাৰণেই, অদূৰ ভৱিষ্যতে মুকলি সামৰিক সংঘৰ্ষত মাত্ৰ দুইমিনিটৰ ভিতৰত জাপান কমদূৰত্বৰ ছোভিয়েট ক্ষেপণাস্ত্ৰ আৰু বোমাবৰ্ষণৰ সম্মুখীন হোৱাৰ সম্ভাৱনা থাকিলেও, ছোভিয়েট এছ-এছ-২১ ক্ষেপণাস্ত্ৰৰ বিৰুদ্ধে সতৰ্কতা হিচাপে আণৱিক ক্ষেপণাস্ত্ৰ প্ৰতিষ্ঠাৰ অনুমতি আদায় কৰিবলৈ প্ৰশাসনে জাপানক সৈমান কৰোৱাত অসুবিধা পাইছে। প্ৰকৃতপক্ষে প্ৰশান্ত মহাসাগৰত আটাইতকৈ শক্তিশালী ছোভিয়েট নৌবাহিনীয়ে বিচৰণ কৰে যদিও, মাৰ্কিন-জাপান সামৰিক চুক্তিত জাপানৰ স্বাৰ্থতকৈ সদায় মাৰ্কিন স্বাৰ্থইহে প্ৰাধান্য বিস্তাৰ কৰে। শেহতীয়া এক জনসমীক্ষা মতে জাপানৰ শতকৰা ৭৩ ভাগ লোকৰ মতে সামৰিক বাহিনীৰ কাম হৈছে বিপদত সাহায্য আগবঢ়োৱা। কেৱল শতকৰা ৯ ভাগ লোকেহে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে ইয়াৰ প্ৰয়োজন বুলি ভাবে। প্ৰকৃততে জাপানীসকলে বৰ্তমান দেশত প্ৰতিৰক্ষা মন্ত্ৰী দপ্তৰ নথকাটো বিশেষ অনুভৱ নকৰে। তেনেহলে আধুনিক জাপানৰ লক্ষ্য কি? আজিৰ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত জাপানে এক সুকীয়া ভূমিকা গ্ৰহণ কৰিব খোজে। জাপানৰ এই নতুন নৈতিক অৰ্থনৈতিক কূটনীতি, ওৰফে এছিয়ান কূটনীতি, অথবা কোনো কোনোৱে নিৰপেক্ষতাৰ এক নতুন ৰূপ বুলি অভিহিত কৰিব খোজে। এছিয়াৰ জাতিসমূহৰ মাজত ৰাজনৈতিক বৰ্তৃত্ব স্থাপন কৰিবলৈ চলোৱা অতীতৰ ভুলৰ তেওঁলোকে পুনৰাবৃত্তি কৰিব নোখোজে। বৃহৎ সামৰিক শক্তিৰ অধিকাৰী হোৱাৰ বিপৰীতে সম্পূৰ্ণ অৰ্থনৈতিক প্ৰাধান্যৰে জাপানীসকলে প্ৰাচ্য আৰু প্ৰাশ্চাত্যত এক নতুন বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিবলৈ লৈছে। শিল্পসুলভ নিয়মানুবৰ্তিতা, গতিশীল প্ৰচেষ্টা, পশ্চিমীয়া জ্ঞান-বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ওপৰত থকা দখলৰ বাবে কম সময়ৰ ভিতৰতে বিশ্বত তেওঁলোক এক অপ্ৰতিদ্বন্দ্বী অৰ্থনৈতিক শক্তি ৰূপে পৰিগণিত হ'ব পাৰিছে। তৃতীয় বিশ্বৰ কথা বাদেই, জাপানী সামগ্ৰীৰ লগত পশ্চিমীয়া দেশবোৰেও ফেৰ মাৰিব পৰা নাই। বিশেষকৈ জাপানী মটৰ গাড়ী আৰু ইলেকট্ৰনিক সা-সঁজুলিয়ে এতিয়া পশ্চিমৰ বজাৰ ছাটি পেলাইছে। ফলত কিছুসংখ্যক পশ্চিমীয়া উদ্যোগক জাপানী আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ ব্যৱসায়ী মহলে সংশ্লিষ্ট চৰকাৰসমূহক "ৰক্ষণাবেক্ষণৰ নীতি" গ্ৰহণ কৰিবলৈ হেঁচা প্ৰয়োগ কৰাৰ বাতৰি ওলাইছে। উদাহৰণ স্বৰূপে দ্বিতীয় মহাযুদ্ধৰ পূৰ্বে জাপানী সামগ্ৰীৰ প্ৰতি ইংৰাজসকলৰ আকৰ্ষণৰ কাৰণ আছিল তেওঁলোকৰ অভাৱনীয় নকল কৰাৰ ক্ষমতা। অৱশ্যে এনে সামগ্ৰীৰ গুণত্বকৈ মূল্য আছিল কম। কিন্তু বৰ্তমান জাপানী সামগ্ৰীৰ-বাইকে ইলেকট্ৰনিক সা-সৰঞ্জাম আৰু যানবাহনৰ মান ইমানেই উন্নত যে পশ্চিমীয়া গ্ৰাহকৰ মাজত তাৰ চাহিদা দেখি উদ্যোগপতিসকল বিমোৰত পৰিছে। এই প্ৰসংগত সামগ্ৰীৰ লগতে এছিয়াৰ চাৰি ড্ৰেগন— কোৰিয়া, টাইৱান, হংকং আৰু ছিংগাপুৰৰ কথাও উল্লেখ কৰিব পাৰি। এসময়ত পশ্চিমীয়া বাণিজ্যৰ পীঠস্থান স্বয়ং লণ্ডন চহৰত বৰ্তমান জাপানী বেংকৰ সংখ্যা ২৯, জাপানী মূলধনেৰে পৰিচালিত প্ৰতিষ্ঠানৰ সংখ্যা ৫৮ আৰু বীমা কোম্পানিৰ সংখ্যা ৯। প্ৰকৃততে লণ্ডনৰ বেংক ব্যৱসায়ৰ শতকৰা ২৫ ভাগ জাপানী প্ৰতিষ্ঠানে নিয়ন্ত্ৰণ কৰে। মহানগৰীৰ মাজমজিয়াত জাপানী প্ৰতিষ্ঠানে নিৰ্মাণ কৰা সুউচ্চ অট্টালিকাৰ নিৰ্মাণ কাৰ্যৰ দায়িত্ব এতিয়া ইংৰাজ কোম্পানিৰ হাতত নাই; সেই দায়িত্ব গ্ৰহণ কৰিছে জাপানী নিৰ্মাণ প্ৰতিষ্ঠানে। পশ্চিমীয়া ব্যৱসায়ী মহলৰ প্ৰধান অভিযোগ হৈছে ৰপ্তানিৰ ক্ষেত্ৰত পশ্চিমৰ বজাৰত জাপানে যিমান সুবিধা লাভ কৰিছে, তাৰ বিপৰীত জাপানী বজাৰত পশ্চিমীয়া ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰবেশৰ পথ নিচেই সীমিত। পশ্চিমীয়া আমদানি সামগ্ৰীৰ ওপৰত জাপানে ভালেমান প্ৰতিবন্ধকতা আৰোপ কৰে। সংকটৰ মূল কাৰণ সেইটোৱেই। শেহতীয়াভাৱে আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰখ্যাত বৃটিছ প্ৰতিষ্ঠান এটাই জাপানৰ টেলিসংযোগ বজাৰত অংশ গ্ৰহণৰ অনুমতি লাভ কৰিব নোৱাৰি অসন্তুষ্ট হোৱা ইংৰাজ ব্যৱসায়ী মহলেও মাৰ্কিনীসকলৰ দৰে জাপানৰ ওপৰত প্ৰতিশোধ লবলৈ শ্ৰীমতী থেচাৰ চৰকাৰৰ ওপৰত হেঁচা দিয়াৰ বাতৰি ওলাইছে।

জাপানী আমদানি সামগ্ৰীৰ ওপৰত আৰোপ কৰা প্ৰতিবন্ধকতাক কেন্দ্ৰ কৰি ইতিমধ্যে ভালেমান প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিশ্বৰ বজাৰত ইয়াৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। একাংশ মাৰ্কিন বিশেষজ্ঞৰ মতে এই সিদ্ধান্তই যুক্তৰাজ্যকহে অধিক ক্ষতিগ্ৰস্ত কৰিব। জাপানী প্ৰধানমন্ত্ৰী য়াছুছিৰ' নাকাছ'নেৰ যুক্তি হ'ল,— ইউৰোপত মাৰ্কিন বাণিজ্যিক ঘাটিৰ পৰিমাণ জাপানৰ সমানেই। জাপানৰ প্ৰাচুৰ্যৰ বাবেই তেওঁলোকক আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত প্ৰধান নেতৃত্ব লোৱাৰ সুবিধা দিয়া হৈছে। তথাপি এনেধৰণৰ মতানৈক্যই যে দুয়োপক্ষকে ক্ষতি কৰিব, সেই বিষয়ে ৱাছিংটন আৰু টকিঅ' সমানে সজাগ। সেই কাৰণে উত্তেজনা উপশমৰ বাবে ইতিমধ্যে জাপানী প্ৰতিনিধি আমেৰিকা যুক্তৰাষ্ট্ৰত উপস্থিত হৈছেগৈ। কিয়নো, দুইখন দেশৰ মাজৰ বৰ্তমান সম্পৰ্ক কেৱল বাণিজ্যৰ মাজতে আবদ্ধ থকা নাই। প্ৰাক্তন মাৰ্কিন বৈদেশিক সচিব মি. জ্বাইবাছ ভানছৰ মতে সেই সম্পৰ্ক বাণিজ্যতকৈ অধিক ব্যাপক আৰু বেছি গুৰুত্বপূৰ্ণ।



১২ পৃষ্ঠাৰ পিছৰ পৰা

ৰাতিটোৰ ভিতৰতে কাগজৰ পাতত বহুতো কোম্পানিৰ জন্ম হ'ল আৰু সেইবোৰে সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত ষড়যন্ত্ৰ কৰি এটা মণ্ডলৰ সৃষ্টি কৰিব পাৰে। দ্বিতীয়তে, নিগমৰ কৰ্তৃপক্ষয়ো নিজে সঁচা দামটো (৬'২০ টকা) কিছু বেছি যেন পালে। আচলতে নিগমে পুনৰ টেণ্ডাৰ আহ্বান কৰাৰ কথা ভাবিছিল, কিন্তু সেইটো কৰা নহ'ল। তেওঁলোকে ইয়াৰ কাৰণ সময়ৰ অভাৱ বুলি কৈছে। মোৰ দৰে সৰ্বসাধাৰণ মানুহে ভাবিব পাৰে যে ৰাজনৈতিক হেঁচাত বা নিজৰ মাজৰে ষড়যন্ত্ৰৰ ফলত ৬'২০ টকা দামটো মানি লোৱা হৈছিল। যোগান ধৰোঁতাসকল কোন আছিল? মই নিগমৰপৰা সেই তালিকাখন নাপালো। কিন্তু এই ৰাজহুৱা কাগজখন (public document) এজন সাংবাদিকে পোৱা উচিত আছিল। কোনো কোনো মহলৰ পৰা মই শুনিছিলো যে 'নিবনুৱা যুৱকো' যোগান ধৰোঁতাসকল মাজত আছিল। তদুপৰি কিছুমান জনাজাত লোকো ৰাতিটোৰ ভিতৰতে 'ঠিকাদাৰ' হৈ পৰিল, যেজত বহিয়েই তেওঁলোকে পইচা ঘটিলে। এই 'নিবনুৱা যুৱক'-সকল কোন আছিল? অসমত লক্ষ-লক্ষ 'নিবনুৱা যুৱক' আছে। তেওঁলোক নিশ্চয় এনে কোনো লোক আছিল যিসকলে অফিছৰ যন্ত্ৰটো নিজৰ বাবে খটুৱাব পাৰিছিল আৰু যিসকল ৰাজনৈতিক নেতাৰ ওচৰৰ মানুহ আছিল।

সেই সময়ত কুফ্ৰিজ্যোতি জাতৰ আলুবীজৰ প্ৰতি কেজিৰ বজাৰ দৰ সম্পৰ্কে কিছু বিভ্ৰান্তি আছিল; কিন্তু ৪ বা ৪'৫০ টকা দামত যে কিনিব পৰা গ'লহেঁতেন, সেই বিষয়ে বহুতো একমত। এই দামতো যোগান ধৰোঁতাসকলে ভাল লাভ কৰিব পাৰিলেহেঁতেন। মই নিজে হিচাপ কৰি দেখিছোঁ যে ১০০০ কুইণ্টলকৈ যোগান ধৰা প্ৰতিজন ব্যৱসায়ীয়ে দুই লাখ টকা অতিৰিক্তকৈ লাভ কৰিছে। মই আগতেই কৈছোঁ যে, এওঁলোকৰ বহুতেই প্ৰকৃততে এনে ধৰণৰ ব্যৱসায়ী নহয়। কিন্তু তেওঁলোকে আধা ডজনত বা তাতকৈ বেছি লেটাৰ হে'ড কোম্পানি যোগান ধৰা কাৰ্যত লগাব পাৰে। তেওঁলোকৰ হাতত কাৰ্য সম্পাদন কৰাৰ কৌশল আছে। তেওঁলোকে লাইছেন্সো পাব পাৰে। কৃষি বিভাগৰ বিষয়াসকলে লাইছেন্স দিয়াৰ আগতে কথাবোৰ ভালকৈ চাই লৈছিল নে নাই সেইটো চৰকাৰে বিচাৰ কৰি চোৱা উচিত। দ্বিতীয়তে চাব লাগে, —লাইছেন্সৰ জৰিয়তে তেওঁলোকে এটা 'ছিণ্ডিকেট' স্থাপন কৰাত সহায় কৰিলে নে কি?

ষ্টেটফেডকো বীজ কিনিবৰ বাবে দুই কোটি টকা দিয়া হৈছিল বুলি মোক কোৱা হৈছিল। বীজৰ গুণাগুণৰ ক্ষেত্ৰত নিগমে কৈছিল যে মাথোন ৩০০/৪০০ কুইণ্টল বীজহে নিম্ন জাতৰ পোৱা গৈছিল। গুণাগুণৰ কথা বাদ দি, বীজৰ কিমানখিনি বানবিধ্বস্ত-সকলৰ মাজত বিতৰণ কৰা হৈছিল সিও এটা প্ৰশ্ন। এইবোৰ কথা মাথোন বীজৰ ক্ষেত্ৰতহে কোৱা হ'ল। সাৰ বা অন্যান্য বস্তুবোৰৰ বিতৰণৰ বেলিকাও একে ধৰণৰ ঘটনাই ঘটিব পাৰে বুলি সন্দেহ হয়। গতিকে বানে এহাতে যেতিয়া হাজাৰ হাজাৰ লোকৰ জীৱন ধ্বংস কৰিছিল, আনহাতে সেই বানেই এচাম মানুহৰ ধনভঁৰাল পূৰ কৰিছিল।

কোনোবাই মুখ্যমন্ত্ৰীক গণ পৰিষদ চৰকাৰৰ দুৰ্নীতিৰ কথা কওঁতে তেওঁ কৈছিল, —"এইবোৰ মাথোন অভিযোগহে; প্ৰমাণ আনক।"

সকলো সময়তে প্ৰমাণ সংগ্ৰহ কৰা সহজ কাম নহয়। "আপুনি মোৰ কোম্পানিৰপৰা কিনিলে আপোনাক ইমান টকা দিয়া হয়,"— এনে ধৰণৰ কথাবোৰৰ কোনো প্ৰমাণ নাথাকে।

অনুবাদ: **দীপিকা পৰদেশী**

৩২ পৃষ্ঠাৰ পিছৰ পৰা

বোৰৰ উৰণ কিমান নিখুঁত, কিমান নিৰ্ভুল! এবিধ সাপে এক ডিগ্ৰিৰ এহেজাৰ ভাগৰ এভাগ উষ্ণতাও অনুভৱ কৰিব পাৰে। সাগৰৰ পানীৰ এঠাইত মাত্ৰ ৩০ গ্ৰাম গন্ধদ্ৰব্য মিহলাই দিলেই কিছুমান মাছ বহু দূৰৰ পৰা আকৰ্ষিত হয়। পঁইতাচোৰাই এক ইঞ্চিৰ এক নিযুত ভাগৰ এভাগ দূৰত্বৰ লৰচৰো ধৰিব পাৰে। কোনো কোনো মাছে এক এম্পিয়াৰৰ এহেজাৰ ভাগৰ এভাগ বিজুলী শক্তিও অনুভৱ কৰিব পাৰে। এটা মহে কামোৰাৰ সময়ত শৰীৰৰ প্ৰতি বৰ্গ ছেণ্টিমিটাৰত প্ৰায় এহেজাৰ নিযুত কিল'গ্ৰাম চাপ দিয়ে। কোনো কোনো প্ৰাণীয়ে আকৌ ভূমিকম্পৰ লেখীয়া প্ৰাকৃতিক দুৰ্যোগৰ আগজাননী দিব পাৰে।

এই প্ৰাণীবোৰৰ শৰীৰৰ অংগ কিমান সূক্ষ্ম আৰু জটিল, ভাবিলেই আচৰিত হ'ব লাগে। মানুহে হয়তো এদিন ইহঁতৰ দেহৰ নিয়ন্ত্ৰণ-ব্যৱস্থা উদ্ঘাটন কৰি অধিক সূক্ষ্ম যন্ত্ৰ নিৰ্মাণৰ দ্বাৰা উপকৃত হ'ব পাৰিব। কেইবা শ ভল্টৰ বিদ্যুৎ উৎপাদন কৰিব পৰা ইল মাছ, শীতল পোহৰ উৎপন্ন কৰা জোনাকী পৰুৱা আদিয়ে মানুহক প্ৰাণীদেহত এনে ধৰণৰ শক্তি উৎপাদনৰ ৰহস্য উদঘাটন কৰিবলৈ উদগণি দিছে। ইয়াৰ বলতেই মানুহে এদিন জৈৱ-বিদ্যুৎ উৎপাদক যন্ত্ৰ নিৰ্মাণ কৰিব পাৰিবগৈ বুলি আশা কৰিব পাৰি।

এনে এটা দিনো হয়তো আহিব, যেতিয়া মানুহে খাদ্য আৰু বস্ত্ৰৰ কাৰণে গছ-গছনিৰ ওপৰত নিৰ্ভৰ কৰিব নালাগিব। মানুহে কৃত্ৰিম সালোক-সংশ্লেষণৰ সহায়ত নিজৰ প্ৰয়োজনীয় খাদ্য আৰু বস্ত্ৰৰ উপাদান-সমূহ নিজেই তৈয়াৰ কৰি ল'ব পাৰিব। মানুহে হয়তো এদিন তেজ মঙহৰ ৰবটেই নিৰ্মাণ কৰিব পাৰিব। কিন্তু তথাপি হয়তো সন্দেহৰ অৱকাশ থাকি যাব: যন্ত্ৰ জানো কেতিয়াবা মানৱ-সুলভ চিন্তা আৰু কল্পনা, বুদ্ধি আৰু উপলব্ধি, আবেগ আৰু অনুভূতিৰ অধিকাৰী হ'ব পাৰিব?



OKDISCD

# সাধাৰণ সৎ লোকৰ হতাশা

কিছুমান ভাৰতীয় কোম্পানি বা মানুহে বিদেশত অবৈধভাৱে বৃহৎ পৰিমাণৰ ধনৰ লেনদেন কৰিছে বা বৃহৎ পৰিমাণৰ ধন জমা কৰিছে, —এই কথাটো সঁচা নে মিছা, যদি সঁচা তেনেহলে ক'ত কোনে কিমান কি কৰিছে, সেই বিষয়ে অনুসন্ধান কৰিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বেচৰকাৰী চোৰাংচোৱা প্ৰতিষ্ঠান এটাক গোপনে নিয়োগ কৰা হ'ল। আমেৰিকাৰ প্ৰতিষ্ঠানক কিয়? বোধকৰোঁ ইয়াৰ প্ৰথম কাৰণ হ'ল ঘটনাবোৰ বিদেশত ঘটিছে কাৰণে বিদেশৰ মানুহেহে অনুসন্ধানবোৰ অধিক সুকলমে কৰিব পাৰিব। দ্বিতীয় কাৰণটোৰ লগত দক্ষতা, নিৰপেক্ষতা, সততা আদিৰ প্ৰশ্ন জড়িত আছে। যি কাৰণত অসমত ঘটা ঘটনা এটাৰ তদন্ত চি. বি. আইৰ হাতত দিবলৈ কোনো কোনো মহলৰপৰা দাবী জনোৱা হয়, যি কাৰণত এই ৰাজ্যৰ ন্যায়ালয়ত চলি থকা মকৰ্দমা এটা ৰাজ্যখনৰ বাহিৰৰ ন্যায়ালয়লৈ নিবলৈ দাবী জনোৱা হয়, সেইটোৱেই বোধকৰোঁ দ্বিতীয় কাৰণ। আৰু আয়োজনটো গোপনে কৰা হ'ল কিয়? এই প্ৰশ্নৰ বোধকৰোঁ উত্তৰ হ'ব— গোপনে নকৰি কাৰ লগত আলোচনা কৰি কৰা হ'ব? যাৰ লগত আলোচনা কৰা হ'ব, হয়তো তেওঁলোকৰ মাজতে অপৰাধী আছে, নাইবা তেওঁলোকেই অপৰাধীৰ ৰক্ষাকৰ্তা। বিত্তমন্ত্ৰী হিচাপে বিদেশী চোৰাংচোৱা নিয়োগ কৰিবৰ সময়ত বিশ্বনাথ প্ৰতাপ সিঙে কথাবোৰ এনেকৈ ভাবিছিল বুলি ভবাৰ যুক্তি আছে।

তাৰ পাছত, পশ্চিম জাৰ্মানিৰ প্ৰতিষ্ঠান এটাই ভাৰতলৈ ছাবমেৰিন যোগান ধৰাৰ বন্দবস্তত মাজতে এটা পক্ষই ত্ৰিছ কোটি টকা কমিশ্যন ললে নে কি, সেই বিষয়ে শ্ৰীসিঙে (এইবাৰ প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে) এটা অনুসন্ধান চলোৱাৰ কথা ঘোষণা কৰিলে। এই ঘোষণাৰ সময় আৰু পৰিস্থিতি বৈশিষ্ট্যপূৰ্ণ আছিল।

শ্ৰীসিঙৰ এই কাণ্ড-কাৰখানাবোৰ দেখি শাসনত থকা দলটোৰ নেতা আৰু নেতৃস্থানীয় সদস্যসকলে এইদৰে চিন্তা-চৰ্চা কৰিব পাৰে: "এই মানুহজনে কিছুদিনৰপৰা কিছুমান চমক লগোৱা কাম কৰি নিজক আমাৰ দলটোৰ ভিতৰত, জনসাধাৰণৰ মানত শক্তিশালী মানুহ বুলি প্ৰতিষ্ঠা কৰিব খুজিছে। হয়তো তেওঁ নিজকে দ্বিতীয়জন দলনেতা নাইবা বিকল্প দলনেতা হিচাপে প্ৰতিষ্ঠা কৰিব খুজিছে। এওঁক কি কৰা যায়? মন্ত্ৰীসভাৰ পৰা আঁতৰোৱা হওক; দলৰপৰা বহিষ্কাৰ কৰা হওক; প্ৰণৱ মুখাৰ্জীৰ নিচিনা কৰা হওক।"

আৰু ঠিক সেই সময়তেই, দুৰ্নীতি নিৰ্মূল কৰিব খোজা, নিকা শাসন প্ৰৱৰ্তন কৰিব খোজা দলনেতা বা সদস্যসকলে কোৱা উচিত আছিল,— "নহয়, তেওঁ কেইটামান কাম কৰিব খুজিছে যেতিয়া, আৰু এই ঘটনাবোৰৰ কথা সমগ্ৰ পৃথিৱীতে ফাটি-ফুটি গ'ল যেতিয়া, তেওঁক কামকেইটা শেষ কৰিবলৈ দিয়া হওক। আমি যদি এতিয়া এই কামত বাধা দিওঁ, তেনেহলে পৃথিৱীয়ে ধৰি লব,— আমি দুৰ্নীতিক প্ৰশ্ৰয় দিছোঁ। আনহাতে, এইবোৰ অনুসন্ধানৰ ফলস্বৰূপে যদি সঁচাকৈয়ে কিছুমান কুকাৰ্য ধৰা পৰে, যদি ভৱিষ্যতলৈ কিছুমান দুৰ্নীতি ৰোধ কৰিব পৰা যায়, তেনেহলে মুষ্টিমেয় কিছু ধনী লোকে বেয়া পালেও দেশখনৰ লক্ষ-লক্ষ সাধাৰণ মানুহে আমাক ভাল পাব; ঘোষিত নীতি অনুসৰি কঠোৰভাৱে কাম কৰিছোঁ কাৰণে আমাৰ দলটোৰ ভাবমূৰ্তি (image) উজ্জ্বল হ'ব। বিশ্বনাথ প্ৰতাপ সিং কিয়, আচলতে আমি প্ৰত্যেকেই এনে কাম কৰিব লাগে। অৱশ্যে তেওঁ যি ধৰণে কামবোৰ আৰম্ভ কৰিলে, সি চৰকাৰখন আৰু দলটোক আচম্বিতে শলঠেকত পেলালে। এই বিষয়ে আমি আমাৰ ভিতৰতে, গোপনে আলোচনা কৰি সমুচিত ব্যৱস্থা লম; কিন্তু বাহিৰত হুলস্থুল নকৰোঁ।"

শাসনকাৰী দল আৰু সেই দলৰ নেতাসকলৰ বিচাৰ-বিবেচনা এনেকুৱা হোৱা হ'লে, সঁচাকৈয়ে কেইবাটাও দিশত দেশখনৰ উপকাৰ হ'লহেঁতেন। কিন্তু প্ৰথম অৱস্থাতে দলটোৰ এচামে উত্তেজিত হৈ এনে কিছুমান কথা কলে বা কাম কৰিলে, যাৰ ফলত সাধাৰণ দেশবাসীৰ ধাৰণা হ'ল—এওঁলোকৰ লুকুৱাবলগীয়া কথা আৰু ঘটনা আছে। কিন্তু এওঁলোকে লুকুৱাব খুজিলেও যে কথা লুকাই নাথাকে, তাৰ প্ৰমাণ ছুইডেনৰ চৰকাৰী অনাতাঁৰ মাধ্যমে দিবলৈ আৰম্ভ কৰিলে। যেতিয়ালৈকে সেই সংবাদ-মাধ্যমে সমগ্ৰ বিশ্বৰ আগত তেওঁলোকৰ ভুল হৈছিল বুলি স্বীকাৰ কৰি ক্ষমা নোখোজে, তেতিয়ালৈকে বিশ্ববাসীয়ে বুজি থাকিব,—বফৰ্ছ কোম্পানিৰ পৰা কোটি-কোটি টকাৰ অস্ত্ৰ-শস্ত্ৰ কিনাৰ সময়ত শাসনত থকা ৰাজনৈতিক দলটোৰ মানুহ আৰু সৈন্য বিভাগৰ মানুহে বৃহৎ পৰিমাণৰ ধন ঘোচ হিচাপে লৈছে।

উচ্চস্থানত ঘটা এইবোৰ ঘটনাই তলৰ পৰ্যায়ত, সাধাৰণ মানুহৰ নৈতিকতাক বৰ বেয়াকৈ প্ৰভাৱান্বিত কৰে। ই-কংগ্ৰেছৰ শীৰ্ষস্থানীয় মহলৰ পৰা কোৱা হৈছে— এইবিলাক কু-চক্ৰান্তমূলক ঘটনা; আমাৰ দেশখনৰ ৰাজনৈতিক প্ৰণালীটো নষ্ট কৰিবৰ কাৰণে এইবিলাক ঘটনাৰ সৃষ্টি কৰা হৈছে; আমাৰ সৈন্যবাহিনীৰ মনোবল নষ্ট কৰিবলৈ চেষ্টা কৰা হৈছে। অসুবিধাজনক অৱস্থাত পৰিলেই যে শত্ৰু ভাবাপন্ন দেশৰ প্ৰতি দেশবাসীৰ দৃষ্টি আকৰ্ষণ কৰা, সৈন্যবাহিনীৰ ওপৰত গুৰুত্ব দিয়া, দেশৰ অখণ্ডতাৰ দোহাই দিয়া আদি কামবোৰ চৰকাৰে কৰি থাকে, সাধাৰণ বুদ্ধি থকা মানুহেও আজিকালি সেইবোৰক ৰাজনৈতিক ভালি-বাজি বুলিয়েই ধৰে। তেওঁলোকে যে সৈন্যবাহিনীৰ মনোবলৰ কথা কৈছে, দেশখনৰ লক্ষ-লক্ষ অসামৰিক সৎ মানুহৰ মনৰ অৱস্থা কি হৈছে? কোটি-কোটি টকাৰ অবৈধ লেনদেনৰ বিপক্ষে যুঁজিবলৈ চৰকাৰৰ যি আন্তৰিকতা, সাহস আৰু শক্তিৰ প্ৰকাশ হ'ব লাগে, তাৰ অভাৱ দেখিলে দুৰ্নীতিৰ পৰা আঁতৰ হৈ থাকিবলৈ চেষ্টা কৰাসকলৰ মনোবল টুটে। এইবোৰ ঘটনাই দেশখনৰ লক্ষ-লক্ষ দুৰ্নীতিগ্ৰস্ত মানুহক যি সাহস আৰু প্ৰেৰণা দিয়ে, তাক খোধিবলৈ দেশখনৰ দুৰ্নীতিমুক্ত বিষয়া-কৰ্মচাৰীসকলে বল পায় ক'ৰপৰা? আজি দুশ টকা ঘোচ খোৱা কৰ্মচাৰী এজনক ধৰা পেলোৱা বিষয়াজনৰ কৃতিত্বৰ ৰূপটো কি?

ৰাজনৈতিক ক্ষমতা হাতত ৰখাৰ বাবে নৈতিক অৱক্ষয়লৈ পিঠি দিয়াৰ প্ৰৱণতা দেশখনত দিনে-দিনে বাঢ়িছে। এই অৱস্থাৰ বিৰুদ্ধে যুঁজি ৰাইজক নেতৃত্ব দিব পৰা এটা ব্যৱস্থাৰ আবিৰ্ভাৱৰ বাবে বাট চোৱাৰ বাহিৰে সৎ লোকৰ উপায় নোহোৱা হৈছে। হতাশা ইমানেই গভীৰ।

২৪।৪।৮৭



